www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

কল্পনাৰ সাগৰত ডুবি নহয় বাস্তৱতাৰ নৈত সাঁতুৰিব শিকা, তেহে জীৱনৰ লক্ষ্যত উপনীত হব পাৰিবা। – আব্দুল কালাম

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❒ প্ৰথম বছৰ ❒ সংখ্যা- ৩৩১ ❒ শুকুৰবাৰ ❒ ৯ অক্টোবৰ, ২০২৬ চন ❒ Volume/Year- I ❒ Issue- 331 ❒ Friday ❒ 09th October, 2026 ❒ Asom Barta, Majuli ❒ PRGI Reg. No.- ASASS/25/A2361 ❒ Price- Rs. 10 ❒ Total Page-8

# প্ৰথিতযশা অভিনেতা নানা পাটেকাৰৰ দেহাৱসান

হিন্দী-মাৰাঠী চলচ্চিত্ৰলৈ অপৰিসীম অৱদানৰ কথা স্মৰণ

## নানা পাটেকাৰৰ বিয়োগত প্ৰধানমন্ত্ৰী মোদীৰ গভীৰ শোক

**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ অক্টোবৰ ঃ** বিশিষ্ট অভিনেতা নানা পাটেকাৰৰ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। হিন্দী আৰু মাৰাঠী চলচ্চিত্ৰত পাটেকাৰৰ অনন্য অভিনয়, সৃষ্টিশীলতা আৰু স্বকীয় অভিনয়-সত্তাৰ কথা স্মৰণ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁ সৃষ্টি কৰি যোৱা বহু চৰিত্ৰ প্ৰজন্মৰ পিছত প্ৰজন্মলৈ স্মৰণীয় হৈ থাকিব। বৃহস্পতিবাৰে পুৰা গোৱাস্থিত নিজ বাসভৱনত হৃদ্ৰোগত আক্ৰান্ত হৈ ৭৫ বছৰ বয়সত নানা পাটেকাৰৰ মৃত্যু হয়। তেওঁক অচেতন অৱস্থাত উদ্ধাৰ কৰি চিকিৎসালয়লৈ নিয়া হৈছিল। চিকিৎসকে প্ৰায় ৪৫ মিনিট ধৰি ❒ ৬ পৃষ্ঠাত



### পদ্মশ্ৰী অভিনেতাগৰাকীৰ আকস্মিক মৃত্যুত শোকস্তব্ধ দেশ

■ মহাৰাষ্ট্ৰ চৰকাৰৰ ৰাজ্যিক মৰ্যাদাৰে শেষ বিদায় দিবলৈ প্ৰস্তুতি ■

**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ অক্টোবৰ ঃ** প্ৰখ্যাত হিন্দী-মাৰাঠী চলচ্চিত্ৰ আৰু মঞ্চ অভিনেতা নানা পাটেকাৰ আৰু নাই। বাতৰি অনুসৰি, বৃহস্পতিবাৰে পুৰা গোৱাৰ মণিপাল হাস্পতালত তেওঁৰ মৃত্যু হয়। কোনো গুৰুতৰ অসুস্থতা নথকা অভিনেতাগৰাকীৰ হঠাতে বুকুত বিষ অনুভৱ হোৱাৰ পিছত স্বাস্থ্যৰ অৱনতি ঘটে আৰু কিছু সময়ৰ ভিতৰতে তেওঁৰ জীৱন-প্ৰদীপ নুমাই যায়। এই খবৰে বলীউডৰ লগতে সমগ্ৰ দেশৰ চলচ্চিত্ৰপ্ৰেমী আৰু অনুৰাগীসকলক শোকস্তব্ধ কৰি তুলিছে। হাস্পতালখনৰ চিকিৎসকে সংবাদ মাধ্যমৰ আগত জনোৱা মতে, নানা পাটেকাৰক হাস্পতাললৈ অনাৰ সময়তে তেওঁৰ মৃত্যু হৈছিল। তেওঁক বচাবলৈ চিকিৎসকৰ দলে শেষ মুহূৰ্তলৈকে চেষ্টা চলাইছিল। প্ৰায় ৪৫ মিনিটৰ পৰা এঘণ্টা ❒ ৬ পৃষ্ঠাত

■ সপ্তম দিনত অখিল গগৈৰ সত্যাগ্ৰহ ■

## দিছপুৰত উজনি অসমৰ বানপীড়িতৰ উত্তাল প্ৰতিবাদ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৮ অক্টোবৰ ঃ** বানপীড়িত পৰিয়ালক চৰকাৰে সাহায্য আৰু ক্ষতিপূৰণ নিদিয়াৰ বিৰুদ্ধে ৰাইজৰ দলৰ আন্দোলন ক্ৰমাৎ তীব্ৰতৰ হৈ পৰিছে। ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে অসম বিধানসভা চৌহদত ২ অক্টোবৰ, গান্ধী জয়ন্তীৰ পৰা আৰম্ভ কৰা অনিৰ্দিষ্টকালীন সত্যাগ্ৰহ বৃহস্পতিবাৰে সপ্তম দিনত উপনীত হয়। সেইদিনাই দলটোৱে ৰাজ্যজুৰি ঘোষণা কৰা জনআন্দোলনৰ অংশ হিচাপে দিছপুৰত ❒ ৬ পৃষ্ঠাত




## মাজুলী বিশেষ আদালতৰ নাবালিকা ধৰ্ষণকাৰীক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ড

**অসম বাৰ্তা, উজনী মাজুলী, ৮ অক্টোবৰ ঃ** মাজুলীত নাবালিকা ধৰ্ষণৰ এক চাঞ্চল্যকৰ গোচৰত দোষীক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ড বিহি ঐতিহাসিক ৰায়দান প্ৰদান কৰিছে মাজুলী জিলাৰ বিশেষ আদালতে। এগৰাকী নাবালিকাক ধৰ্ষণ কৰি গৰ্ভৱতী কৰাৰ অপৰাধত দোষী সাব্যস্ত হোৱা কতকা ভেৰুৱাক ভাৰতীয় দণ্ডবিধি (IPC) আৰু POCSO আইনৰ বিভিন্ন ধাৰাৰ অধীনত এই শাস্তি প্ৰদান কৰে। জানিব পৰা মতে, গড়মূৰ আৰক্ষী থানাত ৫০/২০২৪ নম্বৰত পঞ্জীয়ন হোৱা গোচৰটোৰ অভিযোগ অনুসৰি, কতকা ভেৰুৱাই এগৰাকী নাবালিকা কিশোৰীক অকলে পাই ধৰ্ষণ ❒ ৬ পৃষ্ঠাত

২৫০ কোটি টকা বিনিয়োগ, ৩২৫ প্ৰত্যক্ষ আৰু সহস্ৰাধিক পৰোক্ষ কৰ্মসংস্থাপনৰ আশা

## শোণিতপুৰত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো টাইলছ নিৰ্মাণ উদ্যোগ উদ্বোধন



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৮ অক্টোবৰ ঃ** শোণিতপুৰ জিলাৰ দীঘলীচাপৰিত প্ৰতিষ্ঠা কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো টাইলছ নিৰ্মাণ উদ্যোগ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। দীঘলীচাপৰিৰ এ চি পি এল, এ আই ডি চি পাৰ্কত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই উদ্যোগটো উদ্বোধন কৰে। এই উদ্যোগ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰায় ২৫০ কোটি টকা বিনিয়োগেৰে গঢ় লৈ উঠা এই ❒ ৬ পৃষ্ঠাত

## ২০২৭ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ দিন ঘোষণা

১২ অক্টোবৰৰ পৰা প্ৰ-পত্ৰ পূৰণ কৰিব পাৰিব শিক্ষাৰ্থীয়ে



**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ অক্টোবৰ ঃ** অসম ৰাজ্যিক বিদ্যালয় শিক্ষা সংসদ (ASSEB)য়ে ২০২৭ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে প্ৰ-পত্ৰ পূৰণৰ সময়সূচী জাননীযোগে ঘোষণা কৰিছে। সংসদে জাৰি কৰা জাননী অনুসৰি, আগন্তুক ১২ অক্টোবৰৰ পৰা শিক্ষাৰ্থীসকলে প্ৰ-পত্ৰ পূৰণ কৰিব পাৰিব। সমগ্ৰ প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া অনলাইন পদ্ধতিৰে ❒ ৬ পৃষ্ঠাত

৬জি, এআই আৰু চাইবাৰ সুৰক্ষাত বিশেষ গুৰুত্ব

## প্ৰধানমন্ত্ৰী মোদীৰ দশম ইণ্ডিয়া মোবাইল কংগ্ৰেছ উদ্বোধন



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ অক্টোবৰ ঃ** বৃহস্পতিবাৰে নতুন দিল্লীৰ যশোভূমিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দশম ❒ ৬ পৃষ্ঠাত

হৰমুজ সংকটৰ পৰা ৪,২০০ নাৱিক উদ্ধাৰ ঃ সৰ্বানন্দ সোণোৱাল

## নতুন দিল্লীত 'সাগৰমন্থন; ৭০খনতকৈ অধিক দেশৰ প্ৰতিনিধিৰ অংশগ্ৰহণ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ অক্টোবৰ ঃ** কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপৰিবহণ মন্ত্ৰালয় আৰু অ'বজাৰ্ভাৰ ৰিচাৰ্ছ ফাউণ্ডেশ্যন ❒ ৬পৃষ্ঠাত

## ১০ অক্টোবৰত নতুন দিল্লী ছীল কৰাৰ সম্ভাৱনা

মেট্ৰ' ষ্টেচন আৰু বজাৰ বন্ধৰ আশংকা; BNSSৰ ধাৰা ১৬৩ বলৱৎ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ অক্টোবৰ ঃ** ৰাজধানী দিল্লীত মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে বিৰোধী পক্ষৰ লগতে চিপিজে ❒ ৬ পৃষ্ঠাত

❒ গৃহমন্ত্ৰী অমিত শ্বাহৰ বায়ুসেনাক 'আকাশৰ ৰক্ষক' অভিহিত ❒

## ৯৩ সংখ্যক ভাৰতীয় বায়ুসেনা দিৱসত জোৱানসকললৈ ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীৰ শুভেচ্ছা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ অক্টোবৰ ঃ** ৯৩ সংখ্যক ভাৰতীয় বায়ুসেনা দিৱস উপলক্ষে দেশবাসীৰ হৈ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শাহ, কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় বায়ুসেনাৰ জোৱানসকললৈ উষ্ম শুভেচ্ছা আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে কয় যে ভাৰতীয় বায়ুসেনাই প্ৰতিটো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ নিজৰ শক্তি আৰু প্ৰস্তুতিৰে দেশক গৌৰৱান্বিত কৰি আহিছে। এক্সত প্ৰকাশ কৰা শুভেচ্ছা বাৰ্তাত তেওঁ উল্লেখ কৰে যে দেশৰ বায়ুযোদ্ধাসকলে দুৰ্যোগ আৰু মানৱীয় অভিযানৰ সময়তো অক্লান্ত নিষ্ঠাৰে আমাৰ আকাশ সুৰক্ষিত ৰখাৰ লগতে দেশসেৱা কৰি আহিছে। তেওঁ ভৱিষ্যতৰ সকলো প্ৰচেষ্টাত ভাৰতীয় বায়ুসেনালৈ সফলতাৰ ❒ ৬ পৃষ্ঠাত



ৰঙাজানত বিধায়ক বিশ্বজিৎ ফুকনৰ আদৰণি; আগন্তুক অলিম্পিকত স্বৰ্ণ জয়ৰ সংকল্প

## গৃহজিলা গোলাঘাটত স্বৰ্ণকন্যা লাভলীনা; সহস্ৰাধিকৰ উষ্ম আদৰণি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৮ অক্টোবৰ ঃ** এছিয়ান গেমছৰ মহিলা বক্সিঙৰ ৭৫ কিলোগ্ৰাম শাখাৰ ফাইনেলত চীনৰ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰা অসমকন্যা লাভলীনা বৰগোহাঁয়ে ৰাজ্য তথা দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। বৃহস্পতিবাৰে গৃহভূমি সৰুপথাৰলৈ যাত্ৰা কৰি থকা সময়ত বোকাখাতত সহস্ৰাধিক ৰাইজে তেওঁক উষ্ম সম্বৰ্ধনা ❒ ৬ পৃষ্ঠাত



দিল্লী আৰক্ষী আয়ুক্তক দুসপ্তাহৰ ভিতৰত প্ৰতিবেদন দাখিলৰ নিৰ্দেশ

## মহিলা সাংবাদিকক যৌন নিৰ্যাতনৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ স্বতঃপ্ৰণোদিত গোচৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ অক্টোবৰ ঃ** নতুন দিল্লীৰ যন্তৰ মন্তৰত ৩ অক্টোবৰত অনুষ্ঠিত প্ৰতিবাদৰ সময়ত তিনিগৰাকী মহিলা সাংবাদিকক দিল্লী আৰক্ষীৰ জোৱানৰ দ্বাৰা যৌন নিৰ্যাতনৰ বলি হোৱাৰ অভিযোগ সংবাদ মাধ্যমত প্ৰকাশ পাইছিল। এই ঘটনাৰ প্ৰতি স্বতঃপ্ৰণোদিতভাৱে গোচৰ ৰুজু কৰিছে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে (NHRC)। আয়োগে এক বিবৃতিত কয় যে সংবাদ প্ৰতিবেদনৰ বিষয়বস্তু যদি সত্য হয়, তেন্তে ই মানৱ অধিকাৰ উলংঘাৰ গুৰুতৰ ঘটনা। সেয়েহে দিল্লী আৰক্ষী আয়ুক্তক জাননী জাৰি কৰি দুসপ্তাহৰ ভিতৰত বিষয়টোৰ সবিশেষ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ৫ অক্টোবৰত প্ৰকাশিত সংবাদ প্ৰতিবেদন অনুসৰি, নতুন দিল্লী জিলা আৰক্ষীয়ে এই অভিযোগ লাভ কৰিছিল। অভিযোগৰ তদন্তৰ বাবে গোচৰটো দিল্লী আৰক্ষীৰ অপৰাধ শাখালৈ হস্তান্তৰ কৰা হৈছে। জানিব পৰা মতে, ভোটাৰ তালিকাৰ বিশেষ বিস্তাৰিত পুনৰীক্ষণৰ বিৰুদ্ধে ৩ অক্টোবৰত আয়োজিত প্ৰতিবাদত দিল্লী আৰক্ষীৰ বিষয়া আৰু কৰ্মচাৰীয়ে আটক কৰাৰ সময়ত তিনিগৰাকী ❒ ৬ পৃষ্ঠাত




মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে শান্তিপূৰ্ণ ধৰ্ণাৰ ঘোষণা

## SIR বিসংগতিৰ অভিযোগত তৃতীয় দিনাও অব্যাহত ইণ্ডিয়া ব্লকৰ প্ৰতিবাদ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ অক্টোবৰ ঃ** নিৰ্বাচনী তালিকাৰ বিশেষ বিস্তাৰিত পুনৰীক্ষণ (SIR) প্ৰক্ৰিয়াত বিসংগতি সংঘটিত হোৱাৰ অভিযোগক লৈ চলি থকা বিতৰ্কৰ মাজতে ইণ্ডিয়া ব্লকৰ সাংসদসকলে তৃতীয় দিনাও প্ৰতিবাদ অব্যাহত ৰাখিছে। বৃহস্পতিবাৰে তেওঁলোকে দিল্লীৰ গান্ধী স্মাৰক তথা ৰাজঘাট অভিমুখে যাত্ৰা কৰে আৰু ❒ ৬ পৃষ্ঠাত



## GST পৰিষদৰ ঐতিহাসিক সিদ্ধান্ত; কৰ বিষয়াসকলৰ গ্ৰেপ্তাৰৰ ক্ষমতা প্ৰত্যাহাৰ

কৰ হাৰ অপৰিৱৰ্তিত ৰাখি প্ৰক্ৰিয়াগত সংস্কাৰত গুৰুত্ব বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ অক্টোবৰ ঃ** বৃহস্পতিবাৰে অনুষ্ঠিত গুত্ৰথ্ব পৰিষদৰ বৈঠকত একাধিক গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ নেতৃত্বত অনুষ্ঠিত এই বৈঠকত GST বিষয়াসকলৰ গ্ৰেপ্তাৰৰ ক্ষমতা প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্তত অনুমোদন জনোৱা হয়। ইয়াৰ উপৰি, GST আইনৰ অধীনত ফৌজদাৰী গোচৰ আৰম্ভ কৰাৰ বাবে কৰৰ ন্যুনতম সীমা ১ কোটি টকাৰ পৰা বৃদ্ধি কৰি ৫ কোটি টকা কৰাৰ ❒ ৭ পৃষ্ঠাত



প্ৰাচীন ধ্ৰুপদী পৰম্পৰা আৰু সমসাময়িক সৃষ্টিশীলতাৰ সংযোগৰ বাবে ছুইডিছ একাডেমীৰ স্বীকৃতি

## কানাডাৰ সাহিত্যিক এন কাৰ্ছনলৈ সাহিত্যৰ নোবেল বঁটা



**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ অক্টোবৰ ঃ** কানাডাৰ লেখিকা আৰু কবি এন কাৰছনে ২০২৬ বৰ্ষৰ সাহিত্যৰ ন'বেল বঁটা লাভ কৰিছে। সমসাময়িক কবিতা আৰু গদ্য সাহিত্যৰ অন্যতম স্বকীয় কণ্ঠস্বৰ হিচাপে কাৰছনলৈ ছুইডিছ একাডেমীৰ এই স্বীকৃতিক এক গুৰুত্বপূৰ্ণ সন্মান বুলি গণ্য কৰা হৈছে। ন'বেল কমিটীৰ পৰা ফোনযোগে বঁটাৰ খবৰ লাভ কৰাৰ সময়ত কাৰছন ইউৰোপৰ আইচলেণ্ডত আছিল। সেই মুহূৰ্তৰ কথা স্মৰণ কৰি তেওঁ কয় যে তেওঁ আইচলেণ্ডত বতাহৰ শব্দ শুনি আছিল। প্ৰাচীন ধ্ৰুপদী সাহিত্যৰ পৰম্পৰাৰ সৈতে সৃষ্টিশীল কথাশিল্পৰ সংযোগ ঘটি সমসাময়িক সাহিত্যৰ বাবে নতুন ৰূপ সৃষ্টি কৰা তেওঁৰ সাহসী আৰু অভিনৱ সাহিত্যিক কৰ্মৰ স্বীকৃতি হিচাপে এই বঁটা প্ৰদান কৰা হৈছে। ৭৬ বছৰীয়া এইগৰাকী লেখিকা কবিতা, গদ্য, ধ্ৰুপদী সাহিত্য আৰু অনুবাদ- এই বিভিন্ন সাহিত্যিক ধাৰাৰ মাজত প্ৰতিনিধিত্ব কৰা সৃষ্টিৰ বাবে পৰিচিত। তেওঁৰ ৰচনাত প্ৰাচীন গ্ৰীক সাহিত্যৰ প্ৰভাৱ স্পষ্ট হোৱাৰ লগতে সমসাময়িক বিষয়সমূহো গভীৰভাৱে প্ৰতিফলিত হয়। কাৰছনৰ উল্লেখযোগ্য ❒ ৬ পৃষ্ঠাত

শুকুৰবাৰে নতুন দিল্লীৰ যন্তৰ-মন্তৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিবাদ

## 'জ্ঞানু গ' বেক' শ্ল'গানেৰে মুখৰিত বাংগালুৰুৰ ফ্ৰীডম পাৰ্ক



**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ অক্টোবৰ ঃ** ভোটাৰ তালিকা সংশোধন প্ৰক্ৰিয়াত (SIR) ব্যাপক অনিয়মৰ অভিযোগ উত্থাপন কৰি বৃহস্পতিবাৰে বেংগালুৰুৰ ফ্ৰিডম পাৰ্কত ককৰোচ জনতা পাৰ্টি (CJP)-এ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে এক বৃহৎ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। "জন ন্যায়াধিকৰণ" (People's Tribunal) হিচাপে আয়োজিত এই কাৰ্যসূচীত ❒ ৬ পৃষ্ঠাত

**সম্ভাব্য উদ্যোগিক দুৰ্যোগ প্ৰতিৰোধৰ বাবে এন ডি আৰ এফ, জিলা প্ৰশাসন আৰু অইলৰ যৌথ আখৰা**

# মৰাণৰ চেণ্ট্ৰেল টেংক ফাৰ্মত অইলৰ বৃহৎ 'লেভেল-৩' মক ড্ৰিল সম্পন্ন

**অসম বাৰ্তা, দুলীয়াজান, ৮ অক্টোবৰ ঃ** যিকোনো ভয়াবহ উদ্যোগিক দুৰ্যোগ বা জৰুৰীকালীন অৱস্থাৰ সৈতে ফলপ্ৰসূভাৱে মোকাবিলা কৰাৰ প্ৰস্তুতি পৰীক্ষা কৰাৰ উদ্দেশ্যে অইল ইণ্ডিয়া লিমিটেডে চৰাইদেউ জিলাৰ অন্তৰ্গত মৰাণস্থিত চেণ্ট্ৰেল টেংক ফাৰ্মত সফলতাৰে এক সুবৃহৎ 'লেভেল-৩' মক ড্ৰিল সম্পন্ন কৰিছে। যোৱা ৬ অক্টোবৰত জিলা প্ৰশাসন আৰু বিভিন্ন নিৰাপত্তা সংস্থাসমূহৰ সহযোগত এই বিশেষ পৰীক্ষামূলক অভিযানটো চলোৱা হয়। মঙলবাৰে পুৱা প্ৰায় ১০: ৪০ বজাত আৰম্ভ হোৱা এই জৰুৰীকালীন অনুশীলনত এক কৃত্ৰিম দুৰ্যোগৰ পৰিৱেশ সৃষ্টি কৰা হৈছিল। প্ৰকল্পটোৰ এটা খাৰুৱা তেলৰ টেংকৰ পৰা তেল বাগৰি পৰা, বিপজ্জনক হাইড্ৰ'কাৰ্বন বাষ্প নিৰ্গত হোৱা আৰু বজ্ৰপাতৰ ফলত ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হৈ প্ৰকল্পৰ একাংশ কৰ্মচাৰী আহত হোৱাৰ এক কাল্পনিক দৃশ্যপটৰ ভিত্তিত এই আখৰা চলোৱা হয়। বিপদৰ সংকেত পোৱাৰ লগে লগেই পি এন জি আৰ বিৰ দুৰ্যোগ ব্যৱস্থাপনা নীতি অনুসৰণ কৰি ছাইট ইনচিডেণ্ট কণ্ট্ৰ'লাৰে সমগ্ৰ প্ৰকল্পটোত তৎকালীনভাৱে জৰুৰীকালীন শ্বাটডাউন ঘোষণা কৰে। ইয়াৰ পিছতেই অইলৰ অগ্নিনিৰ্বাপক, নিৰাপত্তা আৰু চিকিৎসা বিভাগক সৰ্বোচ্চ সতৰ্ক কৰি দিয়া হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে চৰাইদেউ জিলা প্ৰশাসন, এনডিআৰএফ আৰু চি আই এছ এফৰ লগতে অইলৰ সহযোগী প্ৰতিষ্ঠান অ'এনজিচি, বিচি পিএল তথা এজিচিএলে যুটীয়াভাৱে উদ্ধাৰ অভিযানত নামে। অগ্নিনিৰ্বাপক বাহিনীয়ে ক্ষিপ্ৰতাৰে জুই নিয়ন্ত্ৰণলৈ অনাৰ সমান্তৰাল ভাৱে এনডিআৰএফ আৰু অইলৰ চিকিৎসা দলে আহতসকলক সুৰক্ষিতভাৱে উদ্ধাৰ কৰি প্ৰাথমিক চিকিৎসা প্ৰদান কৰে। পৰৱৰ্তী সময়ত দুপৰীয়া প্ৰায় ১২: ১০ বজাত চৰাইদেউ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া স্মিতা চেতিয়াই পৰিস্থিতি সম্পূৰ্ণ নিয়ন্ত্ৰণলৈ অহা বুলি আনুষ্ঠানিকভাৱে সেউজ সংকেত প্ৰদান কৰাৰ পিছত এই জৰুৰীকালীন মক ড্ৰিলৰ সফল সামৰণি পৰে। উক্ত কাৰ্যসূচীত অইল ইণ্ডিয়া লিমিটেডৰ কাৰ্যবাহী সঞ্চালক (উৎপাদন) তথা পি এছ এছ খনিৰ এজেণ্ট দিলীপ কুমাৰ গোস্বামী বিশেষভাৱে উপস্থিত থাকে। অনুশীলনৰ অন্তত সকলো অংশীদাৰক লৈ এখন পৰ্যালোচনা সভাও অনুষ্ঠিত কৰা হয়, য'ত অভিযানৰ বিভিন্ন দিশ আৰু ভৱিষ্যতে অধিক উন্নত কৰিবলগীয়া পদক্ষেপসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। কৰ্তৃপক্ষৰ মতে, এনে ধৰণৰ যৌথ আৰু বাস্তৱসন্মত অনুশীলনে প্ৰকৃত দুৰ্যোগৰ সময়ত ক্ষিপ্ৰতাৰে পদক্ষেপ গ্ৰহণ কৰাত সকলো বিভাগৰ মাজত সমন্বয় আৰু আত্মবিশ্বাস বহু পৰিমাণে বৃদ্ধি কৰিব।

# পদ্মশ্ৰী পখিলা লেকথেপিক ছহিদ মোজাম্মিল হক মাতৃভাষা বটাঁ প্ৰদান

**মঙলদৈত দৰং গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় মাতৃভাষা দিৱস উদ্‌যাপনৰ সফল সামৰণি**

**অসম বাৰ্তা, মঙলদৈ, ৮ অক্টোবৰ ঃ** নাম প্ৰসংগ, কোৰান পাঠ, গীতা পাঠ, কীৰ্তন পাঠ, বৰগীত, জিকিৰৰ সুৰীয়া ধ্বনিৰে দৰং গৰিয়া -মৰিয়া-দেশী জাতীয় পৰিষদ আৰু মাতৃভাষা দিৱস পৰিচালনা সমিতিৰ উদ্যোগত মঙলদৈৰ ডঃ ভূপেন হাজৰিকা নগৰস্থিত ছহিদ মোজাম্মিল হক ভৱন ক্ষেত্ৰত জাতীয় ছহিদ মোজাম্মিল হকৰ ৫৫ সংখ্যক মৃত্যু তিথি ৬ অক্টোবৰৰ দিনটো ঊনবিংশ কেন্দ্ৰীয় মাতৃভাষা ভাষা দিৱস হিচাপে আধ্যাত্মিক আৰু গাম্ভীৰ্যপূৰ্ণ পৰিবেশত পালন কৰা হয় আৰু জাতীয় বীৰ ছহিদ গৰাকীৰ লগতে জনতাৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গলৈ গভীৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এইবেলি দুদিনীয়া কাৰ্যসূচী অনুসৰি ইতিমধ্যে কালি ৫ অক্টোবৰত অনুষ্ঠিত মুকলি সভা আৰু বঁটা প্ৰদান অনুষ্ঠানত ছহিদ মোজাম্মিল হক স্মাৰক মাতৃভাষা বঁটা-২০২৬ অসমৰ কোলিলকণ্ঠী গায়িকা, মেল'ডী কুইন খ্যাত, কাৰ্বি লোক- সঙ্গীত আৰু আধুনিক সংগীতৰ প্ৰখ্যাত কণ্ঠশিল্পী পদ্মশ্ৰী পখিলা লেপথেপিক এক আবেগিক পৰিৱেশৰ মাজেৰে প্ৰদান কৰা হয়। অসম চৰকাৰৰ গৰিয়া উন্নয়ন পৰিষদৰ মঞ্জৰীৰে অধ্যক্ষ হাফিজুল হক, উপাধ্যক্ষ মোস্তাক উদ্দিন আহমেদ, সদস্যদ্বয় ৰছিদ আহমেদ আৰু তবজুল হকৰ উপস্থিতিত দৰং গৰিয়া -মৰিয়া-দেশী জাতীয় পৰিষদৰ কাৰ্যলয় ছহিদ মোজাম্মিল হক ভৱন নিৰ্মাণৰ শুভাৰম্ভ কৰে কেবিনেট মন্ত্ৰী নীলিমা দেৱীয়ে। আজি দ্বিতীয় দিনৰ সৰ্বধৰ্ম প্ৰাৰ্থনা আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান উদ্বোধন কৰে কেন্দ্ৰীয় মুখ্য উপদেষ্টা তথা ছহিদ মোজাম্মিল হক স্মাৰক মাতৃভাষা দিৱস পৰিচালনা সমিতিৰ সভাপতি ড° চহিৰ ভূএগ্ৰাই। নাম প্ৰসংগ উদ্বোধন কৰে আপকুৰ দৰং জিলা সমিতিৰ সম্পাদক সাংবাদিক পঙ্কজ শৰ্মাই। সন্ধিয়া বন্তি প্ৰজ্বলন কাৰ্যসূচী মুকলি কৰে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই। উদযাপন সমিতিৰ সভাপতি তথা কেবিনেট মন্ত্ৰী নীলিমা দেৱী বিশেষ ভাৱে উপস্থিত থকা সামৰণি মাঙ্গলিক কাৰ্যসূচীত জিলাখনৰ শতাধিক গণ্য মান্য লোকে অংশগ্ৰহণ কৰে। সেই সকলৰ ভিতৰত দৰং জিলা সাহিত্য সভাৰ উপ-সভাপতি কুঞ্জ



দেৱী, সম্পাদক মৃণাল কুমাৰ ৰাজবংশী, পত্ৰিকা সম্পাদক ৰাজেন্দ্ৰ নাথ হাজৰিকা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য মুকুট চন্দ্ৰ হাজৰিকা, অখিল কলিতা, ছৈয়দ মাৰুখ হুছেইন, মঙলদৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ৰুণুমণি লহকৰ, অসম সাহিত্য সভাৰ মঙলদৈ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক বসন্ত শইকীয়া, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য মুকুট চন্দ্ৰ হাজৰিকা, অখিল কলিতা, দৰং জিলা পৰিষদৰ সদস্য অনিতা ৰাজবংশী, ব্ৰিলিয়েণ্ট একাডেমীৰ সঞ্চালক ঋত্বিক চৌধুৰী, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক বাসব চন্দ্ৰ ডেকা, মঙলদৈ নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ প্ৰতাপ বৰদলৈ অন্যতম। দৰং গৰিয়া -মৰিয়া-দেশী জাতীয় পৰিষদৰ সভাপতি বাবুল মকছেদ আহমেদ, সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদে আঁত ধৰা সৰ্বধৰ্ম প্ৰাৰ্থনাত কোৰান পাঠ কৰে মুফটি মহম্মদ তাজনুৰ আলিয়ে, গীতা পাঠ কৰে পুৰোহিত হিৰণ্য কাশ্যপে, কীৰ্তন পাঠ কৰে দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি বৰদা শইকীয়াই। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বৰগীত পৰিবেশন কৰে কবিতা কুমাৰী বৰডেকাই। তেওঁৰ নেতৃত্বত মহিলা নামতী সকলে নাম প্ৰসংগ পৰিবেশন কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা, মঙলদৈ নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ প্ৰতাপ বৰদলৈ, দৰং জিলা পৰিষদৰ সদস্য অনিতা ৰাজবংশী, সমাজকৰ্মী জিঙ্কল আলি, কলাইগাঁও পৌৰ সভাৰ পৌৰপতি কৃষ্ণ কান্ত বড়ো, প্ৰমুখ্যে বিশিষ্ট লোকসকলে ভাষণ দি ছহিদ গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে এনে গুৰুত্বপূৰ্ণ কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবে উদ্যোক্তাসকলৰ শলাগ লয়।। অনুষ্ঠানৰ দুদিনীয়া কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ বাবে সদৌটিলৈ কৃতজ্ঞতা প্ৰকাশ কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি ফজলুল হক, সাধাৰণ সম্পাদকদ্বয় বাপুকণ আটাউৰ ৰহমান আৰু ছাদ্দাম হুছেইনে।

# গুৱাহাটীৰ পাঞ্জাবাৰীত আনুষ্ঠানিক কাৰ্যসূচীৰে ৭২তম্ বন্যপ্ৰাণী সপ্তাহ উদ্‌যাপন



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৮ অক্টোবৰ ঃ** অসম চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ উদ্যোগত মঙ্গলবাৰে গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চৌহদৰ শ্ৰীশ্ৰী দামোদৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত এক আনুষ্ঠানিক কাৰ্যসূচীৰে ৭২তম্ বন্যপ্ৰাণী সপ্তাহ, ২০২৬ উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন, বিত্ত আৰু খনি তথা খনিজ সম্পদ বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা। অনুষ্ঠানত লগতে উপস্থিত থাকে অসমৰ প্ৰধান মুখ্য বন সংৰক্ষক তথা বন বাহিনীৰ মুৰব্বী (PCCF গু HoFF) সন্দীপ কুমাৰ, আই.এফ.এছ.; কেম্পাৰ (CAMPA) মুখ্য কাৰ্যবাহী বিষয়া তথা অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক (APCCF) ড° সত্যেন্দ্ৰ সিং, আই.এফ.এছ.; অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক (সামাজিক বনানীকৰণ) হিৰ্দেশ মিশ্ৰ, আই.এফ.এছ.; বিভাগৰ জ্যেষ্ঠ বিষয়াসকল; অৱসৰপ্ৰাপ্ত বন বিষয়াসকল; আগশাৰীৰ বন্যপ্ৰাণী সংৰক্ষণমূলক বেচৰকাৰী সংস্থাসমূহ; ওচৰ-পাজৰৰ জিলাসমূহৰ জে.এফ.এম.চি. (JFMC) আৰু ই.ডি.চি. (EDC)ৰ সদস্যসকল; বিভাগটোৰ ফ্ৰণ্টলাইন কৰ্মীসকল আৰু বিদ্যালয়ৰ শিক্ষাৰ্থীসকল। মঞ্চত উপস্থিত বিশিষ্ট ব্যক্তিসকলক আনুষ্ঠানিক সম্বৰ্ধনা জনোৱাৰ পিছত, অসমৰ বন্যপ্ৰাণী শাখাৰ প্ৰধান মুখ্য বন সংৰক্ষক তথা মুখ্য বন্যপ্ৰাণী প্ৰতিপালক ডৰ্ণবিনয় গুপ্তা, আই.এফ.এছ.-এ আদৰণি ভাষণ প্ৰদান কৰে। তেওঁ বন্যপ্ৰাণী সপ্তাহৰ তাৎপৰ্য আৰু সৰ্বাংগীণ সংৰক্ষণৰ দিশত বিভাগটোৰ সামূহিক দায়িত্বৰ বিষয়ে আলোকপাত কৰে। এই উপলক্ষে বিশিষ্ট অতিথিসকলে 'ট্ৰেকিং দ্য জায়েণ্টছ: মুভমেণ্ট এণ্ড হেবিটেট-ইউজ পেটাৰ্নছ অৱ জিপিএছ-কলাৰ্ড এলিফেণ্টছ ইন আছাম' শীৰ্ষক এক কাৰিকৰী প্ৰতিবেদন উন্মোচন কৰে। হাতীৰ গতিবিধি সম্পৰ্কীয় এয়া অসমৰ প্ৰথমটো জিপিএছ-ভিত্তিক অধ্যয়ন, যিটো অসম বন বিভাগে ডব্লিউ.ডব্লিউ.এফ.-ইণ্ডিয়াৰ (WWF-India) কাৰিকৰী সহযোগিতাত ২০২১-২০২৬ সময়ছোৱাত সম্পন্ন কৰিছিল। এই অধ্যয়নে সংৰক্ষণ কৌশল শক্তিশালী কৰিবলৈ আৰু মানুহ-হাতীৰ সংঘাত হ্ৰাস কৰিবলৈ গুৰুত্বপূৰ্ণ তথ্য প্ৰদান কৰে। ইয়াৰ উপৰিও আন এক কাৰিকৰী প্ৰতিবেদন, 'ছেফগাৰ্ডিং ৱাইল্ডলাইফ মুভমেণ্ট: মিটিগেচন মেজাৰ্ছ অন নেচনেল হাইৱে ২৭ ট্ৰেভাৰ্ছিং থ্ৰু দ্য ধনশিৰি-লুমডিং এলিফেণ্ট ৰিজাৰ্ভ, আছাম' উন্মোচন কৰা হয়। এই প্ৰতিবেদনখন অসম বন বিভাগ, ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ (NHAI) আৰু ডব্লিউ.ডব্লিউ.এফ.-ইণ্ডিয়াৰ এক যৌথ প্ৰচেষ্টা, যাৰ লক্ষ্য হৈছে ধনশিৰি-লুমডিং হস্তী সংৰক্ষিত বনাঞ্চলৰ মাজেৰে যোৱা উন্নীত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত বন্যপ্ৰাণীৰ নিৰাপদ চলাচল সুনিশ্চিত কৰিবলৈ প্ৰশমনমূলক ব্যৱস্থা গ্ৰহণ কৰা। কাৰ্যসূচীত 'হোলী টাৰ্টলছ: এ ষ্টৰী অৱ টাৰ্টলছ ইন দ্য টেম্পল পণ্ডছ অৱ আছাম' শীৰ্ষক এটি সজাগতামূলক ভিডিঅ'ও মুকলি কৰা হয়। এই তথ্যচিত্ৰখন অসম চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগ, অসম ৰাজ্যিক চিৰিয়াখানা তথা উদ্ভিদ উদ্যান আৰু 'হেল্প আৰ্থ'ৰ (Help Earth) সহযোগত ক্ষতিপূৰক বনানীকৰণ পুঁজি ব্যৱস্থাপনা আৰু পৰিকল্পনা প্ৰাধিকৰণ (CAMPA), অসমে প্ৰস্তুত কৰি উলিয়াইছে। এই অনুষ্ঠানৰ মূল আকৰ্ষণ আছিল বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখনীয় সেৱাৰ বাবে বন বিভাগৰ ফ্ৰণ্টলাইন কৰ্মী আৰু স্থানীয় সমাজকৰ্মীসকলক পাঁচটা প্ৰধান শ্ৰেণী— সুৰক্ষা, আৱাসস্থলী ব্যৱস্থাপনা, সম্প্ৰদায়ৰ অংশগ্ৰহণ, বন্যপ্ৰাণী নিৰীক্ষণ আৰু মানুহ-বন্যপ্ৰাণী সংঘাত ব্যৱস্থাপনাত বঁটা আৰু স্বীকৃতি প্ৰদান। আৰক্ষী বাহিনী আৰু এ.এফ.পি.এফ. (AFPF) কৰ্মীসকলৰ উপৰিও বিভিন্ন বন্যপ্ৰাণী, আঞ্চলিক (Territorial) আৰু গৱেষণা তথা শিক্ষা বন সংমণ্ডল সামৰি সৰ্বমুঠ ২৮৭টা বঁটা প্ৰদান কৰা হয়। প্ৰশস্তিপত্ৰ পাঠ কৰাৰ সময়ত বঁটাপ্ৰাপকসকলে মঞ্চত উপস্থিত হৈ বিভাগটোক গৌৰৱান্বিত কৰে। তদুপৰি, ৭২তম বন্যপ্ৰাণী সপ্তাহ, ২০২৬ আৰম্ভণি উপলক্ষে গুৱাহাটীৰ অসম ৰাজ্যিক চিৰিয়াখানাত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ীসকলকো এই অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়। বিজয়ীসকলক বঁটা, পদক আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। অসম চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই উপস্থিত ৰাইজক উদ্দেশ্যি এক সাৰুৱা আৰু আকৰ্ষণীয় ভাষণ প্ৰদান কৰে। তেওঁ সমগ্ৰ অসমৰ বন বিভাগৰ প্ৰেক্ষাপটত বন্যপ্ৰাণী সেৱাৰ প্ৰয়োজনীয়তা আৰু উল্লেখনীয় কাম-কাজৰ স্বীকৃতিৰ ওপৰত আলোকপাত কৰে। তেওঁ উল্লেখ কৰে যে বিভাগটো যথেষ্ট নিষ্ঠাবান আৰু এটা সুশৃংখল তথা ইতিবাচক দৃষ্টিভংগীয়ে বিভাগৰ ভাল কামবোৰ পোহৰলৈ আনিব পাৰে, কাৰণ ফ্ৰণ্টলাইন বিষয়া আৰু কৰ্মচাৰীসকলে বন্যপ্ৰাণী সুৰক্ষা আৰু সংৰক্ষণৰ বাবে অবিৰতভাৱে কাম কৰি আহিছে। বিভাগৰ জ্যেষ্ঠ বন্যপ্ৰাণী তত্ত্বাৱধায়কৰ শলাগৰ শৰাইৰে অনুষ্ঠানৰ সামৰণি পৰে। বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰতি সজাগতা বৃদ্ধি আৰু ভাৰতৰ প্ৰাকৃতিক ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত জনসাধাৰণৰ অংশগ্ৰহণক উৎসাহিত কৰিবলৈ প্ৰতি বছৰে অক্টোবৰ মাহৰ প্ৰথম সপ্তাহটো সমগ্ৰ দেশতে বন্যপ্ৰাণী সপ্তাহ হিচাপে পালন কৰা হয়।

**গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত অন্তোষ্টিক্ৰিয়া সম্পন্ন**

# বিশিষ্ট স্ত্ৰী ৰোগ বিশেষজ্ঞ ডাঃ শান্তি মেধীৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, দৌলাশাল, ৮ অক্টোবৰ ঃ** অসমৰ চিকিৎসা ক্ষেত্ৰৰ এগৰাকী বিশিষ্ট স্ত্ৰীৰোগ বিশেষজ্ঞ ডাঃ শান্তি মেধীৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোকৰ ছাঁ পৰিছে। দীৰ্ঘদিন ধৰি বাৰ্ধক্যজনিত ৰোগত ভুগি থকা বিশিষ্ট চিকিৎসকগৰাকীয়ে ৫ অক্টোবৰৰ নিশা গুৱাহাটীৰ হেঙেৰাবাৰীৰ নিজা বাসভৱনত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮০ বছৰ। গুৱাহাটীৰ হেঙেৰাবাৰীৰ নিবাসী তথা প্ৰয়াত কৰ্ণেল ডাক্তৰ মহানন্দ মেধীৰ পত্নী ডাঃ শান্তি মেধীয়ে চিকিৎসা সেৱাৰ জৰিয়তে সমাজলৈ আগবঢ়োৱা অৱদানৰ বাবে বিশেষভাৱে পৰিচিত আছিল। এগৰাকী সুচিকিৎসক হিচাপে দীৰ্ঘদিন ধৰি স্ত্ৰীৰোগ চিকিৎসা ক্ষেত্ৰত সেৱা আগবঢ়াই বহু ৰোগীক চিকিৎসা প্ৰদান কৰাৰ লগতে চিকিৎসা জগতত নিজৰ এক সুকীয়া পৰিচয় গঢ়ি তুলিছিল। ডাঃ শান্তি মেধীয়ে গুৱাহাটী মেডিকেল কলেজৰ পৰা এম.বি.বি.এছ ডিগ্ৰী লাভ কৰি উচ্চ শিক্ষা গ্ৰহণৰ বাবে দিল্লীৰ অল ইণ্ডিয়া ইনষ্টিটিউট অৱ মেডিকেল ছায়েন্সেছ (AIIMS)ত অধ্যয়ন কৰে আৰু তাত এম.ডি ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছত লণ্ডনৰ পৰা MRCOG ডিগ্ৰী অৰ্জন কৰি স্ত্ৰীৰোগ চিকিৎসাৰ ক্ষেত্ৰত নিজৰ পেছাগত দক্ষতা অধিক সুদৃঢ় কৰে। চিকিৎসা জীৱনৰ আৰম্ভণিতে ডাঃ শান্তি মেধীয়ে অসম মেডিকেল কলেজত চিকিৎসক হিচাপে কৰ্মজীৱন আৰম্ভ কৰে। পৰৱৰ্তী সময়ত শিলচৰ মেডিকেল কলেজতো চিকিৎসা সেৱা আগবঢ়ায়। পিছলৈ তেখেতে অসমৰ চিকিৎসা ক্ষেত্ৰৰ পৰা স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰি বিদেশত চিকিৎসা সেৱাৰ সৈতে জড়িত হৈ পৰে। ডুবাই, মাছকাট আৰু বাহৰেইনত চিকিৎসক হিচাপে সেৱা আগবঢ়োৱাৰ পিছত অৱসৰ গ্ৰহণ কৰে ডাঃ শান্তি মেধীয়ে। চিকিৎসা সেৱাৰ লগতে মানৱীয় মূল্যবোধ আৰু ৰোগীৰ প্ৰতি থকা আন্তৰিকতাই ডাঃ শান্তি মেধীক এক সুকীয়া স্থান প্ৰদান কৰিছিল। তেখেতৰ বিয়োগে চিকিৎসা ক্ষেত্ৰৰ লগতে পৰিয়াল, আত্মীয়-স্বজন, শুভাকাংক্ষী আৰু গুণমুগ্ধসকলৰ মাজত গভীৰ শোকৰ ছাঁ পেলাইছে। ডাঃ শান্তি মেধীৰ পুত্ৰ গুণজিৎ মেধী বৰ্তমান আমেৰিকাৰ বষ্টন চহৰৰ বাসিন্দা। মাতৃৰ পৰলোকপ্ৰাপ্তিৰ খবৰ লাভ কৰাৰ পিছত তেওঁ কালি সন্ধিয়াৰ ভাগত গুৱাহাটীৰ হেঙেৰাবাৰীৰ বাসগৃহত উপস্থিত হয়। আজি পুৱাৰ ভাগত গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত আত্মীয়-স্বজন, বন্ধু-বান্ধৱ আৰু গুণমুগ্ধৰ উপস্থিতিত বিশিষ্ট চিকিৎসক গৰাকীৰ অন্তেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। ডাঃ শান্তি মেধীৰ বিয়োগ অসমৰ চিকিৎসা ক্ষেত্ৰৰ বাবে এক অপূৰণীয় ক্ষতি হিচাপে বিবেচিত হৈছে। বিশিষ্ট স্ত্ৰীৰোগ বিশেষজ্ঞ গৰাকীৰ মৃত্যুত ভাৰত চৰকাৰৰ যুটীয়া সচিব আই এ এছ বিষয়া বৰ্ণালী ডেকাকে প্ৰমুখ্য কৰি বিভিন্নজন ব্যক্তি, চিকিৎসক সমাজ আৰু শুভাকাংক্ষীয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। ডাঃ শান্তি মেধীয়ে মৃত্যুৰ সময়ত পুত্ৰ, বোৱাৰীসহ আত্মীয় স্বজনক ইহসংসাৰত এৰি থৈ যায়।

# চিনেমাৰ কায়দাৰে পথালিপাহাৰত দিন দুপৰতে চোৰৰ চাফাই অভিযান

**অসম বাৰ্তা, বান্দৰদেৱা, ৮ অক্টোবৰ ঃ** চোৰে চুৰ কৰা এতিয়া ন ন কৌশল দেখিবলৈ পোৱা গৈছে। এইবাৰ চিনেমাৰ কায়দাৰে দিনৰ পোহৰতে এখন লোহাৰ গ্ৰীলৰ দোকানৰ পৰা এটা চোৰে ১৫ খনকৈ গ্ৰীল টেম্পোত উঠাই লৈ উধাও হয়। লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী পথালিপাহাৰ তিনিআলিৰ ব্যৱসায়স্থলীত থকা এখন গ্ৰীল বনোৱা দোকান আজি পুৱাতে খুলি ৰখাত দোকানত কোনো নথকাৰ সুযোগ বুজি পুৱা প্ৰায় ৮ মান বজাত বিহপুৰীয়া পকাদ'লৰ ধ্ৰুৱজ্যোতি শইকীয়া নামৰ এটা চোৰে এখন টেম্পো ভাড়ালৈ মাতি আনি গ্ৰীল বনাবলৈ দিয়া হৈছিল, ঘৰলৈ লৈ যাম বুলি কৈ ১৫খন খিৰিকীৰ গ্ৰীল আৰু এটা লোহাৰ হ' উঠাই লৈ যায়। পৰৱৰ্তী সময়ত চোৰটোৱে বিহপুৰীয়া সমীপৰ দণ্ডীবিলৰ এটা কাবাৰীত উক্ত সামগ্ৰীখিনি বিক্ৰী কৰিব চেষ্টা কৰে। টেম্পো চালক জনৰ তেতিয়া সন্দেহ হোৱাত তাতে চোৰটোক এৰি ঘূৰি আহি দোকান খনৰ কৰ্মচাৰীক আহি বিষয়টো অৱগত কৰে। লগে লগে দোকানৰ মালিকে চোৰটোৰ অনুসন্ধান কৰি বিয়লি ভাগত হাতে-লোতে ধৰিবলৈ সক্ষম হয়। উল্লেখ্য যে কেইদিনমান পূৰ্বে একেই কায়দাৰে দিনৰ ভাগতে মটিয়া চমুৱা গাঁৱত থকা বিদ্যালয় খনৰ লোহাৰ গেটখন মেৰামতি কৰিবলৈ লৈ যোৱা হ'ব বুলি ওচৰৰ মানুহক কৈ চোৰটোৱে টেম্পোত উঠাই লৈ উধাও হৈছিল। আজি ৰাইজে চোৰটোক ধৰি আনি বান্ধি কিছু উত্তম মাধ্যম সোধাই বান্দৰদেৱা আৰক্ষীক মাতি চমজাই দিয়ে।

# ডবকাৰ চিতলমাৰীত বন বিভাগৰ বৃহৎ অভিযান

**১০ বাহন ভৰ্তি চোৰাং মূল্যবান কাঠৰ কুণ্ডা জব্দ**

**অসম বাৰ্তা, ডবকা, ৮ অক্টোবৰ ঃ** হোজাই জিলাৰ বিভিন্ন প্ৰান্তত বনদস্যু সকলৰ বিৰুদ্ধে বন বিভাগে এক বৃহৎ সফলতা লাভ কৰিছে। যোৱা নিশা হোজাই দক্ষিণ নগাওঁ বন সংমণ্ডল প্ৰাধিকাৰি বিষয়া নয়নজ্যোতি ৰাজবংশীৰ নেতৃত্বত এক গোপন খবৰৰ ভিত্তিত চিতলমাৰী অঞ্চলত বন বিভাগৰ অভিযানত বৃহৎ পৰিমাণৰ চোৰাং মূল্যবান কাঠৰ কুণ্ডা জব্দ কৰা হয়। জব্দ কৰা কাঠখিনিৰ পৰিমাণ ইমানেই বৃহৎ আছিল যে তাক কঢ়িয়াই আনিবলৈ বন বিভাগে দহখনকৈ টাটা ম'বাইল বাহন ব্যৱহাৰ কৰিব লগা হৈছে। বন বিভাগৰ সূত্ৰে জানিব পৰা মতে, যোৱা কিছুদিন ধৰি চিতলমাৰী আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলত এটা সংঘবদ্ধ চোৰাং কাঠৰ চক্ৰই ৰাতিৰ আন্ধাৰত মূল্যবান গছ কাটি সৰবৰাহ কৰি থকাৰ খবৰ লাভ কৰিছিল হোজাই বন সংমণ্ডলে। এই গোপন তথ্যৰ ভিত্তিত জিলা বন বিষয়া নয়নজ্যোতি ৰাজবংশীয়ে নিজে এটা বিশেষ দল গঠন কৰে। পৰিকল্পনা অনুসৰি যোৱা নিশা আৰম্ভ কৰা অভিযানত চিতলমাৰীৰ আব্দুল জলিল নামৰ এজন লোকৰ বাসগৃহ ঘেৰাও কৰা হয়। ঘৰটোৰ ভিতৰত আৰু চৌহদত তালাচী চলাওঁতে বনকৰ্মীৰ চকু কপালত উঠে। ঘৰটোৰ ভিতৰত ডাঙৰ ডাঙৰ শাল, চেগুনকে ধৰি বিভিন্ন মূল্যবান প্ৰজাতিৰ গছৰ কুণ্ডা স্তূপীকৃত কৰি ৰখা অৱস্থাত উদ্ধাৰ কৰা হয়। প্ৰাথমিক অনুমান অনুসৰি জব্দ কৰা কাঠখিনিৰ বজাৰ মূল্য ২০ লাখ টকাৰো অধিক হ'ব। জব্দ কৰা কাঠখিনিৰ পৰিমাণ ইমান বেছি আছিল যে এখন-দুখন বাহনেৰে কঢ়িয়াই অনা সম্ভৱ নাছিল। অৱশেষত বন বিভাগে দহখনকৈ টাটা ম'বাইল ভাড়া কৰি নিশাৰ ভিতৰতে কুণ্ডাখিনি হোজাইৰ বন বিভাগৰ কাৰ্যালয় চৌহদলৈ লৈ আনে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি এই চক্ৰটোৰ ওপৰত নজৰ ৰাখিছিল হোজাই বন বিভাগে। অভিযুক্ত আব্দুল জলিলৰ লগতে ইয়াৰ লগত জড়িত আন কোন আছে নে নাই তাৰো তদন্ত আৰম্ভ কৰা হৈছে। বন ধ্বংস কৰা কোনো লোককে ৰেহাই দিয়া নহ'ব বুলি হুংকাৰ হোজাই বন বিভাগৰ। অসমৰ সেউজীয়া জব্দকৃত কাঠখিনি বন আইন অনুসৰি জব্দ কৰা হৈছে আৰু অভিযুক্তৰ বিৰুদ্ধে বন আইনৰ অধীনত গোচৰ ৰুজু কৰা হ'ব বুলি বন বিভাগৰ পৰা জানিব পৰা গৈছে। বন বিভাগৰ এই সাহসী পদক্ষেপক স্থানীয় ৰাইজ আৰু দল-সংগঠনে আদৰণি জনাইছে। উল্লেখযোগ্য যে হোজাই জিলাৰ বিভিন্ন সংৰক্ষিত বনাঞ্চলত অবৈধভাৱে গছ কটাৰ ফলত বনাঞ্চল দ্ৰুতগতিত ধ্বংস হৈছে। যাৰ ফলত বন্যপ্ৰাণীৰ লগতে পৰিৱেশৰো ভাবুকি আহি পৰিছে। বন বিভাগৰ এনে ধাৰাবাহিক অভিযানে চোৰাং চক্ৰৰ মাজত আতংকৰ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে।

# অনুমতি অবিহনে বিজয় শোভাযাত্ৰাত নিষেধাজ্ঞা; নগাঁৱত ১৬৩ ধাৰা জাৰি

**অসম বাৰ্তা, নগাঁও, ৮ অক্টোবৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ উপনিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগণনাক কেন্দ্ৰ কৰি নগাঁও জিলা প্ৰশাসনে জাৰি কৰিছে কেতবোৰ নিষেধাজ্ঞা। জিলা আয়ুক্ত তথা জিলা দণ্ডাধীশ আৰণ্যক শইকীয়াই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত এই নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনা অনুসৰি নগাঁও চহৰৰ চৰকাৰী ল'ৰাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ডচন উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ ১০০ মিটাৰ ব্যাসাৰ্ধত পাঁচজন বা তাতোধিক লোকৰ সমাগম নিষিদ্ধ কৰা হৈছে। উক্ত এলেকাত যান-বাহনৰ চলাচলতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ইয়াৰ উপৰি উচ্চ প্ৰাবল্যৰ ফটকা বিক্ৰী, ব্যৱহাৰ আৰু কঢ়িওৱা নিষিদ্ধ কৰাৰ লগতে শিক্ষানুষ্ঠান আৰু চিকিৎসালয়ৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত আতচবাজী ব্যৱহাৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। উপযুক্ত কৰ্তৃপক্ষৰ আগতীয়া অনুমতি অবিহনে সমদল, বিজয় শোভাযাত্ৰা আৰু মাইক ব্যৱহাৰ কৰিব নোৱাৰিব। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই এই কথা জানিবলৈ দিয়ে। অৱশ্যে ভোটগণনাৰ সৈতে জড়িত বিষয়া-কৰ্মচাৰী আৰু নিৰাপত্তাৰক্ষীৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব।

# গোসাঁইগাঁৱত PHEDৰ নৱনিৰ্মিত কাৰ্যালয় উদ্বোধন

**অসম বাৰ্তা, গোসাঁইগাঁও, ৮ অক্টোবৰ ঃ** গোসাঁই গাঁও জনস্বাস্থ্য কাৰিকৰী বিভাগ সংমণ্ডলৰ নৱনিৰ্মিত কাৰ্যালয়টো আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। বিটিচিৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আহমেদে ফিতা কাটি কাৰ্যালয়টোৰ শুভ উদ্বোধন কৰে। নৱনিৰ্মিত কাৰ্যালয়টোৱে গোসাঁইগাঁও PHED সংমণ্ডলৰ প্ৰশাসনিক কাম-কাজ অধিক সুচাৰুৰূপে পৰিচালনা কৰাৰ লগতে অঞ্চলটোৰ জনসাধাৰণক বিশুদ্ধ খোৱাপানী যোগান আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিভিন্ন সেৱা অধিক ফলপ্ৰসূভাৱে প্ৰদান কৰাত সহায় কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি EM বেগম আখতাৰা আহমেদে পূৰ্বৰ চৰকাৰৰ কাৰ্যকালত আৰম্ভ হোৱা কেইবাটাও আঁচনি পৰৱৰ্তী সময়ত অকাৰ্যকৰী হৈ পৰা বুলি উল্লেখ কৰে। তেওঁ কয় যে বৰ্তমান চৰকাৰৰ উদ্যোগত প্ৰায় তিনি হাজাৰ আঁচনি পুনৰ কাৰ্যক্ষম কৰা হ'ব। তেওঁ লগতে কয় যে পূৰ্বৰ চৰকাৰৰ সময়ত জলমিত্ৰসকলৰ দৰমহা প্ৰদানত সমস্যাৰ সৃষ্টি হৈছিল আৰু APDCLৰ বিদ্যুৎ বিলো বৃহৎ পৰিমাণে বাকী আছিল। তেওঁ দায়িত্ব গ্ৰহণ কৰাৰ সময়ত প্ৰায় ২৩ কোটি টকাৰ বিদ্যুৎ বিল বাকী থকা বুলি দাবী কৰে। আখতাৰা আহমেদে লগতে অভিযোগ কৰে যে পূৰ্বৰ চৰকাৰৰ সময়ত PHEDক মাত্ৰ ১০ শতাংশ ধন আবণ্টন দিয়া হৈছিল। তেওঁৰ মতে হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত চৰকাৰ গঠনৰ পিছত এই আবণ্টনৰ পৰিমাণ ৫০ শতাংশলৈ বৃদ্ধি কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত PHEDৰ বিভাগীয় বিষয়া-কৰ্মচাৰী, স্থানীয় জনপ্ৰতিনিধি, গণ্যমান্য ব্যক্তি আৰু অন্যান্য বিশিষ্ট লোকসকল উপস্থিত থাকে।

# বৰপেটা-হাউলী পথত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, কুমুল্লী পাৰা, ৮ অক্টোবৰ ঃ** বৰপেটা-হাউলী পথত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত কমেও সাতজন লোক গুৰুতৰভাৱে আহত হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বৰপেটা-হাউলী পথত এখন ই-ৰিস্কা, এখন টেম্প' আৰু এখন ব'লেৰো বাহনৰ মাজত সংঘৰ্ষ হোৱাৰ ফলতে এই দুৰ্ঘটনা সংঘটিত হয়। সংঘৰ্ষৰ ফলত টেম্প'খনত থকা সাতজন যাত্ৰী গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাৰ পিছতে ঘটনাস্থলীত এক আতংকময় পৰিৱেশৰ সৃষ্টি হয়। স্থানীয় ৰাইজে তৎপৰতাৰে আহতসকলক উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰে। দুৰ্ঘটনাটোৰ সঠিক কাৰণ এই পৰ্যন্ত জানিব পৰা হোৱা নাই। অতিমাত্ৰা গতি, অসাৱধানতাৰে গাড়ী চলোৱা অথবা পথৰ পৰিস্থিতিৰ বাবে সংঘৰ্ষটো সংঘটিত হ'ল নেকি, সেই বিষয়ে তদন্তৰ পাছতহে প্ৰকৃত কাৰণ স্পষ্ট হ'ব।

# গৌৰীপুৰত বিকশিত ভাৰত সংকল্প সভা অনুষ্ঠান পালন

## উপস্থিত কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ



**অসম বাৰ্তা, গৌৰীপুৰ, ৮ অক্টোবৰ ঃ** ধুবুৰী জিলাৰ গৌৰীপুৰত আজি উলহ-মালহেৰে অনুষ্ঠিত হয় 'বিকশিত ভাৰত সংকল্প সভা' গৌৰীপুৰৰ প্ৰতাপ চন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত এই বিশাল সভা। ধুবুৰী জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ৰাইজ, বিজেপিৰ নেতা-কৰ্মী আৰু সমৰ্থকৰ ব্যাপক সমাগম ঘটে। পুৱাৰে পৰা জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লোকসকলে মাটিৰ কলহ লৈ 'কলহ যাত্ৰা'ৰ জৰিয়তে সভাস্থলীত উপস্থিত হয়। সভাৰ আৰম্ভণিতে কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত ভাৰ্চুৱেলী ভাষণ প্ৰদান কৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আৰু দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ভাষণত নেতৃবৃন্দই 'বিকশিত ভাৰত' গঢ়াৰ লক্ষ্য, দেশৰ সামগ্ৰিক উন্নয়ন আৰু বিভিন্ন জনকল্যাণমূলক আঁচনিৰ বিষয়ে বক্তব্য আগবঢ়ায়। সভাত বিলাসীপাৰাৰ বিধায়ক তথা কামতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱেশ ৰায় আৰু ধুবুৰী জিলা বিজেপিৰ সভাপতি ৰঞ্জিত ৰায়েও বক্তব্য প্ৰদান কৰে। সভাত উপস্থিত ৰাইজক সম্বোধন কৰি কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২৫ বছৰীয়া ৰাজনৈতিক জীৱন তথা দেশ সেৱাৰ কথা উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে ২০০১ চনৰ ৭ অক্টোবৰত গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছৰে পৰা দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একেৰাহে ২৫ বছৰ দেশ সেৱাত নিয়োজিত হৈ আহিছে। আৰু সাংবাদিকৰ মত প্ৰকাশ কৰি মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দীৰ্ঘদিনীয়া দেশ সেৱাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপনৰ উদ্দেশ্যেই দেশৰ বিভিন্ন জিলাত 'কলহ যাত্ৰা'ৰ অনুষ্ঠান আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতবৰ্ষই বিশ্বৰ দৰবাৰত এক সন্মানজনক স্থান লাভ কৰিবলৈ সক্ষম হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে এসময়ত ভাৰতৰ প্ৰধানমন্ত্ৰী বিদেশ ভ্ৰমণলৈ গ'লে সংশ্লিষ্ট দেশৰ যিকোনো মন্ত্ৰীয়ে আদৰণি জনাইছিল। কিন্তু বৰ্তমান সময়ত ভাৰতৰ প্ৰধানমন্ত্ৰী বিদেশলৈ গ'লে সংশ্লিষ্ট দেশৰ ৰাষ্ট্ৰপ্ৰধানসকলেই তেওঁক আদৰণি জনোৱা দেখা যায়। এয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিশ্বমঞ্চত ভাৰতৰ বৃদ্ধি পোৱা মৰ্যাদাৰ অন্যতম উদাহৰণ বুলিও তেওঁ উল্লেখ কৰে। ইফালে গৌৰীপুৰৰ সভাত প্ৰায় ৫-৬ হাজাৰ লোকৰ উপস্থিতিত উৎসাহ প্ৰকাশ কৰি মন্ত্ৰী সৰকাৰে ধুবুৰী জিলাৰ হৈ প্ৰধানমন্ত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ধুবুৰী জিলাৰ উন্নয়নৰ বাবেও বিশেষ গুৰুত্ব প্ৰদান কৰিছে। আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আশীৰ্বাদত ধুবুৰী-ফুলবাৰী সংযোগী দলং, অৰ্থাৎ দেশৰ অন্যতম দীঘল দলংখনৰ নিৰ্মাণকাৰ্য আৰম্ভ হৈছে, এয়া উন্নয়নৰ এক জ্বলন্ত উদাহৰণ বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ইফালে সভাৰ সামৰণিত জাতীয় সংগীত পৰিৱেশন কৰে উপস্থিত সকলো সদস্যই, ইয়াৰ পাছতে 'সেৱা জ্যোতি কলহ যাত্ৰা'ৰ শুভাৰম্ভ কৰা হয়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অংশগ্ৰহণকাৰীসকলে কলহ লৈ নিজ নিজ গন্তব্যস্থানলৈ যাত্ৰা কৰে। আৰু এই অনুষ্ঠানটোক কেন্দ্ৰ কৰি সমগ্ৰ গৌৰীপুৰত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়।

স্বাস্থ্য শিবিৰৰ শুভ উদ্বোধন ১৭ নং সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ বিধায়ক নুৰুল ইছলামে

# টাপাট্টাৰী উন্নয়ন খণ্ডত 'সেৱা সংকল্প অভিযান' উপলক্ষে সেৱা সেতু অভিযান আৰু স্বাস্থ্য শিবিৰ

**অসম বাৰ্তা, লেংটিছিঙা, ৮ অক্টোবৰ ঃ** অভয়াপুৰীৰ টাপাট্টাৰী উন্নয়ন খণ্ডৰ চৌহদত 'সেৱা সংকল্প অভিযান' উপলক্ষে বৃহৎ পৰিসৰত 'সেৱা সেতু অভিযান' আৰু এক বিনামূলীয়া স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনিৰ সুবিধা সমাজৰ সকলো শ্ৰেণীৰ যোগ্য হিতাধিকাৰীৰ ওচৰলৈ লৈ যোৱাৰ উদ্দেশ্যে আয়োজিত এই বিশেষ কাৰ্যসূচীত স্থানীয় ৰাইজে উৎসাহেৰে অংশগ্ৰহণ কৰে। ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ মুঠ ১০খন জনকল্যাণমূলক আঁচনিৰ সুবিধা যাতে যোগ্য হিতাধিকাৰীসকলে সহজে লাভ কৰিব পাৰে, সেই লক্ষ্যৰে টাপাট্টাৰী উন্নয়ন খণ্ডৰ চৌহদত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হয়। আঁচনিসমূহৰ বিষয়ে ৰাইজক সজাগ কৰাৰ লগতে যোগ্য হিতাধিকাৰীসকলক আঁচনিৰ সুবিধা লাভৰ বাবে প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়োৱা হয়। এই উপলক্ষে উন্নয়ন খণ্ডৰ চৌহদত প্ৰতিখন আঁচনিৰ বাবে পৃথক পৃথক কাউণ্টাৰ স্থাপন কৰা হয়। উক্ত কাউণ্টাৰসমূহত ৰাইজে নিজৰ প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰাৰ লগতে আঁচনিসমূহৰ বাবে আবেদন, নথি-পত্ৰ পৰীক্ষা আৰু অন্যান্য প্ৰক্ৰিয়াৰ বিষয়ে জানিব পাৰে। চৰকাৰী আঁচনিৰ সুবিধা লাভৰ ক্ষেত্ৰত কোনো যোগ্য ব্যক্তি যাতে বাদ নপৰে, তাৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰা হয়। বিশেষকৈ দিব্যাংগ লোকসকলক চৰকাৰৰ বিভিন্ন কল্যাণমূলক আঁচনিৰ সৈতে সংযোগ কৰাৰ ক্ষেত্ৰত এই কাৰ্যসূচীত অধিক গুৰুত্ব প্ৰদান কৰা হয়। দিব্যাংগ হিতাধিকাৰীসকলে যাতে অৰুণোদয়কে ধৰি তেওঁলোকৰ প্ৰাপ্য বিভিন্ন চৰকাৰী সুবিধা লাভ কৰিব পাৰে, সেই বিষয়ে সংশি-ষ্ট বিভাগসমূহে প্ৰয়োজনীয় তথ্য আৰু সহায় আগবঢ়ায়। ইফালে 'সেৱা সংকল্প অভিযান'ৰ অংশ হিচাপে ৰাইজৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি এক বিনামূলীয়া স্বাস্থ্য শিবিৰো আয়োজন কৰা হয়। বিভিন্ন ৰোগত আক্ৰান্ত লোকসকলৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে চিকিৎসকৰ দ্বাৰা ৰোগীসকলক বিনামূলীয়াকৈ চিকিৎসা পৰামৰ্শ প্ৰদান কৰা হয়। শিবিৰত বিভিন্ন স্বাস্থ্যজনিত সমস্যাৰ বিষয়ে ৰাইজক সজাগ কৰাৰ লগতে সময়মতে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰাৰ বাবেও আহ্বান জনোৱা হয়। সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ বিধায়ক নুৰুল ইছলামে উক্ত স্বাস্থ্য শিবিৰটো আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। স্বাস্থ্য শিবিৰত উপস্থিত চিকিৎসক আৰু স্বাস্থ্যকৰ্মীসকলে বিভিন্ন ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰি প্ৰয়োজনীয় চিকিৎসা পৰামৰ্শ আগবঢ়ায়। ইয়াৰ ফলত গ্ৰামাঞ্চলৰ বহু সংখ্যক লোক উপকৃত হয়। আনহাতে, সমাজৰ স্বাস্থ্যসেৱা ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা আশাকৰ্মীসকলক উৎসাহিত আৰু তেওঁলোকৰ সেৱাৰ স্বীকৃতি প্ৰদানৰ বাবেও অনুষ্ঠানত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আশাকৰ্মী সকলৰ সেৱাৰ স্বীকৃতি স্বৰূপে আগবঢ়োৱা সম্বৰ্ধনা পত্ৰ আৰু ১,০০০ টকাৰ চেক অনুষ্ঠানত প্ৰদান কৰা হয়। ১৬ নং অভয়াপুৰী বিধানসভা সমষ্টিৰ বিধায়ক ভূপেন ৰায়ে অনুষ্ঠানত উপস্থিত থাকি আশাকৰ্মী সকলৰ হাতত মুখ্যমন্ত্ৰীয়ে আগবঢ়োৱা সম্বৰ্ধনা পত্ৰ আৰু ১,০০০ টকাৰ চেক আনুষ্ঠানিকভাৱে তুলি দিয়ে। আশাকৰ্মী সকলৰ নিষ্ঠা, দায়িত্ববোধ আৰু গ্ৰামাঞ্চলৰ স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত তেওঁলোকে আগবঢ়াই অহা অৱদানৰ বাবে এই স্বীকৃতি প্ৰদান কৰা হয়। 'সেৱা সংকল্প অভিযান'ৰ জৰিয়তে চৰকাৰী আঁচনিৰ সুবিধা প্ৰকৃত হিতাধিকাৰীৰ ওচৰলৈ লৈ যোৱাৰ লগতে স্বাস্থ্যসেৱাকো একেটা মঞ্চৰ জৰিয়তে ৰাইজৰ দুৱাৰডলিলৈ লৈ যোৱাৰ প্ৰয়াস কৰা হৈছে। বিশেষকৈ গ্ৰামাঞ্চলৰ সাধাৰণ ৰাইজ, মহিলা, দিব্যাংগ ব্যক্তি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলে যাতে চৰকাৰী আঁচনি আৰু স্বাস্থ্যসেৱাৰ পৰা বঞ্চিত নহয়, তাৰ বাবে এনে কাৰ্যসূচী যথেষ্ট গুৰুত্বপূৰ্ণ বুলি অনুষ্ঠানত উপস্থিত লোকসকলে মত প্ৰকাশ কৰে। সমগ্ৰ কাৰ্যসূচীত টাপাট্টাৰী উন্নয়ন খণ্ডৰ বিষয়া-কৰ্মচাৰী, বিভিন্ন বিভাগৰ প্ৰতিনিধি, স্বাস্থ্যকৰ্মী, আশাকৰ্মী, হিতাধিকাৰী আৰু স্থানীয় ৰাইজে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। চৰকাৰী আঁচনিৰ সুবিধা লাভৰ ক্ষেত্ৰত ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰাৰ লগতে স্বাস্থ্যৰ প্ৰতি সচেতনতা গঢ়ি তোলাতো এই কাৰ্যসূচীয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।



# দেৰগাঁৱৰ দুখন শিক্ষানুষ্ঠানক স্বীকৃতি নিদিয়াক লৈ চৰ্চা

## নেতিবাচক প্ৰচাৰৰ পৰিৱৰ্তে তথ্যভিত্তিক আলোচনা আৰু সমাধানৰ আহ্বান

**অসম বাৰ্তা, দেৰগাঁও, ৮ অক্টোবৰ ঃ** দেৰগাঁৱৰ দুখন শিক্ষানুষ্ঠানক প্ৰশাসনিক স্বীকৃতি নিদিয়াক কেন্দ্ৰ কৰি শেহতীয়াকৈ অঞ্চলটোত বিভিন্ন আলোচনা-সমালোচনা চলি থকা পৰিলক্ষিত হৈছে। শিক্ষানুষ্ঠান দুখনৰ স্বীকৃতিৰ ক্ষেত্ৰত চৰকাৰী নীতি, বিভাগীয় কাৰণ অথবা প্ৰশাসনিক কোনো জটিলতা আছে নেকি-সেই বিষয়সমূহক লৈ বিভিন্ন মহলত প্ৰশ্ন উত্থাপন হৈছে। ইয়াৰ মাজতে বিষয়টোক লৈ সামাজিক মাধ্যমত চলা বিভিন্ন নেতিবাচক চৰ্চাৰ সন্দৰ্ভত একাংশ সচেতন মহলে উদ্বেগ প্ৰকাশ কৰিছে। তেওঁলোকৰ মতে, কোনো শিক্ষানুষ্ঠানৰ প্ৰশাসনিক বা স্বীকৃতিজনিত সমস্যা থাকিলে সেই সমস্যা আঙুলিয়াই দিয়াৰ লগতে ইয়াৰ সমাধানৰ বাবে দায়িত্বশীলভাৱে আলোচনা কৰাটো প্ৰয়োজন। দেৰগাঁৱৰ বহু পৰিয়ালৰ বাবে এই শিক্ষানুষ্ঠানসমূহ কেৱল শিক্ষা গ্ৰহণৰ স্থান নহয়; বহু অভিভাৱকে নিজৰ সন্তানৰ ভৱিষ্যতৰ সৈতে এই প্ৰতিষ্ঠানসমূহক জড়িত কৰি সপোন দেখিছে। বহু শিক্ষাৰ্থীৰ শৈক্ষিক জীৱন আৰু ভৱিষ্যতৰ সৈতেও প্ৰতিষ্ঠানসমূহৰ গভীৰ সম্পৰ্ক আছে। সেয়েহে, শিক্ষানুষ্ঠানৰ কোনো ভুল-ত্ৰুটি বা প্ৰশাসনিক সমস্যা থাকিলে সেই বিষয়ে তথ্যভিত্তিক আলোচনা হোৱাটো স্বাভাৱিক যদিও, সমস্যাৰ সমাধানৰ পথ বিচৰাৰ পৰিৱৰ্তে সামাজিক মাধ্যমত কেৱল নেতিবাচক প্ৰচাৰ চলোৱাটো কিমান যুক্তিসংগত, সেই বিষয়েও সকলোৱে চিন্তা কৰা উচিত বুলি মত প্ৰকাশ কৰা হৈছে। বিশেষকৈ কোনো চৰকাৰী Order Copy বা প্ৰশাসনিক নথি সামাজিক মাধ্যমত প্ৰকাশ কৰাৰ ক্ষেত্ৰতো ইয়াৰ সম্ভাব্য প্ৰভাৱৰ বিষয়ে সতৰ্ক হোৱাৰ আহ্বান জনোৱা হৈছে। এটা সামাজিক মাধ্যমৰ পোষ্ট বহুজনৰ বাবে সাধাৰণ পোষ্ট যেন লাগিব পাৰে যদিও, সেই পোষ্টৰ প্ৰভাৱ কোনো শিক্ষাৰ্থী, অভিভাৱক অথবা শিক্ষানুষ্ঠানৰ সৈতে জড়িত বহু বছৰৰ সপোনৰ ওপৰত পৰিব পাৰে। এই পৰিপ্ৰেক্ষিতত দেৰগাঁৱৰ শিক্ষা ব্যৱস্থাৰ সৈতে জড়িত বিষয়সমূহক লৈ সমালোচনা হ'ব পাৰে যদিও সেই সমালোচনা যাতে তথ্যভিত্তিক, দায়িত্বশীল আৰু সমাধানমুখী হয়, তাৰ প্ৰতি গুৰুত্ব দিয়াৰ আহ্বান জনোৱা হৈছে। দেৰগাঁৱৰ শিক্ষানুষ্ঠান, শিক্ষাৰ্থী আৰু অভিভাৱকৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি সংশ্লিষ্ট কৰ্তৃপক্ষই বিষয়টো পৰ্যালোচনা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে সকলো পক্ষই দায়িত্বশীল ভূমিকা পালন কৰাটো সময়ৰ আহ্বান বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।

## 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২৫ বছৰীয়া দেশ সেৱাৰ পৰিক্ৰমা এক ঐতিহাসিক যাত্ৰা হিচাপে বিবেচিত হৈছে' ঃ মন্ত্ৰী অতুল বৰা

# মোদীৰ ২৫ বছৰীয়া দেশ সেৱা সম্পূৰ্ণ হোৱা উপলক্ষে গোলাঘাটত 'সেৱা জ্যোতি কলহ' যাত্ৰা



**অসম বাৰ্তা ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৮ অক্টোবৰ ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০০১ চনৰ ৭ অক্টোবৰত তদানীন্তন গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ পৰা ২০২৬ চনৰ ৭ অক্টোবৰলৈ নীৰৱচ্ছিন্নভাৱে দেশ সেৱাৰ ২৫ বছৰ সম্পূৰ্ণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দেশ সেৱাৰ ২৫ বছৰীয়া কাৰ্যকালৰ লগত সংগতি ৰাখি গোলাঘাটত অনুষ্ঠিত কৰা হয় বিশেষ কাৰ্যসূচী। গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়া প্ৰকল্পত ভাৰতীয় জনতা পাৰ্টীৰ গোলাঘাট জিলা সমিতি আৰু অসম গণ পৰিষদ দলৰ উদ্যোগত 'সেৱা সংকল্প অভিযান'ৰ অন্তৰ্গত 'সেৱা জ্যোতি কলহ' যাত্ৰাৰ আয়োজন কৰা হয়। অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক উদ্দেশ্যি প্ৰদান কৰা ভাষণ পোনপটীয়াভাৱে সম্প্ৰচাৰ কৰা হয়। অনুষ্ঠানত অসম গণ পৰিষদ দলৰ সভাপতি তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, বিভাগৰ মন্ত্ৰী অতুল বৰাই অনুষ্ঠানত বক্তব্য প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২৫ বছৰীয়া ৰাজহুৱা সেৱাৰ বাবে আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে যোৱা ২৫ বছৰৰ এই পৰিক্ৰমা এক ঐতিহাসিক যাত্ৰা। এই সময়ছোৱাত দেশৰ উন্নয়ন আৰু জনকল্যাণৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীয়ে বহু গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰী বৰাই লগতে কয় য প্ৰধানমন্ত্ৰীৰ আজিৰ বক্তব্যই দেশবাসীক যথেষ্ট উৎসাহিত কৰিছে। দেশৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ দিশ আলোকপাত কৰাৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও অসমৰ উন্নয়নৰ দিশ সন্দৰ্ভত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়োৱা বুলি তেওঁ মন্তব্য কৰে। তেওঁ আৰু কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যোৱা কেইবছৰমানত দেশত বহু উল্লেখযোগ্য উন্নয়নমূলক কাম সম্পন্ন হৈছে। 'বিকশিত ভাৰত' গঢ়ি তোলাই হৈছে দেশবাসীৰ সংকল্প আৰু এই বিকশিত ভাৰতৰ অংশ হিচাপে অসমো সমান্তৰালভাৱে উন্নয়নৰ দিশত দ্ৰুত গতিত আগবাঢ়িছে। ২০৪৭ চনত ভাৰতৰ স্বাধীনতাৰ শতবৰ্ষত এখন শক্তিশালী, সমৃদ্ধিশালী আৰু বিকশিত ভাৰত গঢ়ি উঠিব বুলি আশা প্ৰকাশ কৰি মন্ত্ৰী অতুল বৰাই কয় এই লক্ষ্যত উপনীত হ'বলৈ দেশবাসী ঐক্যবদ্ধভাৱে আগবাঢ়িব লাগিব বুলি মন্ত্ৰী বৰাই কয়। অনুষ্ঠানত দেৰগাঁও সমষ্টিৰ বিধায়ক ড° মৃদুল কুমাৰ দত্ত, ৰাজ্য সভাৰ সাংসদ তেৰছ গোৱালা, সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, গোলাঘাট জিলা বিজেপিৰ সভাপতি চন্দ্ৰজ্যোতি ঠাকুৰ, অসম গণ পৰিষদৰ গোলাঘাট জিলা সভাপতি ড° নৃপেন বৰুৱাৰ লগতে বিজেপি আৰু মিত্ৰজোঁটৰ বিভিন্ন দলৰ বিষয়ববীয়া আৰু প্ৰতিনিধিসকল উপস্থিত থাকে। অনুষ্ঠানৰ অন্তত 'সেৱা জ্যোতি কলহ' যাত্ৰা উলিওৱা হয়। নিজ নিজ সমষ্টিৰ বিধায়ক আৰু বিজেপি তথা অসম গণ পৰিষদৰ বিষয়ববীয়াসকলে কলহ লৈ এই যাত্ৰাত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে গোলাঘাটত জিলা ভিত্তিত অনুষ্ঠিত কৰা এই সেৱা জ্যোতি কলহ যাত্ৰাত পাঁচটা বিধানসভা সমষ্টিৰ ভিতৰত চাৰিটা বিধানসভা সমষ্টিৰ নেতা কৰ্মীসকলে অংশগ্ৰহণ কৰে। খুমটাই সমষ্টিত বিধায়ক মৃণাল শইকীয়াৰ উদ্যোগত এককভাৱে 'সেৱা জ্যোতি কলহ যাত্ৰা' অনুষ্ঠিত হয়।

# ডাকুৱা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ নতুন সমিতি গঠন; গুণাৰাম বাগলাৰী সভাপতি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৮ অক্টোবৰ ঃ** ওদালগুৰি জিলাৰ পুৰন্দিয়া, গেৰুৱা, বনগাঁও, মাজগাঁও, গঁড়কাষ, তৰাবাৰী, পূব ফুটকীবাৰী, পশ্চিম ফুটকীবাৰী, ছৈবাৰী খোখা গাঁও, ছৈবাৰী ভোলাকাষ, সামেকুছি, চাতিয়াপাৰা, ২ নং আলিকাষ, কাউলীভঙা আদি গাঁও আৰু চুবুৰীক লৈ গঠিত ডাকুৱা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ নতুন পৰিচালনা সমিতি গঠনৰ উদ্দেশ্য অনুষ্ঠিত সাধাৰণ সভাখন কালিন্দ্ৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হয়। ফাৰ্মাচিষ্ট তথা পৰিচালনা সমিতিৰ সচিব ভাস্কৰজ্যোতি শৰ্মাই আঁত ধৰা সভাত ওদালগুৰি জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক বিনন্দ হাজৰিকা, পুৰন্দিয়া ভিচিডিচিৰ অধ্যক্ষ ভানু প্ৰভা শইকীয়া, পূব টংলা আঞ্চলিক যুৱ মঞ্চৰ সভাপতি ৰাজীৱ শৰ্মা, টংলা প্ৰেছক্লাবৰ সভাপতি ফটিক নন্দন ৰাভা প্ৰমুখ্য কেবাজনো বিশিষ্ট লোক উপস্থিত থকা সভাত চিকিৎসক ডা: লক্ষ্য জ্যোতি শৰ্মা, সমাজকৰ্মী বাতিৰাম মদাহি কেশৱ চন্দ্ৰ ডেকা, পূৰণ চন্দ্ৰ বণিয়া, পৱন ৰাভা, পূৰ্ণানন্দ চলিহা, চণ্ডী মেধিয়ে ভাষণ দিয়ে। স্বাস্থ্য কেন্দ্ৰৰ সৈতে জড়িত হৈ অৱদান আগবঢ়াই পৰলোকলৈ গমন কৰা কিৰীটি কান্ত তামোলী, গংগা ৰাম ডেকা আৰু উমেশ চন্দ্ৰ ডেকাক স্মৰণ কৰা হয়। আনহাতে অগন্তুক কাৰ্য বৰ্ষৰ বাবে গুণাৰাম বাগলাৰীক সভাপতি, কালিন্দ্ৰ ৰাভাক উপ সভাপতি, স্বাস্থ্য কৰ্মী ভাস্কৰজ্যোতি শৰ্মাক সচিব হিচাপে লৈ ২৬ জনীয়া এখনি নতুন পৰিচালনা সমিতি গঠন কৰে। উক্ত সভাত পৰ্যাপ্ত চিকিৎসক, নাৰ্ছ, কৰ্মচাৰী নিযুক্তি আৰু নতুন বিল্ডিংৰ নিৰ্মাণ সম্পৰ্কে আলোচনা কৰা হয় বুলি সচিব তথা স্বাস্থ্য কৰ্মী ভাস্কৰজ্যোতি শৰ্মাই জানিবলৈ দিয়ে।

# আৱাহন থিয়েটাৰৰ মঞ্চত সম্বৰ্ধিত শিল্পী তীৰ্থ চহৰীয়া

**অসম বাৰ্তা, মঙলদৈ, ৮ অক্টোবৰ ঃ** 'ভ্ৰাম্যমাণ থিয়েটাৰ এক উদ্যোগ, এই উদ্যোগ উজ্জীৱিত কৰি ৰখাত দৰ্শকৰ যিমান দায়িত্ব আছে, তাতোকৈ বেছি দায়িত্ব আছে শিল্পী কলা কুশলীৰ। শিল্পী কলা কুশলীৰ অভিনয় শৈলী, তেওঁলোকৰ দক্ষতাৰ ওপৰত ভ্ৰাম্যমাণ থিয়েটাৰ বহুখিনি নিৰ্ভৰ কৰে'- এই ভাষ্য অসম চৰকাৰৰ মীন, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ কেবিনেট মন্ত্ৰী নীলিমা দেৱীৰ। চপাই থিয়েটাৰ পৰিচালনা সমিতিৰ উদ্যোগত কালিৰে পৰা চপাই নেহৰু ময়দানত তিনিনিশাৰ বাবে আৰম্ভ হোৱা আৱাহন থিয়েটাৰৰ মঞ্চ মুকলি কৰি তেওঁ এইদৰে কয়। তেওঁ লগতে থিয়েটাৰ খনৰ প্ৰযোজক তথা মুখ্য অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ দক্ষতাক প্ৰশংসা কৰে। চপাই থিয়েটাৰ পৰিচালনা সমিতিৰ সম্পাদক গণেশ দত্তই আঁত ধৰা এই অনুষ্ঠানত আৱাহন থিয়েটাৰ কৰ্তৃপক্ষই বিশিষ্ট সংগীত শিল্পী, গীতিকাৰ, সুৰকাৰ তীৰ্থ চহৰীয়াক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত চপাই থিয়েটাৰ পৰিচালনা সমিতিয়েও মন্ত্ৰী নীলিমা দেৱী, শিল্পী প্ৰস্তুতি পৰাশৰ, দৰং জিলা পৰিষদৰ সভাপতি শেৱালি গোস্বামী কলিতা, মুখ্য কাৰ্যবাহী বিষয়া কল্পনা ডেকা, পৌৰপতি নিৰ্মালী দেৱী শৰ্মা, পশ্চিম মঙলদৈ আঞ্চলিক পঞ্চায়তৰ উপসভাপতি মঞ্জুলা বৰুৱা চহৰীয়া, আৱাহন থিয়েটাৰৰ সম্পাদক প্ৰহ্লাদ ৰয়ক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত চপাই পদুম পাহি মইনা পাৰিজাতৰ মইনা সুশান্ত মণ্ডলে অংকন কৰা ছবি এখন প্ৰস্তুতি পৰাশৰক প্ৰদান কৰে। ইয়াৰ পূৰ্বে বিশিষ্ট চিকিৎসক ডাঃ প্ৰশান্ত কুমাৰ গোস্বামী, ডাঃ নৰেন্দ্ৰ দাস, ডাঃ বিনোদ কলিতা আৰু চপাই থিয়েটাৰ পৰিচালনা সমিতিৰ সভাপতি ৰমণীকান্ত শৰ্মাই জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে।

# শিল্পী সমাজ টংলাৰ উদ্যোগত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ পঞ্চদশ মহাপ্ৰয়াণ দিৱস উদযাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৮ অক্টোবৰ ঃ** সমগ্ৰ অসম তথা বিশ্বৰ লগত সংগতি ৰাখি এইবেলিও শিল্পী সমাজ টংলাৰ উদ্যোগত আৰু ৰূপাখাট স্বাগতম সংঘৰ সৌজন্যত বৃহত্তৰ টংলাৰ শিল্পী সকলক একত্ৰিত কৰি সহৃদয় সংগীত প্ৰেমী ৰাইজৰ সহযোগত ৫ নৱেম্বৰত দিনজোৰা কাৰ্যসূচীৰে ভাৰতৰত্ন, সুধাকণ্ঠ, বিশ্ব বিশ্ৰুত, মহতু- মহীয়ান শিল্পী পুজ্যস্পদ ড° ভূপেন হাজৰিকাদেৱৰ পঞ্চদশ মহাপ্ৰয়াণ দিৱসটি উৎযাপন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। এইলৈ শিল্পী সমাজ টংলা'ৰ প্ৰতিষ্ঠাপক, তথা গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী, জ্যেষ্ঠ নাগৰিক, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰফুল্ল কুমাৰ বৰুৱা, শিল্পী সমাজৰ সভানেত্ৰী নিবেদিতা ডেকা বৰুৱা, সম্পাদিকা গায়ত্ৰী দেৱী আৰু টংলা ৰূপাখাট স্বাগতম সংঘৰ সভাপতি জিতেন কলিতা, সম্পাদক পঙ্কজ কুমাৰ ডেকাই অনুষ্ঠানটি সাফল্যমন্দিত কৰি তোলাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। ড° ভূপেন হাজৰিকা দেৱৰ পঞ্চদশ মহাপ্ৰয়াণ দিৱসৰ কাৰ্যসূচী অনুসৰি ৫ নৱেম্বৰৰ বিয়লি তিনি বজাত মহান শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত ৰাজহুৱা মাল্যাৰ্পণ, আৰু শ্ৰদ্ধা নিবেদনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। ইয়াত মুখ্য বন্তি প্ৰজ্বলক আৰু মাল্যাপক ৰূপে অংশগ্ৰহণ কৰিব শিল্পী সমাজ টংলাৰ সভানেত্ৰী নিবেদিতা ডেকা বৰুৱাই। ৩-৩০ বজাত গীতা পাঠ কৰিব ধোপগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ভূমিধৰ নাথে। ৪ বজাত সন্মানীয় ৰূপাখাটৰ স্থানীয় আয়তী সকলৰ লগতে অনিমা নাথ আৰু সংগী সকলৰ দ্বাৰা আয়তী নাম পৰিৱেশন। ৫ বজাৰ পৰা ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ গীতৰ আধাৰত নৃত্য, গীত-সংগীতেৰে বৰ্ণাঢ্য সাংস্কৃতিক সন্ধিয়া। উদ্বোধন কৰিব শিল্পী সমাজ টংলাৰ প্ৰতিষ্ঠাপক সভাপতি তথা সাংস্কৃতিক কৰ্মী, গীতিকাৰ, সুৰকাৰ কণ্ঠশিল্পী প্ৰফুল্ল কুমাৰ বৰুৱাই। পৰিচালনা কৰিব প্ৰাক্তন সম্পাদক তথ বিশিষ্ট আবৃত্তিকাৰ পাৰ্থপ্ৰতিম পাঠকে। সকলো ৰাইজৰ সঁহাৰি সহযোগিতা কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

## চূড়ান্ত গণনাত ভোটদানৰ হাৰ হ'লগৈ ৭৬.১৯

# সকলো দলৰ উপস্থিতিত কৰা পৰীক্ষণত ভোটগ্ৰহণ প্ৰক্ৰিয়াত ন্যায্যতা দিলে সাধাৰণ পৰ্যবেক্ষকে

**অসম বাৰ্তা, পুৰণিগুদাম, ৮ অক্টোবৰ ঃ** নগাঁও সংসদীয় সমষ্টিৰ উপনিৰ্বাচনৰ বাবে কালি অনুষ্ঠিত হোৱা ভোটগ্ৰহণ প্ৰক্ৰিয়াক সম্পূৰ্ণ আসোঁৱাহমুক্ত বুলি সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত সাধাৰণ পৰ্যবেক্ষকৰ পৰীক্ষণত আজি নিশ্চিত কৰা হয়। আজি নগাঁৱৰ ল'ৰাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সাধাৰণ পৰ্যবেক্ষক অমৰ কুশৱাহাৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত সকলোৰে সন্মুখতে সৰ্বাধিক আৰু সৰ্বনিম্ন ভোটদান হোৱা তিনিটাকৈ ভোটগ্ৰহণ কেন্দ্ৰৰ প্ৰিজাইডিং বিষয়াৰ ডায়েৰী পৰীক্ষা কৰাৰ লগতে এই সম্পৰ্কত ৰাজনৈতিক দলৰ বক্তব্য শুনে। সভাৰ অন্তত সকলো দিশ পৰ্যালোচনা কৰি কালি অনুষ্ঠিত হোৱা ভোটগ্ৰহণ প্ৰক্ৰিয়া সম্পূৰ্ণ সঠিক বুলি গ্ৰহণ কৰা হয়। সভাত ৰিটাৰ্ণিং বিষয়া তথা নগাঁও জিলাৰ আয়ুক্ত আৰণ্যক শইকীয়া, মৰিগাঁও জিলাৰ আয়ুক্ত সৃষ্টি সিঙৰ উপৰি উভয় জিলাৰ অতিৰিক্ত আয়ুক্ত তথা জ্যেষ্ঠ বিষয়াসকল, জিলা তথ্য আৰু জনসংযোগ বিষয়া, ভাৰতীয় জনতা পাৰ্টীৰ মৃণ্ময় বৰপূজাৰী, কংগ্ৰেছৰ এ চিকন্দৰ আলী, এআইইউডিএফৰ বাবুল আফৰাণ চৌধুৰী আৰু নিৰ্দলীয় প্ৰাৰ্থীৰ প্ৰতিনিধি লোহিত লহকৰ উপস্থিত থাকে। নিৰ্বাচনত স্বচ্ছতা আৰু নিৰপেক্ষতা বৰ্তাই ৰখাৰ স্বাৰ্থত ভোটগ্ৰহণ পৰ্বৰ পৰ্য্যালোচনা কৰি সঠিক সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে এই বৈঠক অনুষ্ঠিত কৰা হয়। ইফালে কালি অনুষ্ঠিত হোৱা ভোটগ্ৰহণৰ চূড়ান্ত হাৰ ৭৬.১৯ শতাংশ বুলি আজি জিলা প্ৰশাসনৰ তৰফৰ সদৰি কৰা হয়। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই এই কথা সদৰি কৰি জনোৱা মতে, জাগীৰোড সমষ্টিত ৭৬.৬২, মৰিগাঁও সমষ্টিত ৭২.৮৫, লাহৰিঘাটত ৭৮.৮৮, ধিঙত ৭৭.৯৩, ৰূপহীহাট ৭৭.৬৭, চামগুৰিত ৮০.২২, নগাঁও -বটদ্ৰৱা ৭২.০১ আৰু ৰহা সমষ্টিত ৭০.২৯ শতাংশ ভোটদান হৈছে। কালি আবেলি পাঁচ বজাৰ পিছতো কেইটামান সমষ্টিত ভোটদান চলি থকা বাবেই ভোটদানৰ হাৰৰ ক্ষেত্ৰত পিছত সামান্য বৃদ্ধি লক্ষ্য কৰা হৈছে।

বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ পৰা জুইৰ সূত্ৰপাত; ভস্মীভূত কেইবা লাখ টকাৰ সামগ্ৰী

# বালাভিঠা সাতবইনীৰটুপ গাঁৱত বিধ্বংসী অগ্নিকাণ্ড

**অসম বাৰ্তা, কুমুল্লী পাৰা, ৮ অক্টোবৰ ঃ** বৰপেটা জিলাৰ বালাভিঠা সাতবইনীৰটুপ গাঁৱত বুধবাৰে নিশা সংঘটিত এক বিধ্বংসী অগ্নিকাণ্ডই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰে। অগ্নিকাণ্ডত কেইবা লাখ টকা মূল্যৰ সামগ্ৰী জুইত ভস্মীভূত হোৱা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, নিশা আনুমানিক ৯: ৩০ বজাত বালাভিঠা সাতবইনীৰটুপ গাঁৱত হঠাৎ জুইৰ সূত্ৰপাত হয়। প্ৰাথমিকভাৱে বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলতে অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি সন্দেহ কৰা হৈছে। জুইৰ লেলিহান শিখাই অতি কম সময়ৰ ভিতৰতে ভয়ংকৰ ৰূপ ধাৰণ কৰে। ফলত ঘৰৰ ভিতৰত থকা বহু মূল্যৱান সামগ্ৰী জুইত জাহ যায়। অগ্নিকাণ্ডৰ ফলত কেইবা লাখ টকাৰ সম্পত্তি ক্ষতিগ্ৰস্ত হোৱা বুলি জানিব পৰা গৈছে। অগ্নিকাণ্ডৰ খবৰ পোৱাৰ পাছতে স্থানীয় ৰাইজে ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপণৰ চেষ্টা চলায়। অৱশ্যে অগ্নিকাণ্ডৰ ফলত সৃষ্টি হোৱা ক্ষয়-ক্ষতিৰ সম্পূৰ্ণ পৰিমাণ এই বাতৰি লিখাৰ সময়লৈকে নিৰূপণ কৰা হোৱা নাই। ঘটনাটোৰ সঠিক কাৰণ আৰু ক্ষয়-ক্ষতিৰ পৰিমাণ সন্দৰ্ভত অধিক তথ্যৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষৰ তদন্তৰ অপেক্ষা কৰা হৈছে।

### অপহৰণৰ অভিযোগৰ কোনো প্ৰামাণিক তথ্য পোৱা নগ'ল ঃ নগাঁও জিলা আয়ুক্ত

## ঘৰতে উদ্ধাৰ 'অপহৃত' কংগ্ৰেছ এজেণ্ট

**অসম বাৰ্তা, নগাঁও, ৭ অক্টোবৰ** ঃ চামগুৰি বিধানসভা সমষ্টিৰ ১২২ নম্বৰ ভোটগ্ৰহণ কেন্দ্ৰৰ কংগ্ৰেছ এজেণ্ট ছাৰিফুল ইছলামক অপহৰণ কৰাৰ অভিযোগক লৈ আজি নগাঁৱত চাঞ্চল্যৰ সৃষ্টি হয়। নগাঁও জিলা কংগ্ৰেছৰ সভানেত্ৰী ৰুনুমণি বৰাই দাখিল কৰা এজাহাৰৰ ভিত্তিত বিষয়টো গুৰুত্বসহকাৰে গ্ৰহণ কৰে নিৰ্বাচন প্ৰশাসনে। অভিযোগ লাভ কৰাৰ পাছতে ৰিটাৰ্ণিং বিষয়া তথা নগাঁও জিলা আয়ুক্ত আৰণ্যক শইকীয়াই বিষয়টোৰ তাৎক্ষণিক তদন্তৰ বাবে আৰক্ষী অধীক্ষকলৈ অভিযোগটো প্ৰেৰণ কৰে। ইয়াৰ পাছতে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰি ছাৰিফুল ইছলামক তেওঁৰ নিজা বাসগৃহতে নিৰাপদে উদ্ধাৰ কৰে। আৰক্ষীৰ তদন্তত ছাৰিফুল ইছলামক অপহৰণ কৰাৰ অভিযোগৰ কোনো প্ৰামাণিক তথ্য পোৱা নগ'ল বুলি জিলা আয়ুক্ত তথা ৰিটাৰ্ণিং বিষয়া আৰণ্যক শইকীয়াই এক প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিয়ে। জিলা আয়ুক্তগৰাকীয়ে লগতে কয় যে, মুক্ত, নিকা, শান্তিপূৰ্ণ আৰু স্বচ্ছ নিৰ্বাচনী প্ৰক্ৰিয়া সুনিশ্চিত কৰাৰ বাবে নিৰ্বাচন সম্পৰ্কীয় সকলো অভিযোগ, বিশেষকৈ প্ৰাৰ্থী, ভোটগ্ৰহণ এজেণ্ট আৰু ভোটাৰৰ সুৰক্ষাৰ সৈতে জড়িত বিষয়সমূহ অতি গুৰুত্বসহকাৰে পৰ্যবেক্ষণ কৰি তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। লগতে সকলো ৰাজনৈতিক দল, প্ৰাৰ্থী, ভোটগ্ৰহণ এজেণ্ট আৰু ৰাইজক প্ৰকৃত ঘটনাৰ তথ্য উপযুক্ত মাধ্যমেৰে প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনাইছে। নিৰ্বাচনৰ সময়ছোৱাত অপ্ৰয়োজনীয় বিভ্ৰান্তি বা আশংকা সৃষ্টি কৰিব পৰা অপ্ৰমাণিত তথ্য প্ৰচাৰৰ পৰা বিৰত থাকিবলৈও জিলা প্ৰশাসনে আহ্বান জনাইছে।

## নীৰৱ সমাজকৰ্মী ৰাতুল বৰুৱাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, নিমাতীঘাট, ৭ অক্টোবৰ** ঃ যোৰহাটৰ এজন নীৰৱ সমাজকৰ্মী, শংকৰদেৱ-মাধৱদেৱৰ একান্ত সেৱক, গান্ধীবাদী ৰাতুল বৰুৱাৰ আদ্যশ্ৰাদ্ধৰ দিনা কেন্দুগুৰিৰ বাসগৃহত পূব যোৰহাট জ্যেষ্ঠ নাগৰিক সন্থা আৰু স্বেচ্ছাসেৱী অনুষ্ঠান সেৱাই শ্ৰদ্ধাঞ্জলি জনায়। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ নাগৰিক সন্থাৰ উপদেষ্টা লবন চন্দ্ৰ হাজৰিকাই আৰু পুষ্পাঞ্জলি কৰে অসম সাহিত্য সভাৰ প্ৰধান সচিব অশোক কুমাৰ সেনাপতিয়ে। নাগৰিক সন্থাৰ সম্পাদক বিৰিঞ্চি বৰুৱাই পৰিচালনা কৰা অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী নিৰু তামূলী বৰুৱা, সৰোজিনী দেৱী বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি নবীন গগৈ, অশোক কুমাৰ সেনাপতি, ৰাতুল বৰুৱাৰ ভগ্নি ড° কুমকুম বৰুৱা, সেৱাৰ সভাপতি হেমেন কুমাৰ শইকীয়া প্ৰমুখ্যে বিভিন্নজনে সমাজৰ আৰ্তজনৰ প্ৰতি সেৱা কৰা ৰাতুল বৰুৱাৰ কৰ্মৰাজিৰ বিষয়ে ৰোমন্থন কৰে আৰু ব্যক্তিজনৰ পৰিকল্পনা অনুসৰি দিব্যাংগসকলৰ বাবে এক অনুষ্ঠান প্ৰতিষ্ঠা কৰাৰ পোষকতা কৰে। ভগ্নি ডাঃ তুলতুল বৰুৱা, নাগৰিক সন্থাৰ উপদেষ্টা শ্ৰীৰাম বৰুৱা, দিলীপ গোস্বামী, পৰমানন্দ শইকীয়া, প্ৰতাপ দত্ত, পুলক ভূঞা, তৰুলতা বৰুৱাকে ধৰি বহুজনে অনুষ্ঠানত শ্ৰদ্ধাঞ্জলি জনায়।

## জনীয়া হাইস্কুলৰ অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক ৰবীন্দ্ৰনাথ মিশ্ৰৰ দেহাৱসান

**অসম বাৰ্তা, জনীয়া, ৭ অক্টোবৰ** ঃ বৰপেটা জিলাৰ ঐতিহ্যমণ্ডিত জনীয়া হাইস্কুল আৰু বৰ্তমানৰ জনীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় ৰ অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক (সংস্কৃত) ৰবীন্দ্ৰনাথ মিশ্ৰৰ ৪ অ'ৌবৰত মধুমেহ আৰু হাওঁফাওঁৰ ৰোগত আক্ৰান্ত হৈ ইহলীলা সম্বৰণ কৰে। ১৯৮৪ চনৰ ২০ জানুৱাৰীত জনীয়া হাইস্কুলত সংস্কৃত শিক্ষক হিচাপে চাকৰিত যোগদান কৰি কৰা মিশ্ৰই ২০২১ চনত ৩১ জানুৱাৰীত অৱসৰ গ্ৰহণ কৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৬ বছৰ। স্বল্পভাষী আদৰ্শবান শিক্ষক গৰাকীৰ মৃত্যুতৰ খবৰ জনীয়াত বিয়পি পৰাৰ লগে লগে শোকৰ ছাঁ পৰা পৰিলক্ষিত হৈছে। তেখেতৰ মৃত্যুত জনীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়, জনীয়া হাইস্কুল প্ৰাক্তন ছাত্ৰ সন্মিলনী, জনীয়া সত্ৰ পৰিচালনা সমিতি, জনীয়া- সালেকুৰা বজাৰ কমিটি, জনীয়া প্ৰেছ ক্লাব, জনীয়া আঞ্চলিক গ্ৰামোন্নয়ন পৰিষদকে আদি কৰি বিভিন্ন অনুষ্ঠান -প্ৰতিষ্ঠান, প্ৰাক্তন ছাত্ৰ তথা 'অসমীয়া খবৰ'কাকতৰ মুখ্য সম্পাদক বিশ্বজিৎ দাসে গভীৰ শোক প্ৰকাশ কৰে, লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

### বাৰাদি এফ চিৰ ৫-০ গ'লত জয়লাভ

## বামুণবড়ীত শ্বহীদ সোঁৱৰণী ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, দৌলাশাল, ৭ অক্টোবৰ** ঃ নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ বামুণবড়ী খেলপথাৰত চলি থকা ৩০ সংখ্যক শ্বহীদ সোঁৱৰণী আমন্ত্ৰণমূলক নৈশ প্ৰাইজমানী ফুটবল ট্ৰফী প্ৰতিযোগিতাখনৰ চতুৰ্থখন প্ৰি-কোৱাৰ্টাৰ ফাইনেল খেল সোমবাৰে নিশা অনুষ্ঠিত হৈ যায়। বামুণবড়ী মূলাঘাটা মিলন সংঘৰ দ্বাৰা পৰিচালিত তথা অসম ফুটবল সন্থাৰ স্বীকৃতিপ্ৰাপ্ত প্ৰতিযোগিতাখনৰ শেষৰখন প্ৰি-কোৱাৰ্টাৰ ফাইনেল খেল বাৰাদি এফ চি আৰু শালবাগান এফ চি, গোসাঁইগাঁৱৰ মাজত অনুষ্ঠিত হয়। উক্ত খেলখনত বাৰাদি এফ চি য়ে নিৰ্ধাৰিত সময়ত ৫-০ গলত শালবাগান এফ চি, গোসাঁইগাঁও দলক পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ উন্নীত হয়। অহা ৭ অক্টোবৰৰ সন্ধিয়া ৮: ১৫ বজাত লছিমা নৱজ্যোতি সংঘ আৰু মাজদিয়া-গৰেমাৰী ক্ৰীড়া সন্থাৰ মাজত অনুষ্ঠিত হ'ব প্ৰথমখন কোৱাৰ্টাৰ ফাইনেল খেল।

### টিৰাপ মৌজাৰ হাচাক গাঁৱৰ গাঁও প্ৰধান সহ আন এজনক আটক

## নিষিদ্ধ ড্ৰাগছ সৰবৰাহৰ অভিযোগত ৰঙাঘৰৰ আলহী গাঁও প্ৰধান

**অসম বাৰ্তা বিশেষ, জাগুন, ৭ অক্টোবৰ** ঃ মাৰ্ঘেৰিটা সম জিলাৰ লেখাপানী আৰক্ষী থানাৰ অন্তৰ্গত বিচাগাঁৱত মঙলবাৰে নিষিদ্ধ ড্ৰাগছৰ সৈতে এজন গাঁও প্ৰধান সহ আন এজন লোকক আটক কৰা হয়। এ, এছ, ২৩ এ, ই, ২৬৫৫ নম্বৰৰ এখন মটৰ চাইকেলেৰে লোক দুজনে লিডু টিৰাপ কলিয়ৰী দিশৰ পৰা বিচা গাঁও দিশে গৈ থকা অৱস্থাত গোৰ্খা ছাত্ৰ আৰু ১নং বিচা গাঁও গাঁওৰক্ষী বাহিনীৰ তৎপৰতাত নিষিদ্ধ ড্ৰাগছ সহ লোক দুজনক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা অনুসৰি গোৰ্খা ছাত্ৰ সন্থাৰ সদস্যসকলে মটৰচাইকেলেৰে আহি থকা অৱস্থাত সন্দেহ বশত লোক দুজনক ৰবলৈ কোৱাত দুয়োজনে পলাবলৈ চেষ্টা কৰে। সেই সময়ত ছাত্ৰ সংগঠনটোৰ সদস্যসকলে দুয়োজনকে আৱদ্ধ কৰি লেখাপানী আৰক্ষী আৰু ২০ নং অসম ৰাইফলছ'ক খবৰ দিয়ে। খবৰ লাভ কৰাৰ লগে লগেই লেখাপানী আৰক্ষী আৰু ২০ নং অসম ৰাইফলছ'ৰ দল ঘটনাস্থলীত উপস্থিত হৈ লোক দুজনৰ জিম্মাৰ পৰা পাঁচটা চাবোনৰ বাকচ ভৰ্ত্তি নিষিদ্ধ ড্ৰাগছ জব্দ কৰাৰ লগতে দুয়োজনকে আটক কৰি লেখাপানী আৰক্ষী থানালৈ লৈ যায়। আটকাধীন লোক দুজন ক্ৰমে টিৰাপ মৌজাৰ হাচাক গাঁৱৰ গাঁও প্ৰধান লাথই চিংফৌ আৰু জয়নাথ চেতিয়া।

### দেৱী মাক আদৰিবলৈ সাজু দুধনৈৰ ১৬খন পূজা মণ্ডপ

## দুধনৈ সমজিলা প্ৰশাসন আৰু পূজা সমিতিসমূহৰ মাজত গুৰুত্বপূৰ্ণ প্ৰস্তুতিমূলক সভা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ৭ অক্টোবৰ** ঃ কহুৱাৰ নাচৰ তালে তালে শুভ্ৰ ডাৱৰৰ মাজেৰে ধৰালৈ আহি থকা শাৰদী ৰাণীক আদৰিবলৈ সিজু হৈছে দুধনৈ সমজিলা বাসী। এইবেলি ১৫খনতকৈ অধিক পূজাথলীত দেৱী মা দুৰ্গাক পূজা অৰ্চনা কৰিবলৈ সাজু হৈছে। আজি দুধনৈ সমজিলা প্ৰশাসনৰ উদ্যোগত সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আগন্তুক দুৰ্গা পূজা আৰু কালী পূজা নিয়াৰিকৈ তথা শান্তিপূৰ্ণভাৱে উদযাপন কৰাৰ উদ্দেশ্যে এক গুৰুত্বপূৰ্ণ প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। সমজিলা আয়ুক্ত অৰুণ কুমাৰ ব্ৰহ্মৰ সভাপতিত্বত সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই সভাত সমজিলা আৰক্ষী অধীক্ষক নূপুৰ ৰঞ্জন নেওগ, দুধনৈ ৰাজহ চক্ৰ বিষয়া জীতেন্দ্ৰ টাইডৰ লগতে বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়া আৰু সমজিলাখনৰ অন্তৰ্গত পঞ্চাছখনৰো অধিক দুৰ্গা পূজা আৰু কালী পূজা সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। সভাত পূজাৰ সময়ছোৱাত আইন-শৃংখলা ৰক্ষা, নিৰাপত্তা ব্যৱস্থা, যান-জঁট নিয়ন্ত্ৰণ, নীৰৱচ্ছিন্ন বিদ্যুৎ আৰু খোৱাপানী যোগানৰ লগতে চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া এছ অ' পি (SOP) বা নীতি-নিৰ্দেশনাৱলীসমূহ পুংখানুপুংখভাৱে আলোচনা কৰা হয় আৰু সকলো সমিতিকে এই নিৰ্দেশনাসমূহ নিষ্ঠাৰে পালন কৰিবলৈ আহ্বান জনোৱা হয়। প্ৰতিখন পূজামণ্ডপত বিশুদ্ধ পানী, পৰ্যাপ্ত পোহৰ, চিচি কেমেৰা, অগ্নি নিৰ্বাপক সামগ্ৰী, স্বেচ্ছাসেৱক, বৈদ্যুতিক ব্যৱস্থা, দেৱী বিসৰ্জনৰ সময়ত নিৰাপত্তা জনিত ব্যৱস্থা, উচ্চ শব্দ সম্পন্ন ডিজে ব্যৱহাৰ নকৰা, স্বচ্ছতা, বিভিন্ন বিভাগত প্ৰয়োজনীয় মোবাইল নম্বৰৰ তালিকা পূজা মণ্ডপত আঁৰি থোৱা ইত্যাদি কামসমূহ বাধ্যতামোলক কৰিবলৈ প্ৰশাসনৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে। এইবেলি দুধনৈত ১৬খন পূজা মণ্ডপত দেৱী মাক পূজা অৰ্চনা কৰা হ'ব।

### পলি বৰাক চাকৰিৰ পৰা নিলম্বনৰ দাবী ৰাইজৰ

## নামনি মাজুলীৰ ৬নং গোৱালগাঁও প্ৰাথমিক বিদ্যালয়ত উত্তপ্ত পৰিস্থিতি

### বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰীকসহ শিক্ষয়িত্ৰী পলি বৰাই প্ৰহাৰ কৰাৰ অভিযোগ

**অসম বাৰ্তা, উজনী মাজুলী, ৭ অক্টোবৰ** ঃ মাজুলী শিক্ষা চক্ৰৰ অন্তৰ্গত নামনি মাজুলীৰ ৬নং গোৱালগাঁও প্ৰাথমিক বিদ্যালয়ত আজি পুৱা এক ঘটনাক কেন্দ্ৰ কৰি সৃষ্টি হয় উত্তপ্ত পৰিস্থিতিৰ। বিদ্যালয়খনৰ সহকাৰী শিক্ষয়িত্ৰী পলি বৰাই বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰীক প্ৰহাৰ কৰাৰ পাছতে এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অভিযোগ অনুসৰি, বিদ্যালয়খনৰ তিনিগৰাকী শিক্ষয়িত্ৰী দীৰ্ঘদিন ধৰি নিৰ্ধাৰিত সময়তকৈ পলমকৈ বিদ্যালয়ত উপস্থিত হৈ অহাক লৈ অভিভাৱকসকলৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হৈ আহিছিল। এই বিষয়টো সন্দৰ্ভত আজি একাংশ অভিভাৱক বিদ্যালয়খনত উপস্থিত হৈ শিক্ষয়িত্ৰীসকলক জবাবদিহি কৰে। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী বৰ্ণালী বৰা হাজৰিকাই আজিও পলমকৈ অহা সহ শিক্ষয়িত্ৰী পলি বৰাক বিদ্যালয়লৈ পলমকৈ অহাৰ বাবে কৈফিয়ৎ তলব কৰে। সেই মুহূৰ্ততে বিদ্যালয়খনৰ সহ শিক্ষয়িত্ৰী পলি বৰাই বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী বৰ্ণালী বৰা হাজৰিকাক চৰ, ভুকু মাৰি প্ৰহাৰ কৰে। ঘটনাটোক কেন্দ্ৰ কৰি বিদ্যালয় চৌহদত এক আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। বিদ্যালয়খনৰ সহকাৰী শিক্ষয়িত্ৰী পলি বৰাৰ স্থায়ী ঘৰ ঢকুৱাখনাৰ তুলসীজানত। শিক্ষয়িত্ৰী পলি বৰাই সদায় ঢকুৱাখনাৰ পৰা আহি বিদ্যালয়ত উপস্থিত হোৱাত পলম হোৱাৰ অভিযোগ স্থানীয় ৰাইজে আজি উত্থাপন কৰে। আজিও নিৰ্দিষ্ট সময়তকৈ পলমকৈ উপস্থিত হোৱা পলি বৰাক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী বৰ্ণালী বৰা হাজৰিকাই পলম হোৱাৰ কাৰণ জানিব বিচৰাৰ লগে লগেই শিক্ষয়িত্ৰী পলি বৰাই সভানেত্ৰীগৰাকীক প্ৰহাৰ কৰে। পৰৱৰ্তী সময়ত গোৱালগাঁও গাঁৱৰ একাংশ ৰাইজ বিদ্যালয়খনত উপস্থিত হৈ ঘটনাটোক লৈ শিক্ষয়িত্ৰীগৰাকীৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰাত স্থানীয় বালিচাপৰি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া পলাসজ্যোতি গগৈৰ নেতৃত্বত আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ঘটনাটোক কেন্দ্ৰ কৰি অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ আৰু শিক্ষক-অভিভাৱকৰ মাজৰ সমন্বয়ক লৈও বিভিন্ন মহলত চৰ্চা আৰম্ভ হৈছে। ঘটনাৰ প্ৰকৃত কাৰণ আৰু অভিযোগসমূহৰ সত্যতা তদন্তৰ পাছতহে স্পষ্ট হ'ব।

### ৭২ সংখ্যক বন্যপ্ৰাণী সপ্তাহ-২০২৬ উপলক্ষে 'Certificate of Appreciation' প্ৰদান

## বন্যপ্ৰাণীৰ নিৰাপত্তা আৰু সংৰক্ষণৰ ক্ষেত্ৰত হেলেম থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পংকজ চিতলালৈ অসম চৰকাৰৰ বন মন্ত্ৰীৰ সন্মান




**অসম বাৰ্তা, গহপুৰ, ৭ অক্টোবৰ** ঃ বন্যপ্ৰাণীৰ উপযুক্ত নিৰাপত্তা আৰু সংৰক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা মূল্যৱান অৱদানৰ স্বীকৃতিস্বৰূপে বিশ্বনাথ জিলাৰ SI (UB) তথা হেলেম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পংকজ চিতলাক অসম চৰকাৰৰ বন বিভাগে সন্মানিত কৰিছে। ৭২ সংখ্যক বন্যপ্ৰাণী সপ্তাহ—২০২৬ উপলক্ষে অনুষ্ঠিত বিশেষ কাৰ্যসূচীত বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখনীয় অৱদানৰ বাবে কালি পংকজ চিতলাক "Protection Category"ত Certificate of Appreciation প্ৰদান কৰা হয়। অসম চৰকাৰৰ বন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ হাতৰ পৰা তেওঁ এই সন্মান গ্ৰহণ কৰে পংকজ চিতলাই। বন্যপ্ৰাণীৰ সুৰক্ষা আৰু সংৰক্ষণৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ তথা কৰ্তব্যনিষ্ঠ ভূমিকাৰ স্বীকৃতিস্বৰূপে লাভ কৰা এই সন্মানে আৰক্ষী বিষয়া পংকজ চিতলাৰ কৰ্মদক্ষতাক অধিক উজ্জ্বল কৰি তুলিছে। উল্লেখ্য যে, এগৰাকী গতিশীল আৰু কৰ্তব্যনিষ্ঠ আৰক্ষী বিষয়া হিচাপে পংকজ চিতলাই আৰক্ষীৰ নিয়মীয়া দায়িত্ব পালনৰ সমান্তৰালভাৱে সমাজ আৰু পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁৰ এই সাফল্যত বৃহত্তৰ হেলেম অঞ্চলৰ ৰাইজে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত লাভ কৰা এই স্বীকৃতিয়ে হেলেম অঞ্চললৈও গৌৰৱ কঢ়িয়াই আনিছে।

## চাৰিগাঁৱত মুক্তিযোদ্ধা বংশীধৰ বৰুৱা শৈক্ষিক প্ৰতিভা বঁটা প্ৰদান

**অসম বাৰ্তা, নিমাতীঘাট, ৮ অক্টোবৰ** ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতিষ্ঠাপক সদস্য, ১৯৫১-৫২ বৰ্ষৰ সংঘৰ যোৰহাট জিলাৰ প্ৰথমজন প্ৰধান সম্পাদক, চাৰিগাঁৱৰ বিশিষ্ট মুক্তিযোদ্ধা বংশীধৰ বৰুৱাৰ স্মৃতিত পৰিয়ালে গঠন কৰা ন্যাসৰ নৱম বাৰ্ষিক শৈক্ষিক প্ৰতিভা বঁটা ৪ অক্টোবৰত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চাৰিগাঁও আঞ্চলিক শাখাৰ নামঘৰত প্ৰদান কৰা হয়। গুৰুজনাৰ ৫৭৮ সংখ্যক জন্মজয়ন্তী অনুষ্ঠানৰ মুকলি সভাত ২০২৬ বৰ্ষৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত চাৰিগাঁও মৌজাৰ চৰকাৰী বিদ্যালয়সমূহৰ ভিতৰত অসমীয়া বিষয়ত সৰ্বোচ্চ ৯১ শতাংশ নম্বৰ লাভ কৰি চাৰিগাঁও উচ্চ বালিকা বিদ্যালয়ৰ প্ৰিয়াক্ষী বৰা, অন্তৰীক্ষা শইকীয়া, সুদৰ্শনা ভূঞা আৰু সৰোজিনী দেৱী বালিকা বিদ্যালয়ৰ পল্লৱী নেওগে এই বঁটা লাভ কৰে। বঁটাৰ বাবে আগবঢ়োৱা ১৬, ৫০০ টকা সম বিভাজনেৰে প্ৰতিগৰাকী বঁটা প্ৰাপকক মানপত্ৰ আৰু অংগ বস্ত্ৰৰ সৈতে প্ৰদান কৰা হয়। চাৰিগাঁও আঞ্চলিক শাখাৰ সভাপতি ধীৰেন চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে শাখাৰ উপ-সভাপতি প্ৰদীপ বৰাই। নিৰ্দিষ্ট বক্তা হিচাপে বলমা আঞ্চলিক শাখাৰ প্ৰাক্তন সভাপতি অতুল দলৈ আৰু বিশিষ্ট অতিথি হিচাপে বাহনা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° চেনিৰাম দত্তই অংশ গ্ৰহণ কৰে। সামূহিক বৰগীতেৰে আৰম্ভ হোৱা সভাত আঞ্চলিকৰ বিষয়ববীয়াৰ লগতে দাতা পৰিয়ালৰ বিমান বৰুৱা, দীপাঞ্জলি বৰা, বন্তি বৰুৱা, কস্তুৰী বৰুৱা, কপিল বৰুৱা, ইন্দ্ৰকমল বৰুৱাই অংশগ্ৰহণ কৰে। বংশীধৰ বৰুৱাৰ জীৱন আৰু কৰ্মৰাজিৰ শৈক্ষিক প্ৰতিভা বঁটা সম্পৰ্কে ন্যাস দাতা পৰিয়ালৰ সচিব দীপাঞ্জলি বৰুৱাই ব্যক্ত কৰে। সভাত আঞ্চলিকৰ পাঁচগৰাকী বয়োজ্যেষ্ঠ সংগী শশীধৰ গায়ন, অপূৰ্ব বৈৰাগী, গণেশ দত্ত, কুল দত্ত, বুলু দত্তক সম্বৰ্ধনা জনোৱা হয়। লগতে আঞ্চলিকৰ অন্তৰ্গত শাখাসমূহৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলকো মানপত্ৰৰে অভিনন্দন জনোৱা হয়। সম্পাদক বিপুল চন্দ্ৰ বৰাই শলাগৰ শৰাই আগবঢ়োৱা সভাত শংকৰী নৃত্য প্ৰদৰ্শন কৰা হয়।

## ১০ অক্টোবৰত নতুন দিল্লী ছীল কৰাৰ

(CJP) ই চলোৱা প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত যন্তৰ-মন্তৰৰ চৌপাশে নিৰাপত্তা বেষ্টনী কটকটীয়া কৰি তোলা হৈছে। ৰাজধানী চহৰখনত ২৩ হাজাৰ CAPF জোৱান মোতায়েন কৰা হৈছে। গৃহ মন্ত্ৰালয়ে দিল্লী আৰক্ষীক অতিৰিক্ত ১১০টা CAPF কোম্পানী প্ৰদান কৰিছে। ইয়াৰ ভিতৰত ৮৫টা CRPF, ১০টা SSB, ৭টা RAF, ৭টা ITBP আৰু ১টা CISF কোম্পানী আছে। ৮ অক্টোবৰৰ পৰা ১২ অক্টোবৰলৈ নতুন দিল্লীত মুঠ ২২১টা কোম্পানী মোতায়েন থাকিব। প্ৰতিবাদৰ সময়ত দিল্লী আৰক্ষীৰ প্ৰায় ২০ হাজাৰ আৰক্ষী কৰ্মীকো মোতায়েন কৰা হ'ব। উল্লেখ্য, ১০ অক্টোবৰত যন্তৰ-মন্তৰত প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ নতুন দিল্লী অঞ্চল ছীল কৰি ৰখা হ'ব। দিল্লীৰ সীমান্ত এলেকাসমূহতো আৰক্ষীয়ে নজৰ ৰাখিছে। ১০ অক্টোবৰত নতুন দিল্লীৰ সকলো মেট্ৰ' ষ্টেচন বন্ধ কৰি দিয়াৰ সম্ভাৱনা আছে। লগতে প্ৰয়োজন অনুসৰি নতুন দিল্লীৰ বজাৰসমূহো বন্ধ কৰি দিয়া হ'ব পাৰে। নিৰাপত্তাৰ অংশ হিচাপে বহুস্তৰীয় বেৰিকেডিং কৰা হ'ব, CCTV কেমেৰাৰ জৰিয়তে কণ্ট্ৰ'ল ৰূমৰ পৰা নিৰীক্ষণ চলিব, ঠাইত্ৰ কেমেৰা স্থাপন কৰা হ'ব আৰু ট্ৰত্বত্ৰত্ৰৰ ধাৰা ১৬৩ বলবৎ থাকিব। কোনো ধৰণৰ প্ৰতিবাদ বা লোকৰ সমাবেশৰ অনুমতি দিয়া নহ'ব। ৰে'ল ষ্টেচন আৰু বাছ আস্থানসমূহতো তীক্ষ্ণ নজৰ ৰখা হ'ব। ইপিনে, মুম্বাইৰ শিৱাজী পাৰ্কত হাজাৰ হাজাৰ লোকৰ উপস্থিতিত অনুষ্ঠিত এক বৃহৎ প্ৰতিবাদৰ নেতৃত্ব দিয়াৰ পিছত 'ক'কৰোচ জনতা পাৰ্টি'ৰ প্ৰতিষ্ঠাপক অভিজিৎ দীপকে ১০ অক্টোবৰত দিল্লীৰ যন্তৰ-মন্তৰত বৃহৎ প্ৰতিবাদৰ আহ্বান জনাইছে।

## মহিলা সাংবাদিকক যৌন নিৰ্যাতনৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ

মহিলাই নিজকে সাংবাদিক বুলি পৰিচয় দিছিল। তাৰ পিছতো তেওঁলোকৰ সৈতে অভব্য আচৰণ কৰা বুলি ৪ অক্টোবৰত তেওঁলোকে অভিযোগ দাখিল কৰে। এই সন্দৰ্ভত উপ আৰক্ষী আয়ুক্ত নেহা যাদৱে কয়, "সন্ধিয়া প্ৰায় ৬ বজাত নিজকে সাংবাদিক বুলি পৰিচয় দিয়া তিনিগৰাকী মহিলাই আটক কৰাৰ সময়ত দিল্লী আৰক্ষীৰ বিষয়া আৰু কৰ্মচাৰীয়ে দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰি অভিযোগ দাখিল কৰে। তেওঁলোকৰ অভিযোগ পঞ্জীয়ন কৰা হৈছে, স্বাস্থ্য পৰীক্ষা কৰা হৈছে আৰু বিষয়টো অপৰাধ শাখালৈ প্ৰেৰণ কৰা হৈছে। ।" ইয়াৰ পিছতে ৫ অক্টোবৰত দিল্লী আৰক্ষীয়ে যন্তৰ মন্তৰত তিনিগৰাকী মহিলা সাংবাদিকৰ বিৰুদ্ধে সংঘটিত অভিযুক্ত অসৎ আচৰণৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা প্ৰতিবাদকাৰীক সংসদ ষ্ট্ৰীট থানাৰ বাহিৰৰ পৰা আটক কৰে। আৰক্ষী বিষয়াৰ সৈতে হোৱা সংঘাতৰ বাবেই প্ৰতিবাদকাৰীসকলক আটক কৰা বুলি জনা যায়। প্ৰতিবাদকাৰীসকলৰ এজনে কয় যে তেওঁলোকে সন্ধিয়া ৬ বজাৰ পৰা পুৱা ৬ বজালৈকে এই ঘটনাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। পুৱা ৭ ৰজাত আৰক্ষীয়ে তেওঁলোকক আটক কৰে। কেৱল এফআইআৰ পঞ্জীয়নৰ দাবী জনোৱাৰ পিছতো আৰক্ষীৰ লোকে তেওঁলোকৰ লগত বেয়া ব্যৱহাৰ কৰি জিম্মাত লৈ যায় বুলি প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে। উল্লেখ্য, এই ঘটনাৱলীয়ে ৰাজধানীত আৰক্ষী-প্ৰতিবাদকাৰী সম্পৰ্ক আৰু সাংবাদিকৰ সুৰক্ষা সম্পৰ্কে নতুন প্ৰশ্ন উত্থাপন কৰিছে।

## হোজাইত অসম গ্ৰামীণ বেংক অৱসৰী সন্থাৰ ডিফু আঞ্চলিকৰ পঞ্চম দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, ডবকা, ৮ অক্টোবৰ** ঃ হোজাইত অৱস্থিত হোজাই সাহিত্য সভাৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱন প্ৰেক্ষাগৃহত অসম গ্ৰামীণ বেংক অৱসৰী সন্থা, ডিফু আঞ্চলিক সমিতিৰ পঞ্চম দ্বি-বাৰ্ষিক অধিৱেশন আজি দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। সমবেত সংগীতেৰে আৰম্ভ হোৱা মুকলি সভাৰ মঞ্চত মুখ্য অতিথিক ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। সন্থাৰ সভাপতি, সম্পাদক, উপদেষ্টা মণ্ডলী আৰু বিশিষ্ট অতিথিসকলে আসন গ্ৰহণ কৰাৰ পিছত সন্থাৰ সভাপতি কমৰেড ৰাজেশ্বৰ বে'ই বন্তি প্ৰজ্বলনেৰে অধিৱেশনৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছত ৰাষ্ট্ৰীয়কৃত বেংকৰ সৈতে সমানে সা-সুবিধা প্ৰাপ্তিৰ দাবীত গ্ৰামীণ বেংকৰ দীৰ্ঘদিনীয়া সংগ্ৰাম পৰিচালনা কৰা সদৌ ভাৰত আঞ্চলিক গ্ৰামীণ বেংক কৰ্মচাৰী সন্থাৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক প্ৰয়াত কমৰেড দিলীপ মুখাৰ্জীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। লগতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু অসমৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ প্ৰতিচ্ছবিতো শ্ৰদ্ধাঞ্জলি জনোৱা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিছত সন্থাৰ সাধাৰণ সম্পাদক দিলীপ কুমাৰ সিংহই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আৰু ২০২৪-২০২৬ বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। সভাৰ মাজতে মানৱীয় কাৰ্যসূচী হিচাপে ডিফু আঞ্চলিক সমিতিৰ সদ্য প্ৰয়াত সদস্য গিৰেণ দাসৰ পত্নী লাবণ্য দাসক কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা এককালীন সাহায্য প্ৰদান কৰা হয়। ইয়াৰ লগতে অধিৱেশন উপলক্ষে কমৰেড ননিমা গগৈৰ দ্বাৰা সম্পাদিত স্মৰণিকা "সোঁৱৰণিৰ সুবাস" উন্মোচন কৰা হয়। সভাৰ শেষত পুৰণা সমিতি ভংগ কৰি ২০২৬-২০২৮ বৰ্ষৰ বাবে ২১ জনীয়া এখন শক্তিশালী নতুন সমিতি গঠন কৰা হয় আৰু বিদায়ী সমিতিৰ বিত্তসম্পাদক কমৰেড শৰৎ মহন্তই শলাগৰ শৰাই আগবঢ়োৱাৰ উপৰিও এই অধিৱেশন সফল কৰাত সহায় সহযোগিতা কৰা সকলোকে অধিৱেশনৰ আদৰণি সমিতিৰ সম্পাদক বিমল কুমাৰ নাথে কৃতজ্ঞতা জ্ঞাপন কৰে।

## ২০২৭ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ দিন ঘোষণা

সম্পন্ন হ'ব। জাননী অনুসৰি, প্ৰ-পত্ৰ পূৰণৰ অন্তিম তাৰিখ ১০নৱেম্বৰ। ইয়াৰ উপৰি, প্ৰ-পত্ৰ পূৰণত কোনো ধৰণৰ ভুল থাকিলে শিক্ষাৰ্থীসকলে ১৯ নৱেম্বৰৰ ভিতৰত সেই ভুল শুধৰণি কৰিব পাৰিব। শিক্ষাৰ্থীসকলে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰ-পত্ৰ পূৰণ কৰিব লাগিব বুলি সংসদে জাননীত উল্লেখ কৰিছে। মাচুলৰ ক্ষেত্ৰত জাননীত কোৱা হৈছে যে পৰীক্ষাৰ মাচুল বাবদ প্ৰতিজন শিক্ষাৰ্থীয়ে ৭০০ টকাকৈ দিব লাগিব। ইয়াৰ লগতে ব্যৱহাৰিক পৰীক্ষা আৰু কেন্দ্ৰৰ মাচুলৰ বাবে ৫০০ টকা দিব লাগিব। অৱশ্যে চৰকাৰী বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ বাবে মাচুল ৰেহাই থাকিব। এই সুবিধাৰ জৰিয়তে চৰকাৰী বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে পৰীক্ষাৰ মাচুল পৰিশোধ কৰিব নালাগিব। ASSEB-এ জাৰি কৰা এই জাননীয়ে ২০২৭ ৰৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই থকা শিক্ষাৰ্থীসকলৰ বাবে প্ৰয়োজনীয় তথ্য প্ৰদান কৰিছে। শিক্ষাৰ্থীসকলে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত অনলাইনযোগে প্ৰ-পত্ৰ পূৰণ সম্পন্ন কৰিব লাগিব।

## GST পৰিষদৰ ঐতিহাসিক সিদ্ধান্ত; কৰ

সিদ্ধান্ত লোৱা হৈছে। আন এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তন হিচাপে অপৰাধৰ ক্ষেত্ৰত প্ন্যনতম শাস্তিৰ বিধান উঠাই দিয়া হৈছে। এতিয়াৰে পৰা জৰিমনা, কাৰাদণ্ড অথবা দুয়োটাই প্ৰদান কৰা হ'ব নে নহয়, সেয়া প্ৰতিটো গোচৰৰ পৰিস্থিতি বিবেচনা কৰি সিদ্ধান্ত লোৱা হ'ব। ইয়াৰ লগতে, যিবোৰ ক্ষেত্ৰত নিৰ্দিষ্ট কোনো জৰিমনাৰ বিধান নাই, তেনে ক্ষেত্ৰত প্ৰযোজ্য জৰিমনা ২৫, ০০০ টকাৰ পৰা হ্ৰাস কৰি ১০, ০০০ টকা কৰা হৈছে বুলি বিত্ত মন্ত্ৰালয়ে জনাইছে। জানিব পৰা মতে, কোনো কৰদাতাই বিলম্বৰ সৈতে ৰিটাৰ্ণ দাখিল কৰিলে বা ভুলকৈ কৰ পৰিশোধ কৰিলে তেওঁৰ বিৰুদ্ধে বাকী থকা কৰ আদায়, সুত আৰু অনুপাতিক হাৰত জৰিমনা বিহা হ'ব। অৱশ্যে ইয়াৰ বাহিৰে অতিৰিক্ত কোনো শাস্তিমূলক ব্যৱস্থা লোৱা নহ'ব। ইয়াৰ পূৰ্বে দেশৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানে কঠোৰ কৰ ব্যৱস্থা সন্দৰ্ভত অভিযোগ উত্থাপন কৰি সমগ্ৰ প্ৰক্ৰিয়া অধিক সহজ কৰাৰ আহ্বান জনাইছিল। বৈঠকৰ পাছত সাংবাদিকৰ সমুখত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কয় যে GST-ৰ হাৰত পৰিৱৰ্তন কৰাৰ পৰিৱৰ্তে ব্যৱসায় পৰিচালনা সহজ কৰা আৰু কৰ আইন মানি চলাৰ বোজা হ্ৰাস কৰাৰ লক্ষ্যৰে প্ৰক্ৰিয়াগত সংস্কাৰৰ ওপৰতহে GST পৰিষদে গুৰুত্ব প্ৰদান কৰিছে।

যোগীবাৰীত চিকিৎসালয়লৈ যোৱাৰ পথতে মেজিক বাহনত কন্যা সন্তান জন্ম

# ডিজিটেল ইণ্ডিয়াৰ যুগতো মাজুলীৰ লোহিত খাবলুত বাটতে সন্তান প্ৰসৱ

### জৰাজীৰ্ণ পথ-যোগাযোগে পুনৰ উদঙালে স্বাস্থ্য ব্যৱস্থাৰ ফোঁপোলা স্বৰূপ

**অসম বাৰ্তা, উজনী মাজুলী, ৮ অক্টোবৰ ঃ** একবিংশ শতিকাৰ ডিজিটেল ইণ্ডিয়াৰ যুগতো মাজুলীত যে গ্ৰাম্য পথ-যোগাযোগ ব্যৱস্থাৰ দুৰৱস্থা আৰু জৰুৰীকালীন স্বাস্থ্যসেৱাৰ অভাৱে সাধাৰণ ৰাইজক কিমান জটিল পৰিস্থিতিৰ সন্মুখীন কৰাই আহিছে, তাৰ পুনৰ এক মৰ্মান্তিক ছবি পোহৰলৈ আহিছে। মাজুলীৰ লোহিত খাবলু গাঁও পঞ্চায়তৰ অন্তৰ্গত যোগীবাৰী গাঁৱত আজি এগৰাকী প্ৰসূতিয়ে চিকিৎসালয়লৈ যোৱাৰ পথতে মাল তনা মেজিক বাহনতে সন্তান প্ৰসৱ কৰিবলগীয়া হয়। জানিব পৰা মতে, যোগীবাৰী গাঁৱৰ ৰিতামণি দলে নামৰ প্ৰসূতিগৰাকীৰ আজি পুৱাই প্ৰসৱ বেদনা আৰম্ভ হয়। পৰিয়ালৰ লোকে তেওঁক গড়মূৰৰ পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়লৈ নিয়াৰ বাবে ব্যৱস্থা কৰে। কিন্তু জৰাজীৰ্ণ আৰু বিধ্বস্ত বাট-পথ অতিক্ৰম কৰি চিকিৎসালয়লৈ গৈ থকা অৱস্থাতে পথৰ মাজতে মেজিক বাহনতে প্ৰসূতিগৰাকীয়ে এটি কন্যা সন্তান জন্ম দিবলগীয়া হয়। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, প্ৰসৱ বেদনা আৰম্ভ হোৱাৰ পাছত পৰিয়ালৰ লোকে জৰুৰীকালীন স্বাস্থ্যসেৱাৰ বাবে যোগাযোগ কৰাৰ চেষ্টা কৰিছিল। কিন্তু অঞ্চলটোৰ শোচনীয় পথ-যোগাযোগ ব্যৱস্থাৰ বাবে সময়মতে চিকিৎসালয়লৈ প্ৰসূতিগৰাকীক লৈ যোৱাত যথেষ্ট অসুবিধাৰ সৃষ্টি হয়। ফলত চিকিৎসালয়ত উপস্থিত হোৱাৰ পূৰ্বেই পথৰ মাজতে সন্তান প্ৰসৱৰ দৰে পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাটোৱে পুনৰ এবাৰ মাজুলীৰ লোহিত খাবলু অঞ্চলৰ স্বাস্থ্য আৰু যাতায়াত ব্যৱস্থাৰ ফোঁপোলা স্বৰূপ উদঙাই দিছে। বিশেষকৈ প্ৰসূতি আৰু জৰুৰীকালীন ৰোগীক সময়মতে চিকিৎসালয়লৈ লৈ যোৱাৰ বাবে সুচল পথ-যোগাযোগ আৰু নিৰ্ভৰযোগ্য এম্বুলেন্স সেৱাৰ প্ৰয়োজনীয়তা এনে ঘটনাই পুনৰ স্পষ্ট কৰি তুলিছে। উল্লেখযোগ্য যে লোহিত খাবলু অঞ্চলত পথ-যোগাযোগৰ দুৰৱস্থাৰ বাবে প্ৰসূতিয়ে বাটতে সন্তান প্ৰসৱ কৰিবলগীয়া হোৱা ঘটনা এয়া প্ৰথম নহয়। ইয়াৰ পূৰ্বেও অঞ্চলটোত টুলুঙা নাও, ঠেলা গাড়ী, ঘোঁৰা গাড়ী আৰু ট্ৰেক্টৰ আদিৰে ৰোগী তথা প্ৰসূতিক চিকিৎসালয়লৈ নিয়াৰ লগতে বাটতে সন্তান প্ৰসৱ কৰাৰ একাধিক ঘটনা সংঘটিত হৈ আহিছে। আনকি লোহিত নদীৰ জৰাজীৰ্ণ কাঠৰ দলঙৰ বাবে মৃতদেহ লৈ পথ অৱৰোধ কৰি পকী দলং নিৰ্মাণৰ দাবী জনাবলগীয়া পৰিস্থিতিও সৃষ্টি হৈছিল। পূৰ্বৰ এনে ঘটনাৰ পাছতো অঞ্চলটোৰ যাতায়াত ব্যৱস্থাৰ স্থায়ী সমাধান নোহোৱাত স্থানীয় ৰাইজৰ মাজত ক্ষোভ বৃদ্ধি পাইছে। ৰাইজৰ অভিযোগ, মাজুলীত একাধিক ১০৮ এম্বুলেন্স সেৱা থকাৰ কথা কোৱা হ'লেও লোহিত খাবলুৰ দৰে দুৰ্গম অঞ্চলত জৰুৰী সময়ত সেই সেৱাৰ প্ৰকৃত সুবিধা লাভ কৰাটো এতিয়াও কঠিন হৈ আছে। দেশে উন্নয়নৰ নতুন নতুন পৰ্যায় অতিক্ৰম কৰাৰ সময়তো এগৰাকী গৰ্ভৱতী মহিলাই চিকিৎসালয়লৈ যোৱাৰ পথতে বাহনৰ ওপৰত সন্তান জন্ম দিবলগীয়া হোৱা ঘটনাই মাজুলীৰ গ্ৰাম্য অঞ্চলৰ বাট-পথ আৰু স্বাস্থ্যসেৱাৰ বাস্তৱ ছবিখন পুনৰবাৰ উন্মোচিত কৰিছে। মাতৃ আৰু নৱজাতকৰ জীৱন সুৰক্ষাৰ সৈতে জড়িত এনে বিষয়ত আৰু অধিক পলম নকৰি ফলপ্ৰসূ পদক্ষেপ গ্ৰহণৰ দাবী জনাইছে সচেতন মহলে।

## মধ্যপ্ৰদেশত অনুষ্ঠিত ৰাষ্ট্ৰীয় টাইকোৱাণ্ডো প্ৰতিযোগিতাত পুৰণিগুদামৰ সৃষ্টিৰূপা পৰাশৰৰ স্বৰ্ণ পদক অৰ্জন

**অসম বাৰ্তা, পুৰণিগুদাম, ৮ অক্টোবৰ ঃ** মধ্যপ্ৰদেশৰ ইন্দোৰত অনুষ্ঠিত ৪০ সংখ্যক ৰাষ্ট্ৰীয় টাইকোৱাণ্ডো প্ৰতিযোগিতাত অসমৰ হৈ প্ৰতিনিধিত্ব কৰি সৃষ্টিৰূপা পৰাশৰে অসমৰ লগতে নগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। নগাঁও জিলাৰ "এক্সেলেন্স টাইকোৱণ্ডো একাডেমী"ৰ প্ৰশিক্ষক অংকুৰ বৰাৰ তত্ত্বাৱধানত অসমৰ হৈ প্ৰতিনিধিত্ব কৰি নগাঁও জিলাৰ পুৰণিগুদামৰ সৃষ্টিৰূপা পৰাশৰে কিউৰোগী ছাব-জুনিয়ৰ ৪১ কেজিৰ অনুৰ্ধ্ব শাখাত স্বৰ্ণ পদক লাভ কৰে। উল্লেখ্য যে, সৃষ্টিৰূপা পৰাশৰ পুৰণিগুদাম খাউণ্ডৰ চুকৰ নিবাসী ৰূপাংক খাউণ্ড আৰু পুষ্পাঞ্জলি খাউণ্ডৰ একমাত্ৰ কন্যা তথা ভৰেন খাউণ্ড আৰু জীনা খাউণ্ডৰ নাতিনী। সৃষ্টিৰূপাৰ এই সফলতাত নগাঁও জিলাৰ লগতে বৃহত্তৰ পুৰণিগুদাম অঞ্চলত আনন্দৰ জোৱাৰ উঠিছে।

# পিতৃ-মাতৃৰ সোঁৱৰণত মাজুলী মহাবিদ্যালয়লৈ গ্ৰন্থদান অৱসৰপ্ৰাপ্ত অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান ফটিকদত্ত গোস্বামীৰ



**অসম বাৰ্তা, মাজুলী, ৮ অক্টোবৰ ঃ** পিতৃ মাণিকদত্ত গোস্বামী আৰু মাতৃ সুৰপ্ৰভা দেৱী গোস্বামীৰ পৱিত্ৰ স্মৃতিত পুত্ৰ, অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান, বিশিষ্ট লেখক ফটিকদত্ত গোস্বামীয়ে মাজুলী মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ আগবঢ়ালে নগদ ত্ৰিশ হাজাৰ টকাৰ লগতে স্বৰচিত পোন্ধৰখন গ্ৰন্থৰ উপৰি ব্যক্তিগত পুথিভঁৰালৰ ভালেখিনি মূল্যবান গ্ৰন্থ। অলপতে গোস্বামীয়ে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ পিতৃ মাণিকদত্ত গোস্বামী আৰু মাতৃ সুৰপ্ৰভা দেৱী গোস্বামীৰ স্মৃতিত আলমাৰী ক্ৰয়ৰ বাবে আগবঢ়োৱা ধনৰ চেকৰ লগতে গ্ৰন্থৰ টোপোলাটো মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ হাতত অৰ্পণ কৰে। মাজুলী মহাবিদ্যালয়ে বিগত দহ বছৰে ধাৰাবাহিকভাৱে ৰূপায়ণ কৰি অহা 'গ্ৰন্থদান মহান দান' নামৰ ব্যতিক্ৰমী গ্ৰন্থ-সংগ্ৰহৰ কাৰ্যসূচীত ভাগ লৈ অৱসৰপ্ৰাপ্ত অৰিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান ফটিকদত্ত গোস্বামীয়ে কৰা আমন্ত্ৰণ অনুসৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই ভূগোল বিভাগৰ সহকাৰী অধ্যাপক আচাৰ্য মোহন দাসৰ সৈতে গৈ গুৱাহাটী বামুণীমৈদামৰ পৰাগ চন্দ্ৰ দাস পথত থকা গোস্বামীৰ বাসগৃহৰ পৰা গ্ৰন্থসমূহ সংগ্ৰহ কৰে। অধ্যক্ষগৰাকীয়ে ফটিকদত্ত গোস্বামী আৰু তেওঁৰ সহধৰ্মিণী কুমকুম গোস্বামীক মহাবিদ্যালয় পৰিয়ালৰ হৈ অংগবস্ত্ৰ, মুখা আদিৰে সম্ভাষণ জনায়। গ্ৰন্থসমূহ মহাবিদ্যালয়লৈ অনাৰ পাছতে অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীৰ উদাৰতাৰ প্ৰতি কৃতজ্ঞতা জনাবলৈ আজি মহাবিদ্যালয়ৰ অধ্যক্ষৰ কক্ষত আয়োজিত বিশেষ সভাৰ আঁত ধৰে গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে। সভাত পৌৰোহিত্য কৰি অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই ফটিকদত্ত গোস্বামীয়ে প্ৰদৰ্শন কৰা মহানুভৱতাৰ প্ৰতি মাজুলীবাসীৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে তেওঁৰ বহুমূলীয়া অনুদানে মাজুলীৰ দৰিদ্ৰ শিক্ষাৰ্থীসকলৰ অনেক উপকাৰ সাধিব বুলিও মন্তব্য কৰে। সভাত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ নডেল বিষয়া দেৱজ্যোতি খাটনিয়াৰ, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা, মুখ্য সহায়ক উৎপল বৰুৱা, কৰ্মচাৰী গোটৰ সভাপতি দেৱজিৎ বৰুৱা, সম্পাদক সদানন্দ ৰেগন প্ৰমুখ্যে শিক্ষক-কৰ্মচাৰীসকল উপস্থিত থাকি দাতা ফটিকদত্ত গোস্বামীৰ এনে মহান পদক্ষেপক বিশেষভাৱে প্ৰশংসা কৰে। ফটিকদত্ত গোস্বামীয়ে প্ৰদৰ্শন কৰা এই মহানুভৱতাত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী, ভোগপুৰ সত্ৰৰ অধিকাৰ দত্তদেৱ গোস্বামী, উত্তৰ কমলাবাৰী সত্ৰৰ অধিকাৰ জনাৰ্দনদেৱ গোস্বামী, নতুন কমলাবাৰী সত্ৰৰ অধিকাৰ সত্যজিৎ মহন্ত, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, মহাবিদ্যালয় মহিলা কোষৰ সভানেত্ৰী ড° ৰূপজ্যোতি বৰা, নাৰী সবলীকৰণ কোষৰ সভানেত্ৰী প্ৰণীতা ৰাজখোৱা, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, ৰামধনু শতদল শাখাৰ সভাপতি ডিম্বেশ্বৰ দত্ত, জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা, সম্পাদক সঞ্জীৱ বৰা, জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা, জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূএগ, মাজুলী জিলা ভাওনা সন্মিলনৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকত, ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা, 'আপকু'ৰ ৰাজ্যিক উপ-সভাপতি জীৱন বৰুৱা, মাজুলী জিলা 'আপকু'ৰ সভাপতি ৰঞ্জন বৰা, টুনীনদী সুৰক্ষা আৰু উন্নয়ন সমিতিৰ সভাপতি ড° ৰাজেন চন্দ্ৰ বৰা প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলে মাজুলীবাসীৰ হৈ কৃতজ্ঞতা জনাইছে।

অনুষ্ঠানত মন্ত্ৰী সুশান্ত বৰগোহাঁই, ভূপেন বৰা, মেয়ৰ সৈকত পাত্ৰসহ বিশিষ্ট ব্যক্তি উপস্থিত

# ডিব্ৰুগড়ৰ শিক্ষা মহীয়ান প্ৰয়াত নন্দলাল বৰগোঁহাইৰ স্মৃতিচাৰণ




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ অক্টোবৰ ঃ** ডিব্ৰুগড়ৰ স্বৰ্গীয় নন্দলাল বৰগোহাঁইয়ে শিক্ষাৰ মাধ্যমেৰে সমাজক নেতৃত্ব দিয়াৰ বাবে এক মহান নিদৰ্শন দাঙি ধৰিছিল। একেবাৰে দুখীয়া পৰিয়ালৰ প্ৰত্যেকজনৰ ল'ৰা-ছোৱালীক শিক্ষা আৰু দক্ষতাৰে আগুৱাই নিয়াৰ বাবে তেওঁ নীৰৱচ্ছিন্ন প্ৰচেষ্টা চলাইছিল। ডিব্ৰুগড়ৰ নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত প্ৰতিষ্ঠাপক অধ্যক্ষ, শিক্ষা মহীয়ান নন্দলাল বৰগোহাঁইৰ স্মৃতিচাৰণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি এই গুৰুত্বপূৰ্ণ মন্তব্য কৰে অসম চৰকাৰৰ জলসম্পদ তথা ন্যায় বিভাগৰ মন্ত্ৰী আৰু ডিব্ৰুগড় জিলাৰ অভিভাৱক মন্ত্ৰী সুশান্ত বৰগোহাঁইয়ে। ভাষণত মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা মন্ত্ৰীগৰাকীয়ে প্ৰয়াত নন্দলাল বৰগোহাঁইৰ দূৰদৰ্শী চিন্তাৰ বিষয়ে আলোকপাত কৰি কয় যে বৰ্তমান সময়ত বিশ্বজুৰি যি দক্ষতা বিকাশৰ কথা আলোচনা কৰা হৈছে, সেই ধাৰণা নন্দলাল বৰগোহাঁইয়ে এই মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ আৰম্ভণিতেই অনুধাৱন কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনাৰ উপৰিও বিভিন্ন দক্ষতা বিকাশৰ জৰিয়তে যাতে নিজকে ভৱিষ্যতে সমাজত প্ৰতিষ্ঠিত কৰিব পাৰে, তাৰ বাবে তেওঁ বহুবছৰ আগতেই এই মহাবিদ্যালয়ত এনে ব্যৱস্থা আৰম্ভ কৰিছিল। তেওঁৰ সকলোবোৰ পৰিকল্পনাই আছিল যুৱপ্ৰজন্মৰ সপোনক বাস্তৱায়িত কৰাৰ এক সংগ্ৰাম। ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে যে কেৱল উচ্চ শিক্ষাই নহয়, আত্মবিশ্বাস, প্ৰতিষ্ঠা আৰু উপযুক্ত দক্ষতাইহে আজিৰ সময়ত এখন সুৰক্ষিত সমাজৰ নেতৃত্ব বহন কৰিবলৈ ছাত্ৰ সমাজক সক্ষম কৰি তুলিব। অনুষ্ঠানত মন্ত্ৰী সুশান্ত বৰগোহাঁইয়ে নিজৰ ছাত্ৰ জীৱন আৰু ৰাজনৈতিক যাত্ৰাৰ স্মৃতি ৰোমন্থন কৰে। লগতে তেওঁ এই নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰাৰ অভিজ্ঞতাও ব্যক্ত কৰে। ডিব্ৰুগড়ৰ ভৱিষ্যতৰ উন্নয়নৰ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ নেতৃত্বত ডিব্ৰুগড়ক অসমৰ দ্বিতীয়খন ৰাজধানী হিচাপে গঢ়ি তোলাৰ কাম ক্ষিপ্ৰতাৰে চলি আছে। ইতিমধ্যে মুখ্যমন্ত্ৰী সচিবালয়ৰ কাম আৰম্ভ হৈছে আৰু বিধানসভা ভৱনৰো কাম-কাজো আৰম্ভ হ'বলৈ গৈ আছে। নতুন ৰাস্তা-পদূলি, ষ্টেডিয়াম, উন্নত যাতায়াত ব্যৱস্থাৰে সমৃদ্ধ ডিব্ৰুগড়ৰ পৰিৱেশ আজিৰ পৰা ১০ বছৰ পিছত সম্পূৰ্ণ সলনি হৈ পৰিব। মহাবিদ্যালয়খনৰ বাকী থকা উন্নয়নমূলক কাম-কাজসমূহ সকলোৰে সৈতে আলোচনা কৰি অতি সোনকালে সম্পূৰ্ণ কৰাৰ প্ৰতিশ্ৰুতি দি মন্ত্ৰীগৰাকীয়ে শিক্ষা গুৰু আৰু ছাত্ৰ-ছাত্ৰীসকলক সমাজক সঠিক দিশত আগুৱাই নিবলৈ আহ্বান জনায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মহাবিদ্যালয়খনৰ আৰম্ভণিৰ দিনবোৰৰ কথা ব্যক্ত কৰি বিহপুৰীয়া সমষ্টিৰ বিধায়ক তথা নন্দলাল বৰগোহাঁই স্মৃতি ন্যাসৰ মুখ্য পৃষ্ঠপোষক ভূপেন কুমাৰ বৰাই কয় যে ১৯৯৩ চনত তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাধাৰণ সম্পাদক হৈ থকা সময়তে শিক্ষাবিদ নন্দলাল বৰগোহাঁইয়ে এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ সপোন দেখাৰ কথা তেওঁৰ আগত ব্যক্ত কৰিছিল। ডিব্ৰু মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছতো জিৰণি নলৈ তেওঁ নিজৰ সাঁচতীয়া ধন আৰু একাগ্ৰতাৰে জালান পৰিয়ালৰ পৰা ২ লক্ষাধিক টকাত এই দুবিঘা মাটি কিনি মহাবিদ্যালয়খনৰ ভেঁটি স্থাপন কৰিছিল। একেবাৰে সাধাৰণ জীৱনযাপন কৰা বৰগোহাঁইয়ে জীৱনৰ শেষ সময়লৈকে শিক্ষা সম্প্ৰসাৰণৰ বাবে নিজক উৎসৰ্গা কৰি গৈছিল। বিধায়ক বৰাই উল্লেখ কৰে যে দুখন হাইস্কুল আৰু ডিব্ৰু মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ পাছতো অৱসৰৰ সময়ত শান্ত হৈ নবহি তেওঁ পুনৰ এই নতুন মহাবিদ্যালয়খনৰ বীজ ৰোপণ কৰিছিল। ভাষণ প্ৰসংগত বিধায়কজনে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় যে কেৱল মেধাৱী বা চোকা হ'লেই জীৱনত সাৰ্থকতা নাহে, ইয়াৰ বাবে চৰিত্ৰবান হোৱাটো অত্যন্ত প্ৰয়োজনীয়। ৰামায়ণৰ উদাহৰণ দাঙি ধৰি মেধাৰ লগতে সৎ চৰিত্ৰ গঢ়ি তোলাৰ ওপৰত তেওঁ বক্তব্যত বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। বৰ্তমান যুগৰ মানসিক অস্থিৰতা আৰু ডিজিটেল আত্মনিয়ন্ত্ৰণৰ অভাৱৰ কথা উল্লেখ কৰি বৰাই কয় যে নিজৰ অনিয়ন্ত্ৰিত মগজুটোৱেই মানুহৰ আটাইতকৈ ডাঙৰ শত্ৰু। কলি যুগত আটাইতকৈ ডাঙৰ যুঁজখন মানুহৰ মন আৰু মগজুৰ মাজত চলে। ছাত্ৰ অৱস্থাতেই মন-মগজুক স্থিৰ কৰি সঠিক দিশত নল'লে ভৱিষ্যতে বহু সমস্যাৰ সন্মুখীন হ'বলগীয়া হ'ব পাৰে। শিক্ষকসকলে বিদ্যাৰ্থীৰ অন্তৰ্নিহিত প্ৰতিভা চিনাক্ত কৰি শুদ্ধ পথ দেখুৱাব পাৰে বুলি উল্লেখ কৰি তেওঁ প্ৰত্যেকগৰাকী শিক্ষাৰ্থীকে সঠিক মূল্যবোধেৰে নিজৰ জীৱন গঢ়িবলৈ আৰু ভৱিষ্যতে সমাজ তথা দেশক নেতৃত্ব দিব পৰাকৈ যোগ্য হৈ উঠিবলৈ আহ্বান জনায়। এক উদুলি-মুদুলি পৰিৱেশৰ মাজত নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ত অনুষ্ঠিত হয় এই বিশেষ কাৰ্যসূচী। এন.চি.চি, ঝুমুইৰ নৃত্য আৰু গায়ন-বায়নৰে আমন্ত্ৰিত বিশিষ্ট অতিথিসকলক আদৰি অনাৰ পিছতেই কাৰ্যসূচীৰ আনুষ্ঠানিক শুভাৰম্ভ ঘটে। অনুষ্ঠানৰ প্ৰথমতেই নন্দলাল বৰগোহাঁইৰ সহধৰ্মিনী, ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা তথা পৰিচালনা সমিতিৰ সভাপতি জ্যোতি বৰগোহাঁয়ে নন্দলাল বৰগোহাঁইৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পিছত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে উপস্থিত বিশিষ্ট ব্যক্তিসকলক উষ্ণ সম্বৰ্ধনা জনায়। ছাত্ৰ-ছাত্ৰী সকলে পৰিৱেশন কৰা মহাবিদ্যালয় সমবেত সংগীতে সভাগৃহত এক অনন্য পৰিৱেশৰ সৃষ্টি কৰে। মহাবিদ্যালয়ৰ উপাধ্যক্ষা মানসী গগৈ বৰগোহাঁয়ে আগবঢ়োৱা আদৰণি ভাষণেৰে আৰম্ভ হোৱা সভাখনত জ্যোতি বৰগোহাঁয়ে মহাবিদ্যালয়খন স্থাপনৰ প্ৰাৰম্ভিক দিনবোৰৰ সোণালী স্মৃতি ৰোমন্থন কৰি এক সাৱলীল ভাষণ প্ৰদান কৰে। সমাজসেৱক তথা চি.এ. জ্যোতিপ্ৰসাদ কানৈয়ে নিজৰ বক্তব্য আগবঢ়ায়। নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জীৱানন্দ বৰগোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত এই অনুষ্ঠানত তেওঁৰ বক্তব্যৰ পাছতে ডিব্ৰুগড় দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ তথা স্থানীয় বিধায়ক প্ৰশান্ত ফুকন, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ (স্বায়ত্তশাসিত) মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজবিজ্ঞান বিভাগৰ প্ৰাক্তন প্ৰাধ্যাপক শৰৎ শৰ্মাই নন্দলাল বৰগোহাঁইৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। নৃতত্ত্ব বিভাগৰ অধ্যাপক নিৰঞ্জন বড়াই আঁত ধৰা সভাত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু ডিব্ৰু মহাবিদ্যালয়ৰ কেইবাগৰাকীও প্ৰাক্তন আৰু বৰ্তমানৰ অধ্যাপক-অধ্যাপিকা, অৱসৰপ্ৰাপ্ত শিক্ষকবৃন্দ, বহুসংখ্যক গণ্য-মান্য ব্যক্তিৰ লগতে মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, শিক্ষাৰ্থী আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° দীপা গগৈয়ে শলাগৰ শৰাই আগবঢ়ায়।

# ৩, ৪ আৰু ৫ নৱেম্বৰত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতি টংলাৰ উদ্যোগত অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৮ অক্টোবৰ ঃ** সুধাকণ্ঠ ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতিয়ে সুধাকণ্ঠৰ মৃত্যু দিৱসৰ লগত সংগতি ৰাখি নৱেম্বৰ মাহৰ ৩, ৪ আৰু ৫ তাৰিখে অসম ভিত্তিত তিনিদিনীয়াকৈ 'ভূপেন্দ্ৰ সংগীত' প্ৰতিযোগিতাৰ আয়োজন কৰিছে। টংলাৰ শ্বহীদ সুজিত নাৰ্জাৰী প্ৰেক্ষাগৃহত অনুষ্ঠিত হবলগীয়া ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা সুন্দৰ আৰু সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে টংলা বিধানসভা সমষ্টিৰ বিধায়ক তথা বিশিষ্ট সমাজকৰ্মী বিকন চন্দ্ৰ ডেকাক সভাপতি, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতি টংলাৰ সভাপতি তথা সাংস্কৃতিক কৰ্মী, সাংস্কৃতিক মহাসভা অসমৰ ওদালগুৰি জিলা সমিতিৰ সভাপতি হৰিৰাম দাসক কাৰ্যকৰী সভাপতি, কিৰণময়ী দেৱী, জয়কান্ত শৰ্মা, যতীন কুমাৰ ডেকা আৰু চৈয়দ ফজল হকক উপ-সভাপতি বিশিষ্ট যুৱ সমাজকৰ্মী তথা ক্ষুদ্ৰ চাহ খেতিয়ক প্ৰমোদ হাজৰিকা, প্ৰাক্তন ছাত্ৰ নেতা তথা বিশিষ্ট ব্যৱসায়ী ৰমণী কান্ত শৰ্মাক যুটীয়া সাধাৰণ সম্পাদক, ৰমেশ চন্দ্ৰ ডেকা, বিপুল শৰ্মা (বীৰেশ্বৰ)ক সহকাৰী সম্পাদক, ৰিপিকা ৰাভা ডেকাক সাংস্কৃতিক সম্পাদক হিচাপে লৈ এখনি শক্তিশালী আদৰণি সমিতি গঠন কৰিছে। ইতিমধ্যে প্ৰায় পাঁচ লাখ টকাৰ বাজেট গ্ৰহণ কৰি আদৰণি সমিতিয়ে সুন্দৰ আৰু সফল ৰূপত তিনিদিনীয়া ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা সম্পন্ন কৰাৰ বাবে হাতে কামে লাগি পৰা পৰিলক্ষিত হৈছে। আদৰণি সমিতি আৰু ড° সুধাকণ্ঠ ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতিৰ বিষয়ববীয়া সকলে জানিবলৈ দিয়ামতে প্ৰতিযোগিতাৰ ক-শাখা পাচঁ বছৰৰ পৰা ২০ বছৰলৈ প্ৰথম পুৰস্কাৰ ৭ হাজাৰ টকা, দ্বিতীয় পুৰস্কাৰ ৫ হাজাৰ টকা, আৰু তৃতীয় পুৰস্কাৰ ৩ হাজাৰ টকা। ইয়াৰ উপৰিও উদ্‌গনি বঁটা তিনিজনৰ বাবে এহেজাৰ টকাকৈ তিনি হাজাৰ টকা থাকিব। খ-শাখা ১১ বছৰৰ পৰা ১৬ বছৰলৈ প্ৰথম পুৰস্কাৰ ১৫ হাজাৰ টকা, দ্বিতীয় পুৰস্কাৰ ১২ হাজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ ১০ হাজাৰ টকা। উদ্‌গনি বঁটা তিনি জনৰ বাবে এহেজাৰ টকাকৈ তিনি হাজাৰ টকা থাকিব। গ-শাখাৰ বাবে বয়সৰ সীমা হৈছে ১৭ বছৰ বয়সৰ উৰ্দ্ধৰ ইয়াত প্ৰথম পুৰস্কাৰ ২০ হাজাৰ টকা, দ্বিতীয় পুৰস্কাৰ ১৫ হাজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ ১২ হাজাৰ টকা থাকিব একেধৰণে তিনি জনৰ বাবে উদগনি বঁটা এহেজাৰ টকাকৈ তিনি হাজাৰ টকা থাকিব। উদযাপন সমিতি আৰু আদৰণি সমিতিয়ে প্ৰতিযোগী সকলক ৯১০১৮৩৩৩৯৫, ৮৭৫৩৯৬০৮৯ আৰু ৯৮৫৯২-৯১৭৩২ ফোন নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

আদৰণি সমিতি গঠন ব্যাপক প্ৰস্তুতি

'পৰিয়াল বন্ধুবৰ্গৰ পৰা আঁতৰি থাকিলেই সন্দেহ কৰক'
'নতুন অচিনাকি বন্ধুৰ সংখ্যা বৃদ্ধি পালেই সন্দেহ কৰক'

# ড্ৰাগছ প্ৰতিৰোধৰ বাবে গোলাঘাট নাগৰিক সমাজৰ ব্যতিক্ৰমী পদক্ষেপ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৮ অক্টোবৰ ঃ** 'চকু ৰঙা পৰা বা চকুৰ পানী ওলাই থকা, অতিমাত্ৰা ভোক লগা বা একেবাৰে ভোক নলগা; অনবৰত ভাগৰুৱা হৈ থকা, হঠাৎ ওজন কমি যোৱা, কথাই কথাই অনবৰত খং উঠি থকা, অনবৰত কিবা চিন্তা কৰি থকা, পৰিয়াল, বন্ধু-বান্ধৱৰ পৰা আঁতৰি থাকিবলৈ ভালপোৱা, টকা-পইচাৰ প্ৰয়োজন বেছি হোৱা বিভিন্ন অজুহাতত মাক, দেউতাক বা যাকে তাকে পইচা বিচাৰি থকা, ঘৰত বস্তু সঘনাই হেৰাবলৈ আৰম্ভ কৰিলেই সন্দেহ হ'ব লাগিব যে আপোনাৰ সন্তান ড্ৰাগছৰ প্ৰতি আসক্ত হৈছে। এই সমূহ তথ্য ছপা কৰি গোলাঘাট নাগৰিক সমাজে গোলাঘাট নগৰৰ চুবুৰীয়ে চুবুৰীয়ে বিতৰণ কৰিছে। মাৰাত্মক ড্ৰাগছ প্ৰতিৰোধ কৰাৰ লক্ষ্যৰে আজিৰে এনে প্ৰচাৰ পত্ৰিকা বিতৰণ কৰে। আজি গোলাঘাট চহৰৰ পুৰণা আমোলাপট্টিৰ উমাচৰণ কাকতি ৰাজহুৱা নামঘৰ, বেঙেনাখোৱা গুৰুদ্বাৰা অঞ্চলত বিতৰণ কৰা হয়। উল্লেখ্য যে চিকিৎসকৰ পৰামৰ্শ অনুসৰি গোলাঘাট নাগৰিক সমাজে ড্ৰাগছৰ প্ৰতি প্ৰথম অৱস্থাত যুৱক-যুৱতীসকল কেনেকৈ আসক্ত হয় সেই লক্ষণসমূহ লিপিবদ্ধ কৰি নগৰৰ চুকে কোণে বিতৰণ কৰি ৰাইজক সজাগ কৰাৰ চেষ্টা চলাইছে নাগৰিক মঞ্চৰ সভাপতি কিশোৰ কুমাৰ দত্ত কাৰ্যকৰী সভাপতি সঞ্জীৱ সন্দিকৈ সাধাৰণ সম্পাদক পিকুমণি দত্তই। প্ৰচাৰ পত্ৰিকাখনত আৰু উল্লেখ কৰা হয়- যিজন যুৱক বা যুৱতীৰ নিজৰ বৃত্তি- পঢ়া-শুনা, ব্যৱসায়, সঙ্গীত আদি পূৰ্বৰে পৰা ব্যস্ত থকা কৰ্ম বা সাধনাৰ প্ৰতি আসক্তি কমি যায়, পুৰণা বন্ধুৰ সঙ্গ ত্যাগ কৰে, নতুন অচিনাকি বন্ধুৰ সংখ্যা বৃদ্ধি হয়, মিছা কথাৰ সঘনাই আশ্ৰয় লয়, একেটা কথাকে বাৰে বাৰে কৈ থাকে, কথাৰ কোনো সঙ্গতি নথকা; জিভা ঘূৰাব নোৱাৰি মদাহীৰ দৰে কথা কোৱা কিন্তু মুখত মদৰ গোন্ধ নথকা - ড্ৰাগছ আসক্তিৰ অন্যতম লক্ষণ; নিজৰ কোঠাৰ ভিতৰত থাকিলে দুৱাৰ বন্ধ কৰি ৰখাৰ প্ৰৱণতা, অনাহকত ভয় খাই থকা, কথা পাহৰাৰ প্ৰৱণতা বৃদ্ধি, সঘনাই জ্বৰ, কাহ, পেটৰ সমস্যা আদি হৈ থকা, সৰু সৰু কাগজৰ টোপোলা, দৰবৰ পেকেট, চিৰিঞ্জ, সন্দেহজনক চেনি জাতীয় দ্ৰব্য আদি কাৰোবাৰ কোঠাত দেখা পালে ড্ৰাগছৰ প্ৰতি আসক্ত হোৱা বুলি সন্দেহ কৰিবলৈ আহ্বান জনোৱা হৈছে। লগতে প্ৰচাৰ প্ৰত্ৰখনত এইবোৰ লক্ষণৰ যি কোনো এটা বা ততোধিক দৃষ্টিগোচৰ হ'লে পিতৃ, মাতৃ, অভিভাৱক, শুভাকাংক্ষী বন্ধু-বান্ধৱ সকলোকে সাৱধান হ'বলৈ আহ্বান জনাইছে। কিয়নো এইবোৰ লক্ষণ দেখা দিয়া মানেই আপোনাৰ সন্তান বা বন্ধুজন ড্ৰাগছৰ প্ৰতি আসক্ত হৈছে বুলি ক'ব পাৰি। লাজতে লুকুৱাই ৰাখি নিজৰ সন্তানৰ, বন্ধুৰ জীৱন ধ্বংস হ'বলৈ নিদিবলৈও প্ৰচাৰ পত্ৰখনৰ জৰিয়তে আহ্বান জনোৱা হৈছে।

আনন্দ চাহ বাগিচাৰ পূজাত চলা বৃহৎ জুৱাৰ বিৰুদ্ধে আৰক্ষীক ব্যৱস্থা গ্ৰহণৰ আহ্বান

# দুৰ্গা পূজাৰ উপলক্ষে চাউলধোৱা আৰক্ষী চকীত গাঁওৰক্ষী বাহিনীৰ সভা

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৮ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ বগীনদী থানাৰ অন্তৰ্গত চাউলধোৱা আৰক্ষী চকীত আজি চাউলধোৱা আৰক্ষী চকীৰ অধীনস্থ গাঁওৰক্ষী বাহিনী সমূহৰ এখন সভা অনুষ্ঠিত হয়। সমাগত দুৰ্গা পূজাৰ উপলক্ষে অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে চাউলধোৱা আৰক্ষী চকীৰ অধীনস্থ গাঁওৰক্ষী বাহিনী সমূহৰ সভাপতি দেৱী প্ৰসাদ উপাধ্যায়ে আৰু উদ্দেশ্য ব্যাখ্যা কৰে চাউলধোৱা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অভিজিত গগৈয়ে। পূজাত কোনোধৰণৰ যাতে অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয়, তাৰ বাবে গাঁৱৰক্ষী বাহিনীক নিজৰ দায়িত্ব কটকটীয়া কৰি তুলিবলৈ এই সভাত আৰক্ষী বিষয়া অভিজিত গগৈয়ে আহ্বান জনোৱাৰ লগতে পূজাৰ সুযোগ লৈ কোনো যাতে চুৰি আৰু অপৰাধজনিত ঘটনা সংঘটিত নহয় এই ক্ষেত্ৰত সকলোকে সচেতন হৈ থাকিবলৈ আহ্বান জনাই। আনহাতে, এই সভাতেই আনন্দ বাগান পূজাস্থলীত পূজাৰ উপলক্ষে প্ৰতিবাৰে অনুষ্ঠিত হৈ অহা বৃহৎ জুৱাৰ বজাৰৰ বিৰুদ্ধে এইবাৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষীক সকলোৱে আহ্বান জনাই। উল্লেখযোগ্য যে, আনন্দ চাহ বাগিচাৰ দুৰ্গা পূজাত প্ৰতিবাৰে বৃহৎ জুৱাৰ বজাৰ চলি অহাৰ লগতে এইবৰ্ষতো জুৱাৰ বজাৰ বহোৱাবলৈ যো-জা চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। সভাত চাউলধোৱা আৰক্ষী চকীৰ উপ পৰিদৰ্শক সত্যনাথ কাকতিকে ধৰি বিভিন্ন গাঁৱৰক্ষী বাহিনীৰ বিষয়ববীয়া উপস্থিত থাকে।

## প্ৰথিতযশা অভিনেতা নানা পাটেকাৰৰ

ধৰি তেওঁক কাৰ্ডিয়াক মাছাজ দিয়া হৈছিল, কিন্তু চিকিৎসাৰ কোনো প্ৰতিক্ৰিয়া দেখা নগৈছিল। অৱশেষত চিকিৎসকসকলে তেওঁক মৃত ঘোষণা কৰিবলগীয়া হয়। নানা পাটেকাৰৰ শেষ নিশাটো আছিল অতি কৰুণ। সেই সময়ত তেওঁৰ সৈতে ঘৰত পৰিয়ালৰ কোনো সদস্য নাছিল; আছিল এজন বন্ধু আৰু এজন কেয়াৰটেকাৰ। জানিব পৰা মতে, নিশা প্ৰায় ২.৩০ বজাত নানাই এজন বন্ধুলৈ বাৰ্তা পঠিয়াইছিল যে তেওঁৰ শৰীৰ ভাল লগা নাই। কিন্তু গভীৰ নিশা হোৱা বাবে সেই সময়ত বন্ধুজনে বাৰ্তাটো চোৱা নাছিল। পুৱা প্ৰায় ৪ বজাত বন্ধুজন নানাৰ ঘৰত উপস্থিত হয়। তেতিয়ালৈকে অভিনেতাগৰাকীৰ যথেষ্ট ঘাম ওলাইছিল আৰু স্বাস্থ্যৰ অৱস্থা ক্ৰমে বেয়াৰ ফালে গৈ আছিল। বন্ধুজনে তেওঁক চম্ভালিবলৈ চেষ্টা কৰে, কিন্তু কিছু সময়ৰ পাছতে নানাই সঁহাৰি দিয়া বন্ধ কৰি দিয়ে। লগে লগে হাস্পতালত খবৰ দিয়া হয় আৰু এম্বুলেন্স মাতি পঠিওৱা হয়। হাস্পতালৰ জৰুৰী চিকিৎসা দল নানাৰ ঘৰত উপস্থিত হোৱাৰ সময়ত তেওঁ কোনো ধৰণৰ সঁহাৰি দিয়া নাছিল। চিকিৎসকৰ দলে তৎক্ষণাত CPR আৰু কাৰ্ডিয়াক মাছাজ আৰম্ভ কৰে। ইয়াৰ পাছত পুৱা প্ৰায় ৪.২০ৰ পৰা ৪.৩০ বজাৰ ভিতৰত নানাক মণিপাল হাস্পতাললৈ লৈ যোৱা হয়। হাস্পতালতো চিকিৎসকৰ দলে তেওঁক বচাবলৈ সকলো ধৰণৰ চেষ্টা চলায়; কিন্তু সেই সকলো প্ৰচেষ্টা বিফল হয়। নানা পাটেকাৰ কেৱল এগৰাকী অভিনেতা নাছিল, তেওঁ আছিল এগৰাকী অভিনয়-শিল্পী, যাৰ বাবে অভিনয় মানে বাস্তৱ জীৱনৰ প্ৰতিচ্ছবি। ১৯৭৮ চনৰ 'গমন' ছবিৰ জৰিয়তে তেওঁ চলচ্চিত্ৰ জগতত পদাৰ্পণ কৰে। ১৯৮৯ চনত বিধু বিনোদ চোপ্ৰাৰ 'পৰিন্দা'ত আন্না নামৰ মাফিয়া ডনৰ চৰিত্ৰ ৰূপায়ণ কৰি তেওঁ বিশেষ সফলতা লাভ কৰে। এই ছবিখনৰ বাবে তেওঁ শ্ৰেষ্ঠ সহ-অভিনেতাৰ বঁটা লাভ কৰিছিল। ১৯৯১ চনৰ 'য়শৱন্ত' ছবিত তেওঁৰ সংলাপ-"এক মচ্ছৰ ছালা আদমী কো হিজড়া বনা দেতা হ্যৈ"-আজিও দৰ্শকৰ মনত সজীৱ হৈ আছে। 'প্ৰহাৰ' ছবিখনত এগৰাকী সেনা বিষয়াৰ চৰিত্ৰত তেওঁ দেশপ্ৰেম আৰু সাহসৰ এক বলিষ্ঠ ৰূপ দেখুৱাইছিল। তেওঁ নিজে পৰিচালনা কৰা 'প্ৰহাৰ'ৰ পাছত 'ক্ৰান্তিবীৰ'ত তেওঁৰ সংলাপ-"য়হ মুছলমান কা খুন, য়হ হিন্দু কা খুন... বতা, ইছমে হিন্দু কা কোনছা, মুছলমান কা কোনছা...বতা?" -চিনেমা হলত দৰ্শকক নিস্তব্ধ কৰি তুলিছিল। সঞ্জয় লীলা বাঞ্চালীৰ প্ৰথম পৰিচালনা 'খামোচী-দ্যা মিউজিকেল' (১৯৯৬) ছবিত নানা পাটেকাৰে এগৰাকী কলা-বোবা পিতৃৰ চৰিত্ৰত অনবদ্য অভিনয় কৰিছিল। সদায় নিজৰ বজ্ৰ কণ্ঠৰে ছবিগৃহ ৰজনজনাই থকা নানাই 'খামোচী'ত কোনো সংলাপ নোকোৱাকৈ দৰ্শকৰ হৃদয় জিনিছিল। ২০০৪ চনৰ 'অৱ টক ছপ্পন'ত মুম্বাই আৰক্ষীৰ জীৱনক আধাৰ কৰি তেওঁ আৰক্ষী বিষয়াৰ এক বাস্তৱসন্মত চৰিত্ৰ উপস্থাপন কৰিছিল। কেৱল গম্ভীৰ বা উগ্ৰ চৰিত্ৰই নহয়, 'ৱেলকাম' ছবিৰ উদয় ভাইৰ দৰে কৌতুকপূৰ্ণ চৰিত্ৰতো তেওঁ সমান সফলতা লাভ কৰিছিল। শক্তিশালী মাৰাঠা থিয়েটাৰ জগতৰ বাস্তৱসন্মত অভিনয় (Raw Realism) নানা পাটেকাৰৰ অভিনয়ৰ মূল শক্তি আছিল। ১৯৮০ চনত মঞ্চস্থ হোৱা 'পুৰুষ' তেওঁৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ নাটকসমূহৰ এটা আছিল। বিভিন্ন উৎসৰ তথ্য অনুসৰি, এই মাৰাঠা নাটকৰ ১৯০০টা দৰ্শনী হৈছিল। তেওঁ এগৰাকী মেথড অভিনেতা হিচাপে পৰিচিত আছিল; চৰিত্ৰ অনুসৰি তেওঁ সংলাপৰ স্বৰ ভিন্ন কৰিছিল। তেওঁৰ অভিনয়ত বাস্তৱ জীৱনৰ ছাপ স্পষ্টভাৱে প্ৰতিফলিত হৈছিল। ২০১৬ চনত মহেশ মঞ্জৰেকাৰে পৰিচালনা কৰা মাৰাঠী ছবি 'নটসম্ৰাট'ত নানা পাটেকাৰে মাৰাঠা থিয়েটাৰৰ কিংবদন্তি অভিনেতা গণপত ৰামচন্দ্ৰ বেলৱালকৰ জীৱন-ভিত্তিক চৰিত্ৰ ৰূপায়ণ কৰিছিল। এই ছবিখন মাৰাঠা ছবি উদ্যোগৰ অন্যতম সফল ছবি হিচাপে পৰিগণিত হৈছিল আৰু নানাৰ অভিনয় অনবদ্য আছিল। নানা পাটেকাৰ কেৱল অভিনেতা নাছিল, তেওঁ এগৰাকী মানৱ দৰদী আৰু সমাজৰ প্ৰতি দায়বদ্ধ ব্যক্তি আছিল। 'নাম ফাউণ্ডেশ্যন' (NAAM Foundation)ৰ জৰিয়তে তেওঁ মহাৰাষ্ট্ৰৰ কৃষক আত্মহত্যাৰ বিষয়টোত মনোনিৱেশ কৰিছিল আৰু আৰ্তজন তথা আত্মহত্যা কৰা কৃষক পৰিয়ালক সহায় কৰিছিল। তেওঁ পদ্মশ্ৰী বঁটাৰে বিভূষিত হোৱাৰ লগতে তিনিবাৰকৈ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা আৰু একাধিক ফিল্মফেয়াৰ বঁটা লাভ কৰিছিল। নানা পাটেকাৰৰ আকস্মিক মৃত্যুৰ খবৰে বলীউডৰ লগতে তেওঁৰ অসংখ্য অনুৰাগীক শোকস্তব্ধ কৰি তুলিছে। ছ'চিয়েল মিডিয়াত বহুজনেই অভিনেতাগৰাকীৰ সৈতে জড়িত স্মৃতি আৰু তেওঁৰ অভিনয়ৰ কথা সুঁৱৰিছে। কেইবা দশক ধৰি বিভিন্ন চৰিত্ৰত কৰা শক্তিশালী অভিনয়ে নানাক বলীউডৰ এগৰাকী স্বকীয় অভিনেতা হিচাপে প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ বহু চৰিত্ৰ আৰু সংলাপ আজিও দৰ্শকৰ মনত সজীৱ হৈ আছে।

## দিছপুৰত উজনি অসমৰ বানপীড়িতৰ উত্তাল

বিশাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত সংঘৰ্ষই পৰিস্থিতি উত্তপ্ত কৰি তোলে; ঘটনাত অৰ্ধশতাধিক লোকক আটক কৰা হয়। বৃহস্পতিবাৰে দিছপুৰৰ মন্ত্ৰী কলনীৰ প্ৰৱেশপথৰ সন্মুখত ৰাইজৰ দলৰ কৰ্মী-সমৰ্থকসকল জমা হয়। তেওঁলোকে মন্ত্ৰী কলনীলৈ যোৱাৰ চেষ্টা কৰোঁতে আৰক্ষীয়ে বেৰিকেড প্ৰতিষ্ঠা কৰি বাধা দিয়ে। ইয়াৰ পিছতে উভয় পক্ষৰ মাজত ঠেলা-হেঁচা আৰু সংঘাতৰ সৃষ্টি হয়। আৰক্ষীয়ে প্ৰতিবাদস্থলীৰ পৰা ৰাইজৰ দলৰ আজিজুৰ ৰহমান, অনিল বড়ো, চিত্ত গগৈ, ধৈৰ্য কোঁৱৰ, মস্তাফিজুৰ ৰহমান, ছাত্ৰ মুক্তিৰ অনিন্দিতা দাসকে ধৰি অৰ্ধশতাধিক প্ৰতিবাদকাৰীক আটক কৰে। আটককৃতসকলক দশম অসম আৰক্ষী বাহিনীৰ কাহিলিপাৰাস্থ মুখ্য কাৰ্যালয়ৰ শিবিৰত ৰখা হৈছে। সংঘৰ্ষৰ সময়ত কৃষক মুক্তিৰ সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়াই মূৰত আঘাত পাইছে বুলি জানিব পৰা গৈছে। আনহাতে, ৰাইজৰ দলৰ কৰ্মী অনন্ত আৰন্ধৰাই আৰক্ষীৰ আক্ৰমণত গুপ্তাংগত গুৰুতৰ আঘাত পাইছে বুলি দলটোৰ নেতৃত্বই অভিযোগ কৰিছে। আৰক্ষীয়ে ৰাইজৰ দলৰ নেতা ধৈৰ্য কোঁৱৰকে ধৰি কেইবাজনক টানি-চোঁচৰাই লৈ যোৱাৰ দৃশ্যও প্ৰতিবাদস্থলীত দেখা যায়। এই ঘটনাই দিছপুৰৰ পৰিৱেশ উত্তপ্ত কৰি তোলে। আটকাধীন অৱস্থাত ৰাইজৰ দলৰ নেতা-কৰ্মীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সকীয়নি দি কয় যে বানপীড়িত লোকসকলে ন্যায্য ক্ষতিপূৰণ নোপোৱালৈকে আন্দোলন চলিব। তেওঁলোকৰ অভিযোগ, চৰকাৰে নেপালক বান সাহায্য আগবঢ়াব পাৰে, কিন্তু অসমৰ বানপীড়িতসকলক সহায় কৰিব নোৱাৰে-এই দ্বৈত নীতি কোনোভাৱে গ্ৰহণযোগ্য নহয়। তেওঁলোকে স্পষ্ট কৰে যে হিমন্ত বিশ্ব শৰ্মাক ৰেহাই দিয়া নহ'ব আৰু বানপীড়িতসকলৰ দাবী পূৰণ নোহোৱালৈকে সংগ্ৰাম অব্যাহত থাকিব। ইপিনে, অখিল গগৈয়ে বিধানসভা চৌহদত চলোৱা সত্যাগ্ৰহ সপ্তম দিনতো অটল থাকে। তেওঁৰ অভিযোগ, উজনি অসমৰ বান বিধ্বস্ত জিলা-শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট-১ ৩০ৰ পৰা ৪০ শতাংশ বানপীড়িত পৰিয়ালে এতিয়ালৈকে কোনো সাহায্য লাভ কৰা নাই। আটাইতকৈ ক্ষতিগ্ৰস্ত শিৱসাগৰ আৰু চৰাইদেউত প্ৰতিশ্ৰুত অতিৰিক্ত ১০ হাজাৰ টকাৰ সাহায্য এজনো বানপীড়িতই পোৱা নাই বুলি তেওঁ দাবী কৰে। চাৰিওখন জিলাৰ ভয়াৱহভাৱে ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক ১০ লাখ টকাকৈ ক্ষতিপূৰণ দিব লাগিব বুলি বিধায়কগৰাকীয়ে কয়। বৃহস্পতিবাৰে সংবাদ মাধ্যমৰ আগত অখিল গগৈয়ে কয় যে আজিৰ পৰা তেওঁ অসম চৰকাৰক কোনো ধৰণৰ আহ্বান নজনাব। তেওঁৰ প্ৰতিবাদৰ ১৪৪ ঘণ্টা পূৰ হ'ল বুলি উল্লেখ কৰি তেওঁ অসমৰ ৰাইজক ৰাজপথলৈ ওলাই অহাৰ আহ্বান জনায়। স্বৈৰাতন্ত্ৰৰ বিপক্ষে ৰাইজে নিজে সিদ্ধান্ত ল'ব লাগিব বুলি মন্তব্য কৰি তেওঁ কয় যে চৰকাৰে বানপীড়িতৰ সমস্যা সমাধান নকৰালৈকে তেওঁৰ সত্যাগ্ৰহ অব্যাহত থাকিব। এতিয়া তেওঁ চৰকাৰৰ ওপৰত কোনো ভৰসা নাৰাখি ৰাইজৰ সিদ্ধান্তৰ লগত থাকিব আৰু সেই স্থানৰ পৰাই ধৰ্ণা অব্যাহত ৰাখিব বুলি তেওঁ স্পষ্ট কৰে। ৰাইজৰ দলে ঘোষণা কৰা ৰাজ্যজুৰি জনআন্দোলনৰ অংশ হিচাপে আগন্তুক দিনবোৰতো বানপীড়িতৰ দাবীত প্ৰতিবাদ, সমাবেশ আৰু সত্যাগ্ৰহ চলি থাকিব বুলি দলটোৱে জানিব দিছে।

## গৃহজিলা গোলাঘাটত স্বৰ্ণকন্যা লাভলীনা

আৰু অভিনন্দন জ্ঞাপন কৰে। বোকাখাত সমজিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু সমজিলা প্ৰশাসনৰ সহযোগত আয়োজিত এই সম্বৰ্ধনা অনুষ্ঠানত বোকাখাতৰ শতাধিক সংগঠন আৰু বহু ব্যক্তিয়ে স্বৰ্ণজয়ী বক্সাৰগৰাকীক সন্মান জনায়। বোকাখাত জিলা ক্ৰীড়া সন্থাৰ সভাপতি, বিধায়ক তথা জ্যেষ্ঠ মন্ত্ৰী অতুল বৰাৰ একান্ত সহযোগত আৰু সম্পাদক সঞ্জীৱ শইকীয়াই আঁত ধৰা অনুষ্ঠানত বোকাখাতৰ সকলো জাতীয় সংগঠন, সাংস্কৃতিক আৰু সামাজিক অনুষ্ঠানে লাভলীনাক মৰমেৰে ওপচাই পেলায়। সহস্ৰাধিক অনুৰাগীৰ উপস্থিতিত উৎফুল্ল হৈ লাভলীনাই ৰাইজক উদ্দেশ্য কৰি কয়, "এছিয়ান গেমছত স্বৰ্ণ জয় আপোনালোকৰ আশীৰ্বাদ। মই অলিম্পিকৰ পাছত আপোনালোকক যাতে আকৌ এনেকৈ লগ পাওঁ, সেই আশীৰ্বাদ কৰিব।" তেওঁ কয় যে গোলাঘাটত উপস্থিত হৈ ৰাইজৰ পৰা ইমান মৰম পাই নিজকে সৌভাগ্যৱান বুলি অনুভৱ কৰিছে। মন্ত্ৰী অতুল বৰাই খেলৰ সময়তো তেওঁলোকৰ খবৰ লৈ থাকে বুলি উল্লেখ কৰি লাভলীনাই গোলাঘাটবাসীক ধন্যবাদ জ্ঞাপন কৰে আৰু আগলৈও পদক কঢ়িয়াই আনিবলৈ আশীৰ্বাদ বিচাৰে। আদৰণি ভাষণ প্ৰদান কৰি বোকাখাত ক্ৰীড়া সন্থাৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই কয় যে নিজৰ জন্মদিনৰ দিনাই লাভলীনাই লাভ কৰা এই স্বৰ্ণ পদকে দেশ আৰু জাতিক উজলাই তুলিছে। অনুষ্ঠানত লাভলীনাৰ পিতৃ টিকেন বৰগোহাঁই আৰু মাতৃ মামণি বৰগোহাঁইও উপস্থিত থাকে। ইয়াৰ লগতে বোকাখাত সমজিলা আয়ুক্ত সুজাতা গগৈ, চক্ৰ বিষয়া দেৱাহুতি ডেকা, খণ্ড উন্নয়ন বিষয়া বিহংগী ভাগৱতী দাস, অগপ, বিজেপি আৰু গণশক্তিৰ নেতৃত্বও অনুষ্ঠানত উপস্থিত থাকে। ইপিনে, সৰুপথাৰলৈ আদৰণি জনাবলৈ গোলাঘাটৰ ৰঙাজানত উপস্থিত হয় বিধায়ক বিশ্বজিৎ ফুকন। ৰঙাজানত উপস্থিত হোৱাৰ পাছত বিধায়ক বিশ্বজিৎ ফুকনে লাভলীনা বৰগোহাঁইক গামোচা পিন্ধাই আদৰণি জনায়। ইয়াৰ উপৰি গোলাঘাট জিলা বিজেপিৰ সভাপতি চন্দ্ৰ জ্যোতি ঠাকুৰ, সমাজকৰ্মী দীলিপ শইকীয়া আদিকে ধৰি ভালেসংখ্যক গণ্য-মান্য ব্যক্তিয়ে লাভলীনাক আদৰণি জনায়। লাভলীনাক আদৰণি জনাই বিধায়ক বিশ্বজিৎ ফুকনে কয়, "আজি আমাৰ বাবে সৌভাগ্যৰ দিন। লাভলীনা গোলাঘাটত উপস্থিত হৈছে। আমি সৰুপথাৰ সমষ্টিৰ ৰাইজে আগ্ৰহেৰে আজি দিনটোলৈ বাট চাই আছিলোঁ। আমি খেলুৱৈগৰাকীক আদৰি সৰুপথাৰলৈ লৈ যাম।" আনহাতে, অনুষ্ঠানত লাভলীনাই বিশিষ্ট অভিনেতা নানা পাটেকাৰৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। তেওঁ কয় যে নানা পাটেকাৰৰ মৃত্যুৰ খবৰটো তেওঁ অনুষ্ঠানলৈ অহাৰ আগতে শুনিছে। তেওঁৰ এটা ডাঙৰ সপোন শেষ হৈ গ'ল-নানা পাটেকাৰক এবাৰ লগ পোৱাৰ ইচ্ছা আৰু পূৰণ নহ'ব। লাভলীনাই কয় যে তেওঁ নানা পাটেকাৰৰ অভিনয় দেখি ডাঙৰ হৈছে; তেওঁৰ স্বকীয় শৈলী সকলোৱে জানে। এই মৃত্যু কেৱল ভাৰতীয় চলচ্চিত্ৰ জগতৰ বাবে নহয়, সমগ্ৰ দেশৰ বাবে এক বৃহৎ ক্ষতি। মন্ত্ৰী অতুল বৰায়ো নানা পাটেকাৰৰ বিয়োগত শোক প্ৰকাশ কৰি কয়, "এইটো কেৱল চলচ্চিত্ৰ জগতৰ ক্ষতি নহয়, ই ৰাষ্ট্ৰৰো ক্ষতি। নানা পাটেকাৰক কোনে নাজানে? তেওঁ কি কৰিছিল, কেনে মানুহ আছিল-সকলোৱে জানে।" আগন্তুক দিনত অলিম্পিক আছে বুলি উল্লেখ কৰি লাভলীনা বৰগোহাঁয়ে কয়, "এই স্বৰ্ণপদক লাভ কৰি মই অলিম্পিকলৈ আনন্দ মনেৰে যাব বিচাৰিছোঁ আৰু এইবাৰ স্বৰ্ণপদক অৰ্জন কৰিব পাৰিম বুলি আশা কৰিছোঁ। মোৰ সফলতাৰ বাবে অসমৰ লগতে দেশবাসীক কৃতিত্ব দিম, কাৰণ সকলোৱে আশীৰ্বাদ ডাঙৰ কথা। দেশৰ প্ৰধানমন্ত্ৰীক লগ পোৱাটো আমাৰ বাবে এটা ডাঙৰ মুহূৰ্ত আৰু সেয়া সকলোৰে সপোন। কিন্তু তাৰ পাছতো গুৱাহাটীত উপস্থিত হোৱাৰ পৰাই যি পৰিৱেশ দেখিবলৈ পাইছোঁ, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক লগ পোৱাটো মোৰ বাবে ডাঙৰ কথা।" উল্লেখ্য, লাভলীনা বৰগোহাঁয়ে এছিয়ান গেমছত স্বৰ্ণ পদক জয় কৰি অসমৰ ক্ৰীড়া জগতত নতুন উৎসাহৰ সৃষ্টি কৰিছে। তেওঁৰ এই সাফল্যই ৰাজ্যৰ উদীয়মান খেলুৱৈসকলক অনুপ্ৰাণিত কৰাৰ লগতে আগন্তুক অলিম্পিকত দেশৰ বাবে অধিক সাফল্যৰ আশা জগাইছে।

## SIR বিসংগতিৰ অভিযোগত তৃতীয় দিনাও

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে শান্তিপূৰ্ণ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰাৰ ঘোষণা দিয়ে। মঙলবাৰে নিৰ্বাচন সদনলৈ পদযাত্ৰা আৰু বুধবাৰে যন্তৰ মন্তৰৰ সমীপত প্ৰতিবাদ সাব্যস্ত কৰাৰ পিছত বৃহস্পতিবাৰে বিৰোধী সাংসদসকলে বাছত উঠি ৰাজঘাট অভিমুখে যায়। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আয়োজন কৰা মধ্যাহ্ন ভোজনৰ পিছত তেওঁলোক ৰাজঘাটলৈ ৰাওনা হয়। সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মল্লিকাৰ্জুন খাৰ্গেই কয়, "ইণ্ডিয়া মিত্ৰজোঁটৰ সদস্যসকলে গান্ধী স্মাৰকলৈ গৈ শান্তিপূৰ্ণ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিম। আমি তাত সমবেত হৈ প্ৰাৰ্থনা কৰিম, যাতে বিজেপি চৰকাৰ-বিশেষকৈ প্ৰধানমন্ত্ৰী মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ-এই কথা উপলব্ধি কৰাৰ শুভবুদ্ধি উদয় হয় যে তেওঁলোকৰ এই কাৰ্য জাতিৰ স্বাৰ্থত নহয়। মুদ্ৰাস্ফীতি, যুৱক-যুৱতীসকলে সন্মুখীন হোৱা সমস্যা বা তেওঁলোকে সৃষ্টি কৰা আন যিকোনো সংকট জনস্বাৰ্থৰ বিৰুদ্ধ। সেইবাবেই আমি গান্ধী স্মাৰকলৈ প্ৰাৰ্থনা কৰিবলৈ ওলাইছোঁ।" খাৰ্গেই লগতে কয়, "আমি এই কথা পৰিষ্কাৰ কৰিব বিচাৰো যে আমি নিশ্চিত কৰা স্বাধীনতা, পণ্ডিত জৱাহৰলাল নেহৰু, মহাত্মা গান্ধী, বল্লভভাই পেটেলৰ দৰে মহান নেতাই আমাৰ বাবে অৰ্জন কৰা স্বাধীনতা বিজেপিয়ে কাঢ়ি লৈছে আৰু ইয়াক ধ্বংস কৰাৰ বাবে সকলো প্ৰচেষ্টা চলাইছে। তেওঁলোকে আমাৰ ভোটাধিকাৰ কাঢ়ি লৈছে। আমি তাত গৈ প্ৰাৰ্থনা কৰিম, যাতে তেওঁলোকক জ্ঞানৰ উদয় হয়। এই মহান নেতাসকলে ভোটাধিকাৰকে ধৰি আমাৰ বাবে সুৰক্ষিত কৰা অধিকাৰ আৰু স্বাধীনতাসমূহ আমাৰ পৰা কাঢ়ি লোৱাটো বন্ধ কৰিবলৈ আমি প্ৰতিবাদ সাব্যস্ত কৰিম।" ইপিনে, লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুৰব্বী মোহন ভাগৱতৰ বিৰুদ্ধে অপৰাধমূলক ষড়যন্ত্ৰৰ অভিযোগ উত্থাপন কৰি তেওঁলোকক ন্যায়ৰ কাঠগড়ালৈ অনা হ'ব বুলি দৃঢ়তাৰে কয়। ৰাহুল গান্ধীয়ে কয়, "প্ৰায় ৩০০ সাংসদে শান্তিপূৰ্ণ প্ৰতিবাদ কৰিব বিচাৰিছে। বিগত দুদিন ধৰি আমাক প্ৰতিবাদ কৰিবলৈ দিয়া হোৱা নাই। প্ৰথম দিনাই নিৰ্বাচন আয়োগৰ সন্মুখত আমাক ৰখাই দিলে; পিছদিনা আমাক যন্তৰ মন্তৰৰ ওচৰত বাধা দিয়া হ'ল। আমাৰ মানুহক মাৰপিট কৰা হ'ল। বাস্তৱ সত্যটো হ'ল-নৰেন্দ্ৰ মোদী, অমিত শ্বাহ, জ্ঞানেশ কুমাৰ আৰু মোহন ভাগৱতে অপৰাধমূলক ষড়যন্ত্ৰৰে ভাৰতক হাইজেক কৰি সংবিধান ধ্বংস কৰি 'ভোট চুৰি' কৰিছে। ব্যৱস্থা লোৱা হ'ব, তেওঁলোকক ন্যায়ৰ কাঠগড়ালৈ অনা হ'ব; এইটোৱেই আমাৰ নিশ্চয়তা।" উল্লেখ্য, SIR প্ৰক্ৰিয়াক লৈ বিৰোধী দলসমূহে প্ৰতিবাদ অব্যাহত ৰখাৰ লগতে মুখ্য নিৰ্বাচন আয়ুক্তৰ বিৰুদ্ধে শান্তিপূৰ্ণ ধৰ্ণা কাৰ্যসূচী চলাই আছে। এই প্ৰতিবাদৰ প্ৰেক্ষাপটত ৰাজধানী দিল্লীত নিৰাপত্তা ব্যৱস্থা কঠোৰ কৰি তোলা হৈছে।

## মাজুলী বিশেষ আদালতৰ নাবালিকা

কৰিছিল। এই জঘন্য ঘটনাৰ ফলত কিশোৰীগৰাকী গৰ্ভৱতী হয় আৰু পৰৱৰ্তী সময়ত এটি পুত্ৰ সন্তান জন্ম দিয়ে। ঘটনাটোৱে সেই সময়ত সমগ্ৰ মাজুলীত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। গোচৰটোৰ দীৰ্ঘদিনীয়া শুনানিৰ অন্তত আজি মাজুলী জিলাৰ বিশেষ ন্যায়াধীশে সকলো সাক্ষ্য-প্ৰমাণ আৰু তথ্য পৰ্যালোচনা কৰি অভিযুক্তক দোষী সাব্যস্ত কৰে। আদালতৰ ৰায় অনুসৰি, ভাৰতীয় দণ্ডবিধিৰ ৪৫ৰ ধাৰাৰ অধীনত দোষীক ২ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ১০ হাজাৰ টকা জৰিমনা, অনাদায়ে অতিৰিক্ত ছ মাহৰ কাৰাদণ্ড বিহা হৈছে। ৫০৬ ধাৰাৰ অধীনতো চ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ১০ হাজাৰ টকা জৰিমনা বিহা হয়। আনহাতে, POCSO আইনৰ ছ নং ধাৰা আৰু ভাৰতীয় দণ্ডবিধিৰ (৩৭৬(১)) ধাৰাৰ অধীনত ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ লগতে ১০ হাজাৰ টকা জৰিমনা বিহে আদালতে। ইয়াৰ উপৰিও ভুক্তভোগী নাবালিকাগৰাকীৰ পুনৰ্বাসন আৰু কল্যাণৰ স্বাৰ্থত Victim Compensation Scheme-ৰ অধীনত ৫ লাখ টকা ক্ষতিপূৰণ প্ৰদান কৰিবলৈও আদালতে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। মাজুলী জিলাৰ বিশেষ আদালতৰ এই ৰায়দান নাৰী আৰু শিশুৰ বিৰুদ্ধে সংঘটিত যৌন অপৰাধৰ ক্ষেত্ৰত এক উল্লেখযোগ্য দৃষ্টান্ত হিচাপে বিবেচিত হৈছে।

## প্ৰধানমন্ত্ৰী মোদীৰ দশম ইণ্ডিয়া মোবাইল

ইণ্ডিয়া মোবাইল কংগ্ৰেছ (IMC) ২০২৬ উদ্বোধন কৰে। ৭ অক্টোবৰৰ পৰা চাৰিদিনীয়াকৈ আয়োজিত এই মেগা অনুষ্ঠানত ভাৰতৰ পৰৱৰ্তী ডিজিটেল বিকাশৰ মূল চালক হিচাপে ৫জি, ৬জি, কৃত্ৰিম বুদ্ধিমত্তা (AI), অৰ্ধপৰিবাহী আৰু অন্যান্য উদীয়মান প্ৰযুক্তিৰ ওপৰত আলোকপাত কৰা হৈছে। উদ্বোধনী ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ডিজিটেল ইণ্ডিয়া অভিযানৰ লক্ষ্য হৈছে ডিজিটেল বিভাজন হ্ৰাস কৰি প্ৰযুক্তিক সমাজৰ প্ৰতিটো শ্ৰেণীৰ বাবে সুলভ কৰি তোলা। তেওঁ উল্লেখ কৰে যে এক দশক পূৰ্বে ভাৰতত ডিজিটেল বিভাজন এক ডাঙৰ প্ৰত্যাহ্বান আছিল আৰু আধুনিক প্ৰযুক্তি কেৱল সচ্ছল লোকৰ বাবেহে সুবিধা হৈ পৰিছিল। কিন্তু ডিজিটেল ইণ্ডিয়া অভিযানৰ জৰিয়তে এই অৱস্থা সলনি কৰাৰ সংকল্প লোৱা হয় আৰু ম'বাইল ফোনক ইয়াৰ কেন্দ্ৰবিন্দুত ৰখা হয়। তেওঁ কয় যে এই পদক্ষেপ প্ৰযুক্তিৰ গণতান্ত্ৰিককৰণৰ দিশত এক বৃহৎ প্ৰচেষ্টা। প্ৰধানমন্ত্ৰীয়ে জনায় যে টেলিকম ক্ষেত্ৰত প্ৰয়োজনীয় সংস্কাৰ, আন্তঃগাঁথনি সম্প্ৰসাৰণ আৰু দেশতে ম'বাইল ফোন তথা টেলিকম হাৰ্ডৱেৰৰ উৎপাদনত গুৰুত্ব দিয়া হৈছে। ইয়াৰ ফলত সাধাৰণ নাগৰিকৰ বাবে ম'বাইল ফোন আৰু ডাটাৰ ব্যৱহাৰ অধিক সহজ তথা সুলভ হৈ পৰিছে। তেওঁ কয় যে এতিয়া দেশৰ প্ৰতিখন জিলাত ৫জি সংযোগ উপলব্ধ আৰু সমগ্ৰ ভাৰততে পু.পু লাখৰো অধিক প্ৰুজি বেছ ষ্টেচন কাৰ্যক্ষম হৈ আছে। ২০২২ চনৰ পৰা ম'বাইল ইণ্টাৰনেটৰ গতি দহগুণ বৃদ্ধি পাইছে। ২০২২ চনত IMC মঞ্চৰ পৰাই ভাৰতত ৫জি মুকলি কৰা হৈছিল বুলি স্মৰণ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ২০২৩ চনত তেওঁ প্ৰুজি ৰোলআউটৰ পৰা ৫জি ৰিচ-আউটলৈ পৰিৱৰ্তনৰ কথা কৈছিল। ডিজিটেল সুৰক্ষাৰ প্ৰসংগত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ম'বাইল ফোন আৰু নেটৱৰ্কৰ সুৰক্ষা আমাৰ শীৰ্ষ অগ্ৰাধিকাৰ। চাইবাৰ অপৰাধীয়ে নিজৰ সীমা নেমানে; এদেশত বহি থকা ব্যক্তিয়ে আন এখন দেশৰ সম্পদ ব্যৱহাৰ কৰি তৃতীয় এখন দেশত অপৰাধ সংঘটিত কৰিব পাৰে। সেয়েহে চাইবাৰ সুৰক্ষাৰ বাবে এক বিশ্বব্যাপী কাঠামো স্থাপন কৰাটো অতি প্ৰয়োজনীয় বুলি তেওঁ মন্তব্য কৰে। ক'ভিডৰ সময়ৰ কথা স্মৰণ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে সেই সময়ত বিশ্বৰ বহু কাম স্তব্ধ হৈ পৰিছিল যদিও ভাৰতত কাৰ্যালয়, বেংক আৰু শিক্ষা ব্যৱস্থা অব্যাহত থাকিব পাৰিছিল। এইটো ভাৰতৰ ডিজিটেল পৰিৱেশৰ বাবেই সম্ভৱ হৈছিল। ম'বাইল আৰু ইণ্টাৰনেট সংযোগৰ জৰিয়তে শিক্ষা, স্বাস্থ্যসেৱা, পেমেণ্ট আৰু চৰকাৰী সেৱাসমূহ অবিৰতভাৱে চলি থাকিল। অনলাইন শিক্ষাৰ বাবে 'ডিক্সা' মঞ্চৰ কথা উল্লেখ কৰি তেওঁ কয় যে ২০২২ চনৰ জুলাইলৈকে এই মঞ্চত ৫০০ কোটিৰো অধিক শিকন-অধিৱেশন আৰু প্ৰায় ৬, ০০০ কোটি শিকন-মিনিট ৰেকৰ্ড হৈছিল। এতিয়াৰ লক্ষ্য হৈছে ডিজিটেল তথা অনলাইন শিক্ষা মঞ্চৰ জৰিয়তে প্ৰায় চপ্ত কোটি শিক্ষাৰ্থীক সংযোগ কৰা। IMC 2026 চাৰিটা স্তম্ভৰ ওপৰত আধাৰিত-সৃষ্টি: ভৱিষ্যত নিৰ্মাণ; সহযোগিতা: বৃদ্ধিত ইন্ধন; সবলীকৰণ ঃ সুযোগ সম্প্ৰসাৰণ; আৰু সুৰক্ষা: আস্থা সুদৃঢ় কৰা। এই অনুষ্ঠানৰ ৯টা প্ৰতিষ্ঠিত খণ্ড হ'ল প্ৰুজি আৰু ছজি, পৰৱৰ্তী প্ৰজন্মৰ এআই নেটৱৰ্ক, অৰ্ধপৰিবাহী, অস্থলজ নেটৱৰ্ক, চাইবাৰ সুৰক্ষা, কোৱাণ্টাম যোগাযোগ, উদ্যোগ ৰূপান্তৰ, বৃত্তাকাৰ অৰ্থনীতি তথা ইএছজি, আৰু ইলেক্ট্ৰনিক্স উৎপাদন। ইয়াৰ লগতে চাৰিটা নতুন ক্ষেত্ৰ সংযোজন কৰা হৈছে-স্মাৰ্ট মবিলিটি, ষ্টেডিয়াম অভিজ্ঞতা, ঔদ্যোগিক ৰবটিক্স আৰু পৰিবহণ প্ৰযুক্তি। প্ৰধানমন্ত্ৰী মোদীয়ে এক্সত প্ৰকাশ কৰা বাৰ্তাত কয় যে ভাৰতৰ টেলিকম খণ্ড আত্মনিৰ্ভৰশীলতাৰ দিশে স্থিৰভাৱে আগবাঢ়ি যোৱাটো দেখি উৎসাহিত হোৱা যায়। কেন্দ্ৰীয় তথ্য আৰু প্ৰসাৰণ মন্ত্ৰালয়েও জানিব দিয়ে যে IMC ২০২৬ত প্ৰধানমন্ত্ৰীয়ে ডিজিটেল বিভাজন দূৰ কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ কথা উল্লেখ কৰে। তেওঁ ম'বাইল ফোন আৰু ডাটাৰ ব্যাপক প্ৰৱেশ, টেলিকম সংস্কাৰ তথা ডিজিটেল আন্তঃগাঁথনি সম্প্ৰসাৰণে ভাৰতৰ ডিজিটেল পৰিৱেশক কেনেদৰে সবল কৰি তুলিছে আৰু প্ৰযুক্তিক নাগৰিকৰ বাবে অধিক সুলভ কৰি তুলিছে, সেই বিষয়ে আলোকপাত কৰে।

## শোণিতপুৰত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো

টাইলছ নিৰ্মাণ উদ্যোগে কমেও ৩২৫ গৰাকী লোকক প্ৰত্যক্ষ আৰু সহস্ৰাধিক লোকক পৰোক্ষভাৱে কৰ্মসংস্থাপন দিব। তদুপৰি ই স্থানীয় কেঁচামাল, পৰিবহণকাৰী আৰু যোগানকাৰীক সহায় কৰাৰ লগতে ক্ষুদ্ৰ ব্যৱসায়ক নতুন গতি দিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে জনায় যে এই উদ্যোগে গুজৰাটত কৰ্মৰত বহু দক্ষ অসমীয়া যুৱকক ৰাজ্যলৈ ঘূৰাই আনিবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে অসমৰ সম্পদ, প্ৰতিভা আৰু ঔদ্যোগিকীকৰণক সামৰি লৈ আত্মনিৰ্ভৰ অসম গঢ়াৰ দিশত এয়া এটা শক্তিশালী পদক্ষেপ হিচাপে পৰিগণিত হ'ব। আজিৰ অনুষ্ঠানত বিধায়ক পদ্মা হাজৰিকা উপস্থিত থাকে। ইপিনে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজৰ ফেচবুক পোষ্টত লিখিছে-"আজি শোণিতপুৰৰ জামুগুৰিহাটত দুটাকৈ গুৰুত্বপূৰ্ণ উদ্যোগৰ শুভাৰম্ভ কৰি আনন্দিত হৈছোঁ-এফালে ২৫০ কোটি টকা বিনিয়োগেৰে স্থাপিত 'এলেম্বী চেৰামিকছ'ৰ টাইলছ উৎপাদন উদ্যোগ, আনফালে কন্যকা বিপণন পৰিসৰৰ প্ৰতিদিনে ২০, ০০০ লিটাৰ ক্ষমতাযুক্ত দুগ্ধ সংসাধন প্ৰকল্প।" মুখ্যমন্ত্ৰীয়ে আৰু লিখিছে যে পূব ভাৰতৰ প্ৰথমটো গ্লেজড ভিট্ৰিফাইড টাইলছ উৎপাদন প্ৰকল্প হিচাপে এলেম্বী চেৰামিকছে ৩২৫ৰো অধিক প্ৰত্যক্ষ আৰু প্ৰায় ১, ০০০ৰো অধিক পৰোক্ষ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব। ইমানদিনে বাহিৰৰ পৰা আমদানি কৰা টাইলছ এতিয়া অসমতে উৎপাদন হৈ অসমৰ লগতে সমগ্ৰ পূব ভাৰতৰ বজাৰলৈ যাব। একেদৰে কন্যকাৰ দুগ্ধ সংসাধন প্ৰকল্পই গাখীৰ সংগ্ৰহৰ পৰা আৰম্ভ কৰি প্ৰক্ৰিয়াকৰণ, মূল্য সংযোজন, পেকেজিং আৰু শীতল শৃংখল ব্যৱস্থাপনালৈকে সমগ্ৰ ব্যৱস্থাটোক শক্তিশালী কৰিব। ইয়াৰ জৰিয়তে দুগ্ধ উৎপাদকসকলৰ আয় বৃদ্ধি আৰু গ্ৰাম্য অৰ্থনীতি অধিক সবল হোৱাৰ পথ মুকলি হ'ব। শিল্পৰ পৰা কৰ্মসংস্থাপন, কৃষি আৰু দুগ্ধ খণ্ডৰ পৰা আয়- অসমৰ উন্নয়নৰ এই দুয়োটা ধাৰাক একেলগে আগুৱাই নিয়াৰ সময় এয়া। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ মাটিৰ সৈতে তেওঁলোকৰ সম্পৰ্ক সদায়েই গভীৰ। সেয়েহে কৃষিক আধাৰ কৰি কোনোবাই যেতিয়া এখন শক্তিশালী অৰ্থনীতি গঢ়ি তোলে, তেতিয়া সেয়া বিশেষ আনন্দৰ বিষয় হয়। শোণিতপুৰৰ জামুগুৰিহাটৰ ভৈৰলীপৰীয়া কন্যকা বহুমুখী কৃষি পাম তাৰেই এক সুন্দৰ উদাহৰণ। কৃষিৰ লগতে পশুপালন, মীন পালন আৰু বিশেষকৈ গাখীৰ উৎপাদনক একত্ৰিত কৰি এই পামখনে স্বাৱলম্বিতাৰ এক শক্তিশালী আৰ্হি গঢ়ি তুলিছে। এনে উদ্যোগে কৃষকৰ আয় বৃদ্ধি কৰাৰ লগতে স্থানীয় অৰ্থনীতি আৰু কৰ্মসংস্থাপনকো শক্তিশালী কৰে। অসমৰ কৃষিক্ষেত্ৰত এনে আৰু বহু সফলতাৰ কাহিনী গঢ় লৈ উঠক- এয়াই আমাৰ লক্ষ্য।

## নানা পাটেকাৰৰ বিয়োগত প্ৰধানমন্ত্ৰী

CPR প্ৰদান কৰিছিল যদিও তেওঁক ৰক্ষা কৰিব পৰা নগ'ল। দ্ৰুত শোক প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে নানা পাটেকাৰৰ অভিনয়-দক্ষতা, সৃজনশীলতা আৰু স্বকীয় শৈলীৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয় যে পাটেকাৰে প্ৰতিটো চৰিত্ৰত এক অনন্য বৈচিত্ৰ্য আৰু সৃষ্টিশীলতা সংযোজন কৰিছিল। তেওঁৰ অভিনয়ে সৃষ্টি কৰা চৰিত্ৰসমূহ দীৰ্ঘদিনলৈ দৰ্শকৰ মনত জীয়াই থাকিব। লগতে প্ৰধানমন্ত্ৰীয়ে নানা পাটেকাৰৰ স্পষ্টবাদী স্বভাৱৰ কথাও উল্লেখ কৰে। নিজৰ বিশ্বাস আৰু মতামত প্ৰকাশ কৰিবলৈ তেওঁ কেতিয়াও দ্বিধা নকৰিছিল বুলি মোদীয়ে মন্তব্য কৰে। হিন্দী আৰু মাৰাঠী চলচ্চিত্ৰলৈ পাটেকাৰৰ অৱদান অপৰিসীম বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰীয়ে তেওঁৰ পৰিয়াল, বন্ধু-বান্ধৱ আৰু অগণন অনুৰাগীলৈ সমবেদনা জ্ঞাপন কৰে। ইপিনে, নানা পাটেকাৰৰ মৃত্যুত অসমৰ মুখ্যমন্ত্ৰী ডক্টৰ হিমন্ত বিশ্ব শৰ্মাইও গভীৰ শোক প্ৰকাশ কৰিছে। ছ'চিয়েল মিডিয়াত শোক প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে লিখিছে- "বলিষ্ঠ কণ্ঠ আৰু দুৰ্দান্ত অভিনয়েৰে কোটি কোটি চলচ্চিত্ৰপ্ৰেমীৰ মনত গভীৰ আত্মিক সম্পৰ্ক স্থাপন কৰা নানা পাটেকাৰ ডাঙৰীয়াৰ বিয়োগৰ খবৰটো পাই সঁচাকৈয়ে গভীৰ শোক অনুভৱ কৰিছোঁ। অভিনয়ৰ জৰিয়তে মানুহৰ মনত ইমান গভীৰভাৱে সাঁচ বহুৱাব পৰা শিল্পী খুব কমেই আছে। নানা পাটেকাৰৰ অভিনয়ত সদায়ে এক সুকীয়া শক্তি আছিল। তেখেতৰ কণ্ঠ, সংলাপ কোৱাৰ ধৰণ আৰু প্ৰতিটো চৰিত্ৰক জীৱন্ত কৰি তোলাৰ ক্ষমতা আছিল অসাধাৰণ। ভাৰতীয় চলচ্চিত্ৰলৈ আগবঢ়োৱা তেখেতৰ অনবদ্য অৱদান আৰু তেখেতে সৃষ্টি কৰি যোৱা অসংখ্য স্মৰণীয় চৰিত্ৰ আমাৰ মাজত সদায় জীয়াই থাকিব। এই মহান শিল্পীগৰাকীৰ প্ৰতি মই গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ। আজিৰ এই শোকৰ মুহূৰ্তত তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গ আৰু অগণন গুণমুগ্ধলৈ মোৰ আন্তৰিক সমবেদনা জ্ঞাপন কৰিলোঁ। ওঁম শান্তি।" ১৯৭৮ চনত 'Gaman' ছবিৰ জৰিয়তে চলচ্চিত্ৰ জগতত আত্মপ্ৰকাশ কৰা নানা পাটেকাৰে পৰৱৰ্তী সময়ত 'Parinda', 'Prahaar', 'Krantiveer', 'Khamoshi', 'Ab Tak Chhappan', 'Natsamrat' আদি ছবিত অভিনয় কৰি নিজৰ এক সুকীয়া পৰিচয় গঢ়ি তোলে। হিন্দী আৰু মাৰাঠী চলচ্চিত্ৰ জগতত তেওঁৰ অভিনয়ে বিশেষ প্ৰশংসা লাভ কৰিছিল। তেওঁ তিনিবাৰৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা বিজয়ী আছিল আৰু পদ্মশ্ৰী সন্মানেৰে সন্মানিত হৈছিল। অভিনয়ৰ সমান্তৰালভাৱে তেওঁ বিভিন্ন সামাজিক কাম-কাজৰ সৈতেও জড়িত আছিল। নানা পাটেকাৰৰ মৃত্যুৰ খবৰে ভাৰতীয় চলচ্চিত্ৰ জগতত গভীৰ শোকৰ ছাঁ পেলাইছে। শক্তিশালী অভিনয়, স্বকীয় সংলাপ-উপস্থাপন আৰু ব্যতিক্ৰমী পৰ্দা-উপস্থিতিৰ বাবে তেওঁ দীৰ্ঘদিনলৈ দৰ্শকৰ মনত স্মৰণীয় হৈ থাকিব।

## ৯৩ সংখ্যক ভাৰতীয় বায়ুসেনা দিৱসত

শুভকামনা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও বায়ুসেনাৰ জোৱানসকললৈ শুভেচ্ছা জনাই কয় যে অতি প্ৰত্যাহ্বানজনক পৰিস্থিতিত ভাৰতীয় আকাশ সুৰক্ষিত ৰখাত তেওঁলোকে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ মন্তব্য কৰে যে ভাৰতীয় বায়ুসেনাই সাহস, অনুশাসন আৰু নিখুঁত অভিযানৰ সাৰ্থকতা প্ৰদৰ্শন কৰিছে। প্ৰাকৃতিক দুৰ্যোগৰ সময়তো তেওঁলোকৰ ভূমিকা অতি প্ৰশংসনীয়। তেওঁলোকৰ দায়বদ্ধতা, পেছাদাৰিত্ব আৰু অদম্য মনোভাৱে প্ৰতিজন ভাৰতীয়ক গৌৰৱান্বিত কৰে বুলি প্ৰধানমন্ত্ৰীয়ে কয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভাৰতীয় বায়ুসেনাৰ যোদ্ধাসকলক 'আকাশৰ ৰক্ষক' বুলি প্ৰশংসা কৰি অভিবাদন জনায়। এক্সত তেওঁ লিখে যে বায়ুসেনা দিৱসত আমাৰ আকাশৰ ৰক্ষকসকললৈ উষ্ম শুভেচ্ছা জনালোঁ। এই বাহিনীটোৰ নামেই ভাৰতীয়ৰ হৃদয়ত অপৰিসীম গৌৰৱৰ সৃষ্টি কৰে। ৰাষ্ট্ৰীয় নিৰাপত্তাৰ দায়িত্ব হওক বা প্ৰাকৃতিক দুৰ্যোগৰ সময়ত জীৱন ৰক্ষা কৰাই হওক, ভাৰতীয় বায়ুসেনাই লৌহসদৃশ সাহস আৰু অদম্য দেশপ্ৰেমেৰে মূৰ দাঙি থিয় দি আছে। আজিৰ দিনটোত দেশৰ বাবে পৰম বলিদান দিয়া বাহিনীটোৰ শহীদসকললৈ তেওঁ আন্তৰিক প্ৰণাম জনায়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও বায়ুসেনা দিৱসত শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ গৌৰৱেৰে আকাশ স্পৰ্শ কৰা শব্দগুচ্ছ উল্লেখ কৰি বীৰ সেনাবাহিনীটোক শুভেচ্ছা জনায়। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো ভাৰতীয় বায়ুসেনা দিৱস উপলক্ষে সাহসী বায়ুযোদ্ধাসকলৰ অৱদান স্মৰণ কৰে। এক্সত তেওঁ লিখে, "ভাৰতৰ আকাশ অধিক নিৰাপদ, কাৰণ আমাৰ সাহসী বায়ুযোদ্ধাসকলে ইয়াক পহৰা দিয়ে। ভাৰতীয় বায়ুসেনা দিৱসৰ দিনা ভাৰতীয় বায়ুসেনাৰ সাহস, ত্যাগ আৰু অটল দায়বদ্ধতাক প্ৰণাম জনাইছোঁ। তেওঁলোকৰ সমৰ্পণে প্ৰতিজন ভাৰতীয়ক অনুপ্ৰাণিত কৰি আহিছে। সদায় নিজা মহিমাৰে আকাশ স্পৰ্শ কৰক।" উল্লেখ্য, প্ৰতি বছৰে ৮ অক্টোবৰত ভাৰতীয় বায়ুসেনা দিৱস উদযাপন কৰা হয়। এই দিনটোত বায়ুসেনাৰ জোৱানসকলে দেশৰ সুৰক্ষা আৰু সেৱাত আগবঢ়োৱা ত্যাগ আৰু বীৰত্বক স্মৰণ কৰা হয়।

## কানাডাৰ সাহিত্যিক এন কাৰ্ছনলৈ সাহিত্যৰ

গ্ৰন্থসমূহৰ ভিতৰত 'Autobiography of Red', 'The Beauty of the Husband' আৰু 'Wrong Norma' অন্যতম। তেওঁ প্ৰাচীন গ্ৰীক সাহিত্যৰো অনুবাদ কৰিছে। ইয়াৰ ভিতৰত ছাফো আৰু ইউৰিপিডিছৰ ৰচনাৰ অনুবাদ উল্লেখযোগ্য। সাহিত্যিক জীৱনত তেওঁ কেইবাটাও সন্মানীয় সাহিত্য বঁটা লাভ কৰিছে। তেওঁ মেকগিল বিশ্ববিদ্যালয়, প্ৰিন্সটন বিশ্ববিদ্যালয় আৰু কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়, বাৰ্কলেত ধ্ৰুপদী সাহিত্য আৰু সাহিত্য বিষয়ত অধ্যাপনাও কৰিছে। ১৯৯০ৰ দশকত কাৰছনে তেওঁৰ অন্যতম উল্লেখযোগ্য ৰচনাসমূহ সৃষ্টি কৰে। এই সময়ছোৱাই তেওঁক আন্তঃৰাষ্ট্ৰীয় সাহিত্য জগতত এক স্বকীয় স্থান প্ৰতিষ্ঠা কৰাত বিশেষ ভূমিকা পালন কৰে। ১৯৯০ৰ দশকৰ তেওঁৰ উল্লেখযোগ্য ৰচনাসমূহৰ ভিতৰত অন্যতম আছিল 'The Glass Essay', যিখন ১৯৯৫ চনত প্ৰকাশিত 'Glass, Irony, and God' গ্ৰন্থত অন্তৰ্ভুক্ত হৈছিল। এই ৰচনাখনত বিভিন্ন সাহিত্যিক ধাৰাৰ মাজৰ সীমাৰেখা অস্পষ্ট হৈ পৰিছে আৰু কাৰছনে কেনেদৰে বিভিন্ন লেখনশৈলীৰ মাজত স্বচ্ছন্দে বিচৰণ কৰিব পাৰে, সেয়া প্ৰতিফলিত হৈছে। 1998 চনত প্ৰকাশ পায় আন এখন গুৰুত্বপূৰ্ণ কৃতি 'Autobiography of RedÊ. A Novel in Verse'। এই গ্ৰন্থখনক প্ৰায়ে কাৰছনৰ অন্যতম শ্ৰেষ্ঠ সাহিত্যিক কৃতি হিচাপে অভিহিত কৰা হয়। সমগ্ৰ সাহিত্যিক জীৱনত কাৰছনে সাহিত্যৰ সম্ভাৱনা আৰু পৰম্পৰাগত ৰূপৰ সীমা অতিক্ৰম কৰি লেখাই কেনেদৰে নতুন ৰূপ লাভ কৰিব পাৰে, সেই বিষয়ে অন্বেষণ কৰি আহিছে। ন'বেল বঁটা প্ৰদানকাৰী সংস্থাই উল্লেখ কৰে যে তেওঁ এক সহজ-সৰল আৰু সূক্ষ্ম ভংগীৰে লিখে, আনহাতে লেখাৰ প্ৰক্ৰিয়াটোৱেই তেওঁৰ সাহিত্যিকসত্তাৰ এক কেন্দ্ৰীয় অংশ হৈ পৰিছে। কাৰছনৰ সৃষ্টিশীল কৰ্মৰ পৰিসৰ পৰম্পৰাগত সাহিত্যিক ৰূপৰ মাজতে সীমাবদ্ধ থকা নাই। তেওঁ চিত্ৰশিল্পী, নৃত্য পৰিচালক, অপেৰা পৰিচালক আৰু থিয়েটাৰ পৰিচালকৰ সৈতেও সহযোগিতা আগবঢ়াই আহিছে। ইয়াৰ জৰিয়তে বিভিন্ন কলা মাধ্যমৰ প্ৰতি তেওঁৰ মুকলি দৃষ্টিভংগী প্ৰতিফলিত হৈছে। তেওঁৰ এই সহযোগিতাসমূহে সাহিত্যৰ প্ৰচলিত ধাৰণা আৰু প্ৰতিষ্ঠিত নিয়মৰ প্ৰতি তেওঁৰ স্বাধীন দৃষ্টিভংগী স্পষ্ট কৰে। ফলস্বৰূপে, ১৯৯০ৰ দশকৰ পৰা তেওঁৰ সৃষ্টিশীল কৰ্মই আন্তঃৰাষ্ট্ৰীয় কলা আৰু সাহিত্যৰ ক্ষেত্ৰত এক দীৰ্ঘস্থায়ী প্ৰভাৱ পেলাই আহিছে।

## নতুন দিল্লীত 'সাগৰমন্থন; ৭০খনতকৈ

(ORF)-ৰ যৌথ উদ্যোগত নতুন দিল্লীত তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহ্যমণ্ডিত সামুদ্ৰিক সন্মিলন 'সাগৰমন্থন: দ্য গ্ৰেট অ'শ্বেনছ ডায়েলগ' অনুষ্ঠিত হৈছে। এই অনুষ্ঠানৰ দ্বিতীয় দিনৰ কাৰ্যসূচীত এক সংবাদমেল সম্বোধন কৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপৰিবহণ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কাৰ্যসূচীৰ সফলতা আৰু ভাৰতৰ সামুদ্ৰিক খণ্ডৰ অগ্ৰগতিৰ কথা দাঙি ধৰে। সংবাদমেলত মন্ত্ৰী সোণোৱালে প্ৰকাশ কৰে যে ২০২৬ বৰ্ষৰ এই সাগৰমন্থন অনুষ্ঠানত বিশ্বৰ ৭০খনতকৈ অধিক দেশৰ প্ৰতিনিধি আৰু ১০ জনতকৈ অধিক বিভিন্ন দেশৰ মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত ভাৰতৰ বন্দৰ, জাহাজ আৰু জলপৰিবহণ বিভাগে ন-ন দিগন্তৰ সূচনা কৰি বৈশ্বিক পৰ্যায়ত এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে। জাহাজ পুনৰ ব্যৱহাৰ তথা ৰিসাইক্লিঙৰ (Ship Recycling) দিশত ভাৰতে বিশ্বৰ ভিতৰতে এক নম্বৰ স্থান দখল কৰিছে। অনুষ্ঠানৰ সমান্তৰালভাৱে ভূটান, বেলজিয়াম আৰু ম্যানমাৰৰ দৰে কেবাখনো গুৰুত্বপূৰ্ণ দেশৰ সৈতে ভাৰতৰ দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকসমূহে বাণিজ্য আৰু সামুদ্ৰিক সম্পৰ্ক অধিক সুদৃঢ় কৰিব। কাৰ্গো পৰিবহণ আৰু জলপথ বিকাশৰ জৰিয়তে ভাৰতৰ চুবুৰীয়া দেশসমূহো সমানে উপকৃত হৈছে। সামুদ্ৰিক নিৰাপত্তা সুনিশ্চিত কৰি হৰমুজ প্ৰণালীৰ (Strait of Hormuz) দৰে সংকটাপন্ন অঞ্চলৰ পৰা ভাৰত চৰকাৰে প্ৰায় ৪, ২০০ গৰাকী নাৱিকক সুৰক্ষিতভাৱে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে।

## 'জ্ঞানু গ' বেক' শ্ল'গানেৰে মুখৰিত

দেশৰ জনপ্ৰিয় ইউটিউবাৰ ধ্ৰুৱ ৰাথী আৰু বিশিষ্ট অভিনেতা তথা সক্ৰিয় কৰ্মী প্ৰকাশ ৰাজে অংশগ্ৰহণ কৰি প্ৰতিবাদকাৰীসকলৰ সৈতে নিজৰ কণ্ঠ মিলায়। প্ৰতিবাদকাৰীসকলে 'SIR বাতিল কৰক' আৰু 'জ্ঞানেশ কুমাৰ পদত্যাগ কৰক' আদি শ্ল'গানেৰে ফ্ৰিডম পাৰ্ক চৌদিশে প্ৰতিধ্বনিত কৰি তোলে। আন্দোলনকাৰীসকলৰ মূল দাবী হৈছে-ভোটাৰ তালিকা পুনৰীক্ষণ প্ৰক্ৰিয়াত হোৱা বিসংগতি দূৰ কৰা আৰু নিৰ্বাচন আয়োগৰ স্বচ্ছতা ৰক্ষাৰ স্বাৰ্থত মুখ্য নিৰ্বাচন আয়ুক্তই পদত্যাগ কৰা। পদত্যাগ নকৰালৈকে এই প্ৰতিবাদ শান্ত নহ'ব বুলিও তেওঁলোকে হুংকাৰ দিয়ে। মেগা প্ৰতিবাদী সভাত অংশ লৈ ইউটিউবাৰ ধ্ৰুৱ ৰাথীয়ে কয় যে এই যুঁজখন কোনো নিৰ্দিষ্ট দলৰ নহয়, বৰং দেশৰ প্ৰতিগৰাকী নাগৰিকৰ ভোটাধিকাৰ তথা গণতন্ত্ৰ ৰক্ষাৰ বাবে কৰা এক অপৰিহাৰ্য সংগ্ৰাম। লাখ লাখ বৈধ ভোটাৰৰ নাম কৰ্তন কৰা কাৰ্যক লৈ তেওঁ তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। CJPৰ প্ৰতিষ্ঠাপক অভিজীত দীপকে জনোৱা মতে, ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভুক্তভোগী ভোটাৰসকলে এই গণ আদালতত নিজৰ সাক্ষ্য প্ৰদান কৰিছে। আজিৰ কাৰ্যসূচীৰ অংশ হিচাপে এক 'চাপ্পাল প্ৰতিবাদ' (Chappal Protest)-ও অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। লগতে সংগঠনটোৱে স্পষ্ট কৰি দিয়ে যে এই আন্দোলন কেৱল বেংগালুৰুতেই সীমাবদ্ধ নাথাকিব। অহা ১০ অক্টোবৰ (2026) তাৰিখে নতুন দিল্লীৰ যন্তৰ মন্তৰত মুখ্য নিৰ্বাচন আয়ুক্তৰ পদত্যাগৰ দাবীত এক বৃহৎ ৰাষ্ট্ৰীয় পৰ্যায়ৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। য'ত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা জনতা অংশগ্ৰহণ কৰিব।

# ডুমডুমা চহৰৰ সমস্যা সমাধানৰ দাবীত ডুমডুমা পৌৰসভাৰ পৌৰপতিক ডুমডুমা প্ৰেছ ক্লাবৰ স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৮ অক্টোবৰ ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা পৌৰসভাৰ অন্তৰ্গত বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন সমস্যা সমাধানৰ দাবীৰে যোৱা ৬ অক্টোবৰৰ বিয়লি ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্যৰ হাতত ডুমডুমা প্ৰেছ ক্লাবে চাৰিদফীয়া দাবী সম্বলিত এখন স্মাৰক পত্ৰ প্ৰদান কৰে। উল্লেখযোগ্য যে, ডুমডুমা প্ৰেছ ক্লাবৰ সদ্য সমাপ্ত সপ্তদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰতিনিধি সভাই গ্ৰহণ কৰা ৰাজহুৱা স্বাৰ্থজনিত প্ৰস্তাৱকেইটা স্মাৰক পত্ৰ ৰূপে প্ৰদান কৰা হয়। ক্লাবৰ সভাপতি অনুজ কলিতাৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে প্ৰদান কৰা প্ৰস্তাৱসমূহ হ'ল ক্ৰমে- 'চাহ নগৰী' হিচাপে খ্যাত বৃহত্তৰ ডুমডুমা অঞ্চলৰ বৌদ্ধিক বিকাশৰ অন্যতম স্থলী হ'ল 'ডুমডুমা নগৰ খেলপথাৰ'। এই খেলপথাৰখন সুন্দৰভাৱে খেলাৰ উপযোগীকৈ সংৰক্ষণ কৰি ৰখাতো প্ৰতিজন নাগৰিক তথা অনুষ্ঠান-প্ৰতিষ্ঠানৰ দায়িত্ব। কিন্তু এই খেলপথাৰখনৰ 'কেন্দ্ৰীয় এলেকা' (Core Area)ত পৌৰসভাই সময়ে-সময়ে বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰিবৰ বাবে ডুমডুমা পৌৰসভাই অনুমতি প্ৰদান কৰে। সেয়ে খেলপথাৰখন সংৰক্ষণৰ স্বাৰ্থত কোনো ধৰণৰ অনুষ্ঠান, উৎসৱ আদি যাতে খেলপথাৰখনৰ 'কেন্দ্ৰীয় এলেকা'ত অনুষ্ঠিত কৰিবলৈ অনুমতি প্ৰদান নকৰে তাৰ বাবে ডুমডুমা পৌৰসভাক আহ্বান জনায়। লগতে এই অঞ্চলটোৰ নৱ-প্ৰজন্মক ক্ৰীড়াৰ ক্ষেত্ৰত আগবঢ়াই নিবলৈ পৌৰসভাই বিভিন্ন কাৰ্যপন্থা হাতত লোৱা, প্ৰতি মঙলবাৰে চহৰখনৰ মাজমজিয়াত বহা সাপ্তাহিক বজাৰখন শীঘ্ৰে চহৰৰ মাজৰপৰা ডুমডুমা - দীঘলটৰং গড়কাপ্তানি পথৰ দিশে স্থানান্তৰ কৰাৰ লগতে পৌৰসভা এলেকাত থলুৱা সামগ্ৰী বিক্ৰীৰ বাবে এখন দৈনিক গ্ৰাম্য বজাৰ মুকলি কৰা, ডুমডুমাৰ উচামাটিত পৌৰসভাই এক সুন্দৰ পৰিকল্পনাৰে এটি ৰাজহুৱা বাছ আস্থান নিৰ্মাণ কৰিছিল যদিও উক্ত বাছ আস্থানটোৰ পৰা কোনো ধৰণৰ যাত্ৰীবাহী বাহন চলাচল নকৰে। সেয়ে উক্ত বাছ আস্থানটো কাৰ্যক্ষম কৰি ডুমডুমাৰ পৰা বিভিন্ন ঠাইলৈ যোৱা যাত্ৰীবাহী বাছ, মেজিক, অট' আদি চলাচল কৰা ব্যৱস্থা কৰিব লাগে। লগতে চহৰৰ মাজমজিয়াত থকা গান্ধীমূৰ্তিৰ সমীপৰ ফিল'বাৰী বাছ আস্থান আৰু ৰেল ক্ৰছিঙৰ কাষৰ অস্থায়ী বাছ-মেজিক আস্থানৰ লগতে অট' ষ্টেণ্ডটো উক্ত বাছ আস্থানলৈ নি নগৰখন যান-জঁটৰ পৰা মুক্ত কৰা আৰু ডুমডুমা পৌৰসভাই সৰ্বসাধাৰণ ৰাইজৰ সুবিধাৰ্থে চহৰখনত পদপথ নিৰ্মাণ কৰিছিল যদিও বৰ্তমান সময়ত উক্ত পদপথসমূহত ব্যৱসায়ীসকলে তেওঁলোকৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ সামগ্ৰীৰে পৰিপূৰ্ণ কৰি বেদখল কৰিছে। যাৰ ফলত পথচাৰী সকল অসুবিধাৰ সন্মুখীন হৈছে। সেয়ে পদপথ সমূহ বেদখলকাৰীৰ পৰা মুক্ত কৰি সৰ্বসাধাৰণ ৰাইজৰ সুবিধা কৰি দিলে চহৰখনত সৃষ্টি হোৱা যান-জঁট কিছু হ্ৰাস পাব বুলি উল্লেখ কৰে। উল্লেখ্য যে, ডুমডুমা প্ৰেছ ক্লাবৰ উপদেষ্টা অৰ্জুন বৰুৱা, প্ৰাক্তন সভাপতি মনোজ দত্ত, সম্পাদক মনোজ বৰুৱা আৰু জ্যেষ্ঠ সদস্য ৰাজেশ কুমাৰ প্ৰসাদেৰে গঠিত প্ৰতিনিধি দলটোৱে স্মাৰক পত্ৰখন প্ৰদান কৰি পৌৰপতি কান্তা ভট্টাচাৰ্য আৰু পৌৰসভাৰ কাৰ্যবাহী বিষয়া নিকিতা বৰুৱাৰ লগত ডুমডুমা চহৰখনৰ সন্দৰ্ভত বিভিন্ন আলোচনাত মিলিত হয়। আলোচনাৰ অন্তত ডুমডুমা চহৰখন পৰিপাটিকৈ গঢ়ি তোলাৰ ক্ষেত্ৰত সকলোৰে সহযোগিতাত এক পৰিকল্পনা গ্ৰহণ কৰাৰ লগতে ক্লাবৰ দাবীসমূহ পৰ্যায়ক্ৰমে কাৰ্যকৰী কৰাৰ আশ্বাস প্ৰদান কৰে। উল্লেখযোগ্য যে, ডুমডুমা প্ৰেছক্লাবে এইস্মাৰক পত্ৰৰ প্ৰতিলিপি ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালা, ডুমডুমা সমজিলাৰ আয়ুক্ত নুজহাৎ নাছৰীণ আৰু ডুমডুমা সমজিলাৰ আৰক্ষী অধীক্ষক দিগন্ত দত্তলৈ প্ৰেৰণ কৰে।

### ১৫ অক্টোবৰত তিনিখন গাঁও সামৰি শৈক্ষিক সভা; অভ্যৰ্থনা সমিতি গঠন

# সোণালী জয়ন্তী বৰ্ষত কমলাবাৰী একাডেমীৰ পদক্ষেপ "গাঁৱলৈ যাওঁ ব'লক'

**অসম বাৰ্তা, উজনী মাজুলী, ৮ অক্টোবৰ ঃ** আধাতে বিদ্যালয় এৰা, বাল্য বিবাহ আৰু শিশু শ্ৰমিক ৰোগৰ পৰা সমাজক মুক্ত কৰাৰ প্ৰয়াসক আগুৱাই "গাঁৱলৈ যাও ব'লক" এক কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে মাজুলীৰ এখন বিদ্যালয় কমলাবাৰী একাডেমিয়ে। কমলাবাৰী চাৰিআলিৰ উপকণ্ঠৰ দৰিয়াগাঁৱত অৱস্থিত বিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ সোণালী জয়ন্তী বৰ্ষত আৰম্ভ কৰা এই পদক্ষেপৰ তৃতীয়খনি কাৰ্যসূচী অহা ১৫ অক্টোবৰত ৰূপায়ণ হ'ব। আজি সেই উদ্দেশ্যে বাঁহপৰা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত এখন সাধাৰণ সভাত এখনি অভ্যৰ্থনা সমিতি গঠন হয়। জয়ন্ত পায়েঙক সভাপতি, লিয়াৰ্ড ৰেগনক উপ-সভাপতি, শংকৰজ্যোতি ৰেগনক সম্পাদক ৰূপে গঠিত সমিতিখনত চিআৰচি মনোজ্যোতি ৰেগন, অৰূপ ৰেগন, ঝাৰণী সোণোৱাল, বাঁহপৰা আৰু ৰান্ধনী চুক প্ৰাথমিক বিদ্যালয়ৰ তিনিওগৰাকী প্ৰধান শিক্ষকক উপদেষ্টা ৰূপে মনোনীত কৰে। কমলাবাৰী একাডেমীৰ উদ্যোগত তিনিওখন প্ৰাথমিক বিদ্যালয়ৰ সহযোগত ৰান্ধনী চুক, বাঁহপৰা আৰু ঝাৰণী সোণোৱাল এই তিনিওখন গাঁৱে প্ৰথমবাৰলৈ এনে শৈক্ষিক সভা অনুষ্ঠিত কৰিব। আজিৰ সাধাৰণ সভাখনিতে কমলাবাৰী একাডেমীৰ প্ৰধান শিক্ষক কমল দত্ত, সহ-শিক্ষয়িত্ৰী, ফুলমতী দাস আৰু পম্পী হাজৰিকাই অংশগ্ৰহণ কৰে। সভাত প্ৰধান শিক্ষক দত্তই বিদ্যালয়খনে ৰূপায়ণ কৰি অহা এইলানি কাৰ্যসূচীৰ লক্ষ, উদ্দেশ্য আৰু প্ৰয়োজনীয়তাৰ বিষয়ত বক্তব্য প্ৰদান কৰে। সভাত উপস্থিত থাকি কমলাবাৰী ক্লাষ্টাৰৰ চিআৰচি মনোজ্যোতি ৰেগনে নিজৰ বক্তব্যত কমলাবাৰী একাডেমিৰ এই পদক্ষেপক আদৰণি জনায় আৰু ৰাইজে এশ শতাংশ সহযোগ কৰিবলৈ আহ্বান জনায়, কিয়নো এই পদক্ষেপে আমাৰ ভৱিষ্যত সুৰক্ষিত কৰিব। সচেতন যুৱক জয়ন্ত পায়েঙে বক্তব্যত প্ৰকাশ কৰে, এখন বিদ্যালয়ে গাঁৱৰ মাজলৈ আহি ৰাইজক শিক্ষাৰ প্ৰয়োজনীয়তা, বাল্যবিবাহ, বিদ্যালয় এৰা আদিৰ দৰে বিষয়ত সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা বিষয় কেৱল তাৎপৰ্যপূৰ্ণ নহয় অনুকৰণীয়ও। তেওঁ বিদ্যালয়খনিক পূৰ্ণ সহযোগিতা কৰিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। ১৫ তাৰিখৰ সভালৈ জিলা শিক্ষা বিষয়া, জিলা শিশু কল্যাণ বিষয়া, জিলা আয়ুক্ত, আৰু বিধায়ক মহোদয়কো নিমন্ত্ৰণ কৰা হওক বুলি প্ৰস্তাৱ গ্ৰহণ কৰে। কেউখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সহ বিদ্যায়তনিক প্ৰতিভা প্ৰদৰ্শন, কেউখন গাঁৱৰ মহিলাসকলৰ সাংস্কৃতিক কাৰ্যসূচীও সেইদিনা ৰূপায়ণৰ প্ৰস্তাৱ লয়। সভাত কমলাবাৰী একাডেমিৰ পৰিচালনা সমিতিৰ সভাপতি অৰূপ ৰেগন, কমল পায়েং, শংকৰ ৰেগন, নগেন ৰেগন, জয়ামণি ৰেগন, চেমনীয়াই ৰেগন, ৰাজুমণি ৰেগন, উনালী ৰেগন, জানমণি ৰেগন, কৰবী ৰেগন, চয়নিকা ৰেগন, অৰ্চনা ৰেগন, লক্ষ্মীমতি ৰেগন, প্ৰতীমা পায়েং, অমিয়া ৰেগন, জোনপ্ৰভা ৰেগন, ৰেণুমাই ৰেগন, মণিষা ৰেগন, মেনকা ৰেগন, জুনুমাই ৰেগন, তৰামাই ৰেগন, বীনা ৰেগন আৰু মণি ৰেগনে অংশগ্ৰহণ কৰে।

# চেলেংহাটত আবকাৰীৰ বৃহৎ অভিযান

## চুৰাং ব্যৱসায়ী আহিদুৰ ওৰফে গোলাম আলীৰ ঘৰৰ পৰা ৯০ টিন আৰু ১০ বস্তা লালী গুৰ জব্দ

### পলাতক কুখ্যাত গোলাম আলি

**অসম বাৰ্তা, চেলেংহাট, ৮ অক্টোবৰ ঃ** যোৰহাট জিলাৰ চেলেংহাট অঞ্চলত আবকাৰী বিভাগে আজি এক বৃহৎ অভিযান চলাই বুজন পৰিমাণৰ চুলাই মদ প্ৰস্তুত কৰা লালী গুৰ জব্দ কৰিবলৈ সক্ষম হয়। চেলেংহাট কলিয়াপানীৰ সমীপৰ হাটখোলাস্থিত আহিদুৰ আলি ওৰফে গোলাম আলি নামৰ কুখ্যাত ব্যৱসায়ীটোৰ গৃহৰ পৰা ৯০ টিন আৰু ১০ বস্তা লালিগুৰ উদ্ধাৰ কৰে অভিযানকাৰী দলটোৱে। আহিদুৰ ওৰফে গোলাম আলি বৰ্তমান পলাতক বুলি জানিব পৰা গৈছে। উল্লখযোগ্য যে দীৰ্ঘদিন ধৰি চেলেংহাট অঞ্চলত অবৈধভাৱে মাৰাত্মক চুলাই মদ প্ৰস্তুত কৰা লালী গুৰৰ সৰবৰাহ চলি থকাৰ বাতৰি সংবাদ মাধ্যমত প্ৰকাশ পাই আহিছিল। এক অভিযোগ অনুসৰি, এটা চক্ৰই প্ৰশাসন আৰু বিভাগীয় কৰ্তৃপক্ষক মেনেজ কৰি এই অবৈধ ব্যৱসায় চলাই আহিছিল। কিছু সূত্ৰই দাবী কৰা অনুসৰি লালী গুৰৰ অবৈধ সাম্ৰাজ্যৰ একচ্ছত্ৰী সম্ৰাট গোলাম আলিয়ে শিৱসাগৰ জিলাৰ আমগুৰিৰ কাষৰীয়া অঞ্চলতো অবৈধ লালী গুৰৰ সৰবৰাহ কৰি আহিছে। এনে সময়তে যোৰহাট জিলা আবকাৰী অধীক্ষক শিবাশীষ পালৰ নিৰ্দেশত টিয়ক আবকাৰী পৰিদৰ্শক নিৰঞ্জন দাসৰ নেতৃত্বত যোৰহাট সদৰ আবকাৰী বিভাগ আৰু টিয়ক আবকাৰী বিভাগৰ এটা যুটীয়া দলে এই বিশেষ অভিযান চলায়। উল্লেখ্য যে আহিদুৰ আলি ওৰফে গোলাম আলিয়ে চেলেংহাটত বিগত কেইবাবছৰো ধৰি এনে চুলাই মদ প্ৰস্তুত কৰা লালী গুৰৰ সৰবৰাহ অব্যাহত ৰাখিছে। পূৰ্বেও তেওঁৰ বাসগৃহত আবকাৰী বিভাগে একাধিকবাৰ অভিযান চলাই আপত্তিজনক সামগ্ৰী জব্দ কৰাৰ লগতে আহিদুৰ ওৰফে গোলাম আলিক আটকো কৰিছিল। পৰৱৰ্তী কালত আহিদুৰ ওৰফে গোলাম আলিয়ে পুনৰ তেওঁ এই ব্যৱসায় চলাই যোৱাটো তাৎপৰ্যপূৰ্ণ। আজিৰ ঘটনাৰ পিছতে এতিয়া আহিদুৰ আলি ওৰফে গোলাম আলিৰ মূৰত কাৰ আশীৰ্বাদ আছে, তাক লৈ চেলেংহাটবাসীৰ মাজত তীব্ৰ প্ৰশ্ন আৰু চৰ্চাৰ সৃষ্টি হৈছে।

# শ্বপিং মলত ৰেহাই মূল্যত খাদ্য-সামগ্ৰী ক্ৰয় কৰোঁতে সাৱধান

### বৰপেটাৰোডত পেকেট খাদ্যত ওলাল ভেঁকুৰ

**অসম বাৰ্তা, বৰপেটাৰোড, ৮ অক্টোবৰ ঃ** শ্বপিং মলৰ পৰা ৰেহাই মূল্যত অন্য খোৱা বস্তু বা স্ন্যা' কিনি সন্তানক খুৱাই থকা সকললৈ যেন এক চাঞ্চল্য-উদ্বেগজনক খবৰ ওলাইছে বৰপেটাৰোডত। বৰপেটাৰোডৰ স্মাৰ্ট বজাৰৰ পৰা ক্ৰয় কৰা নামী কোম্পানীৰ পেকেটবন্দী আলুৰ স্ন্যা'ত ভেঁকুৰ পোৱাৰ ঘটনাই গ্ৰাহকৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, স্থানীয় এগৰাকী মহিলাই স্মাৰ্ট বজাৰৰ পৰা McCain কোম্পানীৰ আলুৰ ভেৰাইটি পেকেট (Variety Pack) ক্ৰয় কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত পেকেটটো খুলি খাবলৈ লোৱাৰ সময়তেই পেকেটৰ ভিতৰৰ খাদ্য সামগ্ৰীত ভেঁকুৰ জমা হৈ থকা প্ৰত্যক্ষ কৰে মহিলাগৰাকীয়ে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল যে পেকেটটোৰ ম্যাদ (Expiry date) উকলি যোৱা নাছিল। অভিযোগ উত্থাপন হৈছে যে একাংশ নামধাম থকা শ্বপিং মলে গ্ৰাহকক আকৰ্ষিত কৰিবলৈ এনেধৰণৰ খাদ্য সামগ্ৰী ৰেহাইমূল্যত বিক্ৰী কৰি জনসাধাৰণৰ স্বাস্থ্যৰ লগত খেলা কৰি আহিছে। এনে অৱস্থাত বজাৰৰ পৰা পেকেটবন্দী খাদ্য সামগ্ৰী ক্ৰয় কৰাৰ সময়ত সাধাৰণ ৰাইজক অধিক সতৰ্ক আৰু সাৱধান হ'বলৈ সচেতন মহলে আহ্বান জনাইছে।

## কোম্পানীক ইউনিফৰ্ম সমূহ ঘূৰাই লৈ যাবলৈ আৰু ছাত্ৰ-ছাত্ৰীৰ উপযুক্ত ব্যৱহাৰ হোৱাকৈ ইউনিফৰ্ম দিবলৈ দাবী সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদৰ

# চৰকাৰী শিক্ষানুষ্ঠানত বস্তাই বস্তাই পৰি আছে ইউনিফৰ্ম

**অসম বাৰ্তা, জিনজিয়া, ৮ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰে চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া ইউনিফৰ্ম যোগান ধৰাৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে। কিন্তু এইবাৰ ইউনিফৰ্ম যোগানৰ দায়িত্ব কেন্দ্ৰীয়ভাৱে এটা কোম্পানীক অৰ্পণ কৰাৰ পাচত বিশ্বনাথ জিলাৰ একাংশ বিদ্যালয়ত সৃষ্টি হৈছে ব্যাপক সমস্যাৰ। নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন আৰু জোখৰ সৈতে সংগতি নথকা ইউনিফৰ্ম যোগান ধৰাৰ ফলত বহু বিদ্যালয়ত এতিয়া বস্তাই বস্তাই ইউনিফৰ্ম পৰি থকাৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি পূৰ্বৰ ব্যৱস্থাৰ দৰে সংশ্লিষ্ট বিদ্যালয়ত উপস্থিত হৈ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ জোখ-মাপ গ্ৰহণ নকৰাকৈয়ে কোম্পানীয়ে ইউনিফৰ্ম প্ৰস্তুত কৰি বিদ্যালয় সমূহলৈ প্ৰেৰণ কৰিছে। ফলত বহু বিদ্যালয়ত যোগান ধৰা ইউনিফৰ্ম ছাত্ৰ-ছাত্ৰীসকলৰ শৰীৰৰ জোখৰ সৈতে মিল নোখোৱাত সেইসমূহ ব্যৱহাৰ কৰিব পৰা হোৱা নাই। একাংশ বিদ্যালয়ত নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনতকৈ ডাঙৰ, আনহাতে কোনো কোনো বিদ্যালয়ত সৰু জোখৰ ইউনিফৰ্ম যোগান ধৰাৰ অভিযোগ উঠিছে। কেৱল জোখ-মাপৰ সমস্যাই নহয়, একাংশ বিদ্যালয়ে যোগান ধৰা ইউনিফৰ্মৰ কাপোৰৰ মানক লৈও অসন্তুষ্টি প্ৰকাশ কৰিছে। কিছুক্ষেত্ৰত অতি নিম্নমানৰ কাপোৰ যোগান ধৰাৰো অভিযোগ উত্থাপন হৈছে। এই সমগ্ৰ বিষয়টোৰ এক নিৰপেক্ষ তদন্তৰ দাবী জনাইছে সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ অসম বিশ্বনাথ জিলা সমিতি লগতে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে। নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে চৰকাৰীভাৱে লাভ কৰিবলগীয়া ইউনিফৰ্মৰ পৰা বঞ্চিত নহয়, তাৰ বাবে শিক্ষা বিভাগক তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে। লগতে ভুলকৈ যোগান ধৰা ইউনিফৰ্মসমূহ শীঘ্ৰে উঠাই নি প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুসৰি উপযুক্ত ইউনিফৰ্ম যোগান ধৰিবলৈও দাবী জনোৱা হৈছে। সমগ্ৰ বিষয়টোত শিক্ষা মন্ত্ৰী আৰু বিশ্বনাথ জিলা আয়ুক্তৰ তাৎক্ষণিক হস্তক্ষেপ কামনা কৰিছে সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ অসম বিশ্বনাথ জিলা সমিতি।

# ডিব্ৰুগড়ৰ সাহসী বনকৰ্মী জিতু হাজৰিকাক বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ বিশেষ সম্বৰ্দ্ধনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ অক্টোবৰ ঃ** ডিব্ৰুগড় মহানগৰ তথা ইয়াৰ উপকণ্ঠ অঞ্চলসমূহত সৰ্প আতঙ্কই দেখা দিলেই যিগৰাকী ব্যক্তিৰ মুখখন প্ৰথমেই মনলৈ আহে-তেওঁৱেই হৈছে ডিব্ৰুগড় বনাঞ্চলিক কাৰ্যালয়ৰ দক্ষ তথা সাহসী বনকৰ্মী জিতু হাজৰিকা। মোহনাঘাটৰ এইগৰাকী নিষ্ঠাবান কৰ্মীয়ে নিজৰ প্ৰাণকো তুচ্ছজ্ঞান কৰি মানুহ আৰু বন্যপ্ৰাণী- দুয়োৰে সুৰক্ষা সুনিশ্চিত কৰি আহিছে। কৰ্তব্যৰ উপৰি এক সংস্কাৰ: যেতিয়াই কোনো লোকৰ গৃহ বা চৌহদত সাপ ওলায়, খবৰ পোৱাৰ মুহূৰ্ততে ঘটনাস্থলীত উপস্থিত হয় জিতু হাজৰিকা। সাপক অকণো আঘাত নকৰাকৈ সুৰক্ষিতভাৱে উদ্ধাৰ কৰি তেওঁ পৰৱৰ্তী সময়ত গৈ উপযুক্ত প্ৰাকৃতিক পৰিৱেশত বনাঞ্চলত মুকলি কৰি দিয়ে। "সাপ দেখিলে আতংকিত নহ'ব, তাক হত্যা নকৰি প্ৰশিক্ষিত উদ্ধাৰকাৰী বা বন বিভাগক খবৰ দিয়ক"- এই বাৰ্তাৰে তেওঁ নিৰন্তৰভাৱে ৰাইজৰ মাজত সচেতনতা বৃদ্ধি কৰি আহিছে। পৰিৱেশ তন্ত্ৰত সাপৰ গুৰুত্ব বুজাই মানুহ আৰু বন্যপ্ৰাণীৰ মাজত সহাৱস্থানৰ সুন্দৰ নিদৰ্শন দাঙি ধৰিছে। অসম চৰকাৰৰ বিশেষ স্বীকৃতি: জিতু হাজৰিকাৰ এই অতুলনীয় তথা জনহিতকৰ সেৱাক ৰাজ্যিক পৰ্যায়ত আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অসম চৰকাৰৰ ৭২ সংখ্যক বন্যপ্ৰাণী সপ্তাহ উদ্‌যাপনৰ মঞ্চত তেওঁক সম্বৰ্ধনা জনোৱা হয়। বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই জিতু হাজৰিকাক বিশেষ সম্বৰ্ধনা পত্ৰ আৰু সন্মান আগবঢ়ায়। ডিব্ৰুগড়বাসীয়ে ইয়াৰ বাবে এ অতি গৌৰৱৰ বিষয় বুলি অনুভৱ কৰে।

### ২৮খন টিবি মুক্ত পঞ্চায়তক সম্বৰ্ধনা; ৫খনে লাভ কৰিলে স্বৰ্ণ পদক

# বঙাইগাঁৱত 'জোছ' মুকলি

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ৮ অক্টোবৰ ঃ** বঙাইগাঁও জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি জিলা আয়ুক্তৰ সমন্বিত কাৰ্যালয়ৰ সভাকক্ষত 'জোছ' (JOSH—Joint Squad for Health) তথা 'টিবি মুক্ত ভাৰত' দল মুকলি কৰা হয়। একেটা অনুষ্ঠানতে জিলাখনৰ ২৮খন 'টিবি মুক্ত পঞ্চায়ত'ক সম্বৰ্ধনা জনোৱা হয়। বঙাইগাঁও জিলাৰ মুঠ ৬৫খন গ্ৰাম পঞ্চায়তৰ ভিতৰত নিৰ্ধাৰিত সূচক আৰু মাপকাঠিৰ ভিত্তিত ২৮খন পঞ্চায়তক 'টিবি মুক্ত পঞ্চায়ত' হিচাপে নিৰ্বাচিত কৰা হৈছে। ইয়াৰে ৫খন পঞ্চায়তে স্বৰ্ণ, ৫খনে ৰূপালী আৰু ১৮খন পঞ্চায়তে ব্ৰঞ্জ শ্ৰেণীৰ সন্মান লাভ কৰে। অনুষ্ঠানত বঙাইগাঁও বিধানসভা সমষ্টিৰ বিধায়িকা দীপ্তিময়ী চৌধুৰী, জিলা আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, মুখ্য চিকিৎসা বিষয়া, জিলা যক্ষ্মা ৰোগ বিষয়া, বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষকে ধৰি জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে। যক্ষ্মা ৰোগ প্ৰতিৰোধ, প্ৰাৰম্ভিক পৰ্যায়ত ৰোগ চিনাক্তকৰণ, নিয়মীয়া চিকিৎসা, পুষ্টি আৰু সামাজিক সহায়ৰ লগতে জনসচেতনতা বৃদ্ধিত আগবঢ়োৱা অৱদানৰ বাবে পঞ্চায়তসমূহক এই স্বীকৃতি প্ৰদান কৰা হয়। অনুষ্ঠানত বিধায়িকা দীপ্তিময়ী চৌধুৰীয়ে যক্ষ্মাৰ বিৰুদ্ধে যুঁজ শক্তিশালী কৰাৰ ক্ষেত্ৰত জিলা প্ৰশাসন, স্বাস্থ্য বিভাগ, পঞ্চায়ত প্ৰতিষ্ঠান, স্বাস্থ্যকৰ্মী আৰু ৰাইজৰ সমন্বিত প্ৰচেষ্টাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আনহাতে, জিলা আয়ুক্তই পুৰস্কৃত পঞ্চায়তসমূহক অভিনন্দন জনাই যক্ষ্মা ৰোগীৰ প্ৰাৰম্ভিক চিনাক্তকৰণ, চিকিৎসা সম্পূৰ্ণকৰণ আৰু ৰোগীক প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ ক্ষেত্ৰত নিৰন্তৰ প্ৰচেষ্টা চলাই যাবলৈ আহ্বান জনায়। 'জোছ'ৰ জৰিয়তে তৃণমূল পৰ্যায়ত যক্ষ্মা পৰীক্ষা, সজাগতা, প্ৰাৰম্ভিক ৰোগ নিৰ্ণয়, চিকিৎসা সাহায্য আৰু নিয়মীয়া তদাৰক অধিক শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছে। বঙাইগাঁও জিলাক যক্ষ্মামুক্ত হিচাপে গঢ়ি তুলিবলৈ সকলো পক্ষৰ সক্ৰিয় অংশগ্ৰহণৰ আহ্বান জনাই অনুষ্ঠানৰ সামৰণি পৰে।

### গৰ্ভৱতী হ'ল ভুক্তভোগী, ন্যায়ৰ দাবীত সৰৱ ডেউকা

# গোলাঘাটত মানৱ সমাজক লজ্জানত কৰা ঘটনা

### বাটে-ঘাটে ঘূৰি ফুৰা এগৰাকী মানসিকভাৱে অসুস্থ মহিলাৰ সৈতে অমানৱীয় কাণ্ড

**অসম বাৰ্তা ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৮ অক্টোবৰ ঃ** মানৱ সমাজক লজ্জানত কৰা এটা অতি মৰ্মান্তিক আৰু দুৰ্ভাগ্যজনক ছবি পোহৰলৈ আহিছে গোলাঘাটত। বাটে-ঘাটে ঘূৰি ফুৰা এগৰাকী মানসিকভাৱে অসুস্থ মহিলা বৰ্তমান অন্তঃসত্বা হৈ পৰিছে। কোনো নৰপিশাচৰ কামনাৰ বলি হ'ল এই নিৰীহ মহিলাগৰাকী। এগৰাকী অসহায় মহিলাক এনে অৱস্থালৈ ঠেলি দিবলৈ এবাৰো হৃদয় নকঁপিল নে সেই দানৱৰূপী ব্যক্তিৰ? এই জঘন্য কাণ্ডই সমগ্ৰ মানৱতাকে লজ্জানত কৰিছে। এই ঘটনাৰ উচিত তদন্ত আৰু ন্যায় কেনেদৰে হয়, সেয়া এতিয়া লক্ষণীয় হ'ব। ইফালে এই ঘটনাৰ তীব্ৰ নিন্দা আৰু গৰিহণা প্ৰদান কৰি ওলাই আহিছে সামাজিক সংস্থা 'ডেউকা'। নিপীড়িত আৰু নিৰীহৰ হকে সদায় মাত মতা 'ডেউকা' সংস্থাই আজি গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ দিলীপ ডেকাক সাক্ষাৎ কৰে। সংস্থাটোৱে ভুক্তভোগী মহিলাগৰাকীৰ সু-চিকিৎসা আৰু সুৰক্ষাৰ বাবে আলোচনা কৰাৰ লগতে প্ৰশাসনক দোষীক চিনাক্ত কৰি কঠোৰ শাস্তিৰ দাবী জনায়। উল্লেখ্য যে মানসিকভাৱে অসুস্থ মহিলাগৰাকীক বৰ্তমানে ৭ মাহৰ অন্তঃসত্বা বুলি জানিব পৰা গৈছে। ইফালে 'ডেউকা'ৰ তৰফৰ পৰা ভুক্তভোগী মহিলা গৰাকীৰ চিকিৎসাৰ ব্যৱস্থা কৰাৰ বাবে প্ৰচেষ্টা চলাইয়ো ব্যৰ্থ হোৱা বুলি জানিবলৈ দিয়ে।

# হাউলীত ৪০লাখ টকাৰ নিচাজাতীয় টেবলেটসহ এজন গ্ৰেপ্তাৰ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ৮ অক্টোবৰ ঃ** বৰপেটা জিলাৰ হাউলীত কালি সন্ধিয়া প্ৰায় ৪০ লাখ টকা মূল্যৰ নিচাজাতীয় টেবলেটসহ এজন লোকক গ্ৰেপ্তাৰ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, নিচাজাতীয় টেবলেট সৰবৰাহৰ বিৰুদ্ধে অভিযান চলাই হাউলী আৰক্ষীয়ে বাক্সা জিলাৰ ৰংদিয়াপাৰা গাঁৱৰ কুমুৰ উদ্দিন নামৰ লোকজনক গ্ৰেপ্তাৰ কৰে। অভিযানকালত তেওঁৰ জিম্মাৰ পৰা বৃহৎ পৰিমাণৰ নিচাজাতীয় টেবলেট জব্দ কৰা হয়। জব্দ কৰা নিচাজাতীয় টেবলেটখিনিৰ আনুমানিক বজাৰ মূল্য প্ৰায় ৪০ লাখ টকা বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে ধৃত কুমুৰ উদ্দিনক জেৰা কৰি নিচাজাতীয় দ্ৰব্য সৰবৰাহৰ সৈতে জড়িত আন লোকৰ সন্ধানত তদন্ত অব্যাহত ৰাখিছে। ঘটনাটোৰ সৈতে কোনো বৃহৎ নিচাজাতীয় দ্ৰব্য সৰবৰাহকাৰী চক্ৰ জড়িত আছে নেকি, সেই সন্দৰ্ভতো আৰক্ষীয়ে অনুসন্ধান চলাইছে।

### পেঙেৰা গাঁৱৰ পৰা ১ কেজি ১২ গ্ৰাম ভাং জব্দ; এজনক আটক

# আমগুৰিত আৰক্ষীৰ অভিযান



**অসম বাৰ্তা, চেলেংহাট, ৮ অক্টোবৰ ঃ** আমগুৰি আৰক্ষীয়ে আজি বিয়লি এক গোপন উৎসৰ তথ্যৰ ভিত্তিত আমগুৰি পেঙেৰা গাঁৱত এক অভিযান চলাই বৃহৎ পৰিমাণৰ ভাং জব্দ কৰাৰ লগতে এজন লোকক আটক কৰিছে। আৰক্ষীৰ সূত্ৰই জনোৱা মতে, পেঙেৰা গাঁৱৰ প্ৰয়াত জোনাৰাম দাসৰ পুত্ৰ দীপক দাসৰ ঘৰত অভিযান চলাই আৰক্ষীয়ে ১ কেজি ১২ গ্ৰাম ভাং উদ্ধাৰ কৰে। অভিযানৰ সময়ত দীপক দাসৰ ঘৰৰ পৰা নগদ ২৪, ৫০০ টকাও জব্দ কৰা হয়। এই সম্পৰ্কে আৰক্ষীয়ে এন.ডি.পি.এছ আইনৰ অধীনত এটা গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰাখিছে।

# গোলাঘাটৰ ড° টংকেশ্বৰ দাসলৈ 'নেছা'ৰ বিৰল সন্মান

### ১৫ ডিচেম্বৰত ৰাজস্থানত প্ৰদান কৰিব 'ৰাষ্ট্ৰীয় বিশিষ্ট বিজ্ঞানী বটা-২০২৬'

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৮ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ গোলাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘিলাধাৰী মৌজাৰ অন্তৰ্গত চকৰধৰা গাঁৱৰ নিবাসী প্ৰয়াত ভদ্ৰেশ্বৰ দাস আৰু মীনাকুমাৰী দাসৰ পুত্ৰ যোৰহাট 'নিষ্ট' (CSIR-NEIST)ৰ বিশিষ্ট বিজ্ঞানী ড° টংকেশ্বৰ দাসে ৰাষ্ট্ৰীয় পৰিৱেশ বিজ্ঞান অকাডেমী 'নেছা' (NESA)ৰ বৰ্ষটোৰ 'ৰাষ্ট্ৰীয় বিশিষ্ট বিজ্ঞানী বঁটা-২০২৬' (NESA Distinguished Scientist of the year Award-২০২৬) লাভ কৰিছে। নেন' টেকন'লজী, কাৰ্বনজাত সামগ্ৰী, শক্তি, বহনক্ষম সম্পদৰ ব্যৱহাৰ আৰু পৰিৱেশ বিজ্ঞানৰ প্ৰতি আগবঢ়োৱা গৱেষণামূলক অৱদানৰ বাবে ড° টংকেশ্বৰ দাসে এই এই ৰাষ্ট্ৰীয় সন্মান লাভ কৰিছে। অহা ১৫ ডিচেম্বৰ তাৰিখে ৰাজস্থানৰ বিকানেৰস্থিত স্বামী কেশৱানন্দ ৰাজস্থান কৃষি বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ড° দাসক উক্ত বটাঁ প্ৰদান কৰিব বুলি জানিব পৰা গৈছে। বিজ্ঞানী ড° দাসৰ এই বটাঁ প্ৰাপ্তিয়ে সমগ্ৰ গোলাঘাট জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে।

### জুইত ভস্মীভূত কেইবা লাখ টকাৰ সামগ্ৰী

# বৰপেটাৰোডৰ বালাভিঠা সাতভনীৰটুপ গাঁৱত

**অসম বাৰ্তা, বৰপেটাৰোড, ৮ অক্টোবৰ ঃ** বৰপেটাৰোডৰ বালাভিঠা সাতভনীৰটুপ গাঁৱত নিশা এক অগ্নিকাণ্ডত কেবা লাখ টকাৰ সামগ্ৰী ভস্মীভূত হয়। বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ পৰা জুইৰ সূত্ৰপাত সংঘটিত হৈছে বুলি জানিব দিয়ে। ঘটনাস্থলীত বৰপেটাৰোড অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ জুই নুমাবলৈ সক্ষম হয়। অগ্নিকাণ্ডত নিতিটাকৈ পশুধনৰ লগতে এটা গোহালি ঘৰ জুইত ভস্মীভূত হয় আৰু পাঁচ লক্ষাধিক টকাৰ ক্ষতিগ্ৰস্ত হৈছেবুলি জানিব দিয়ে। জুই নুমাবলৈ চেষ্টা কৰা আব্দুল ছামাদৰ সোঁ-হাতত জুইত কিছু অংশ পুৰি যায়। আব্দুল ছামাদ আলীৰ পৰিয়ালটোৰ জীৱিকাৰ একমাত্ৰ উপাৰ্জন আছিল পশুধন পালন কৰা। গাখীৰ বিক্ৰী কৰি পৰিয়ালটো পোহ-পাল দি আছিল ছামাদে। জুইত ভস্মীভূত হোৱা ছামাদৰ পৰিয়ালে ক্ষতিপূৰণ বিচাৰি অসম চৰকাৰৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু ভৱানীপুৰ সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত কুমাৰ দাসক কাতৰ বাবে আহ্বান জনায়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন